# ধিঙীয়া মহাবিদ্যালয় আলোচনী



সম্পাদক : আতাউৰ ৰহমান

# ঃ ৰঙিয়া মহাবিদ্যালয় আলোচনী ঃ

## বাৰ্ষিক প্ৰকাশ

২১ তম, সংখ্যা ঃ ইং ১৯৯৩-৯৪ চন

তত্বাৱধায়ক
অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতা

সম্পাদক
আটাউৰ ৰহমান

## ঃ সম্পাদনা সমিতি ঃ

সভাপতি ঃ শ্ৰীগদাধৰ ফাটোৱালী, ভাৰপ্ৰাপ্ত অধ্যক্ষ

তত্ত্বাৱধায়ক ঃ শ্ৰীনৰেন্দ্ৰ কলিতা, অধ্যাপক

সম্পাদক ঃ আটাউৰ ৰহমান

সদস্যদ্বয় ঃ হীৰকজ্যোতি ডেকা
ঃ নছিউৰ ৰহমান

বেটুপাতৰ শিল্পী ঃ পংকজ কুমাৰ ডেকা

অংগসজ্জা ঃ সম্পাদক

মুদ্ৰণত ঃ মহামায়া প্ৰেছ, ৰঙিয়া

## কৃতজ্ঞতা জনাইছোঁ

মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীগদাধৰ ফাটোৱালী, ভাৰপ্ৰাপ্ত উপাধ্যক্ষ মাননীয় শ্ৰীগোলোক চন্দ্ৰ ভূঞা, বিদায়ী অধ্যক্ষ ড° নীলকান্ত মহন্ত, অধ্যাপক সৰ্বশ্ৰীঅমৰেন্দ্ৰ শৰ্ম্মা, জ্যোতিষ চন্দ্ৰ চৌধুৰী; হৰেন্দ্ৰ নাথ শৰ্মা, দক্ষেশ্বৰ ডেকা, উমেশ চন্দ্ৰ গোস্বামী, ভবেন্দ্ৰ নাথ ডেকা হীৰেন্দ্ৰ নাথ শৰ্মা, চুফিয়া বেগম, গ্ৰন্থাগাৰিক বীৰেন্দ্ৰ শৰ্মা, শ্বেইখ চমছেৰ আলী, জ্যোতিৰ্ময় কলিতা, কুশল কলিতা, মেহবুব ৰহমান, দীপক মহন্ত, প্ৰতুল ভট্টাচাৰ্য্য, কুমুদ ডেকা, সঞ্জীব দেৱান, প্ৰদীপ ডেকা, কুণাল তালুকদাৰ, মোহন মাধৱ বৰ্ম্মণ, নাজমা ৰহমান, চৈয়দ জাকিৰ হুছেইন, চিমা, জীতু, বাব্লু প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক/অধ্যাপিকা, কৰ্মীবৃন্দ, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া তথা সকলোৰে প্ৰতিটো কামত সহায়ৰ হাত আগবঢ়োৱা প্ৰতিজন ব্যক্তিলৈ আৰু লগতে ৰঙিয়াস্থ মহামায়া প্ৰেছৰ সমূহ কৰ্মী-বৃন্দলৈ ।

# অশ্ৰু-অঞ্জলি

অসমৰ হকে প্ৰাণ বিসৰ্জন দিয়া জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদ সকল
আৰু
ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি গিয়ানি জাইল সিং, বিশিষ্ট কবি ৰাম গগৈ, ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, অসম সাহিত্য সভাৰ সভাপতি বিশিষ্ট সাহিত্যিক লীলা গগৈ, সেনাধ্যক্ষ বি, চি, যোশী, অভিনেত্ৰী দেৱীকাৰাণী, মনমোহন দেশাই, প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী প্ৰসিদ্ধ কানাড়া সাহিত্যিক ডঃ কুপ্পালী ভেকটাপ্পা পুট্টাপ্পা, বিশিষ্ট জনকৃষ্টি সাধক সাহিত্যিক গৱেষক ডঃ প্ৰফুল্ল দত্ত গোস্বামী, বিশিষ্ট সঙ্গীতজ্ঞ দেবেন শৰ্ম্মা, ৰঙিয়াৰ বিশিষ্ট নাগৰিক কবিৰাজ শম্ভু নাথ ভট্টাচাৰ্য্য, কেশৱ চন্দ্ৰ কলিতা আৰু জ্ঞাত-অজ্ঞাত ব্যক্তিলৈ—

# ঃ অভিনন্দন ঃ

১৯৯৩ চনৰ দাদা চাহেব ফাল্কে বঁটা বিজয়ী বিশিষ্ট গীতিকাৰ মজৰুহ চুলতানপুৰী, ১৯৯৪ চনৰ বিশ্বকাপ (ফুটবল) বিজয়ী ব্ৰাজিল দল, মেগাছেছ বঁটা বিজয়িনী কিৰণ বেদী, ১৯৯৩ চনৰ ক্ষুদ্ৰ মহিলা উদ্যোগী বঁটা বিজয়িনী নিৰুপমা বৰুৱা, ১৯৯৩ চনৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা বিজয়ী শ্ৰীসত্য প্ৰসাদ বৰুৱা, শ্ৰীলংকাৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি চন্দ্ৰিকা কুমাৰতুংগা, "মিছ ইউনিভাৰ্চ" সুস্মিতা সেন, "বিশ্ব সুন্দৰী" ঐশ্চাৰ্য্য ৰায়, ১৯৯৪ চনৰ বিশ্বকাপ (হকী) বিজয়ী পাকিস্থান, আৰু অলিম্পিয়ান ৰাষ্ট্ৰীয় বেডমিন্টন চেম্পিয়ন দীপাঙ্কৰ ভট্টাচাৰ্য্য

ইত্যাদিলৈ—

# ঃ সোঁৱৰণ ঃ



'মোৰ সোঁৱৰণী জুমৰি উঠে
নিৰন্ন-সময়ৰ সুগন্ধ তেজৰ প্ৰবাহে-প্ৰবাহে।'

জয়ন্ত কলিতা ! নামটোতেই লুকাই আছে এক মিঠা মাদকতা, এক অ'চন কৌতূহল, মৃদু উত্তেজনা—আৰু আছে হৃদয়ৰ নিবিড় গভীৰতা। সদা হাস্যমান, অমায়িক, উদাৰনৈতিক আৰু অন্যায়ৰ প্ৰতিবাদী জয়ন্ত সকলোৰে 'ঘৰৰ লৰা' আছিল। যেন তেওঁ আৰম্ভ কৰিছিল হৃদয় ''জয়ৰ অনন্ত'' যাত্ৰা। কিন্তু.......নিয়তিৰ কাল চকুৱে সহিব নোৱাৰিলে জয়ন্তৰ জয় যাত্ৰা...........আৰু যোৱা ১৯৯৫ চনৰ ২৬ মে'ৰ কাল সন্ধিয়া নিয়তিয়ে নিষ্ঠুৰ হাতেৰে কাঢ়ি নিলে জয়ন্তৰ সেই বিজয়-মালা। ৰঙিয়া চহৰৰ বেই কিল'মিটাৰমান আঁতৰত ৰাষ্ট্ৰীয় ঘাই পথত এক মটৰ দুৰ্ঘটনাত জয়ন্তই মৃত্যুক আঁকোৱালি লবলগীয়া হ'ল। চিৰদিনৰ বাবে স্তব্ধ হৈ পৰিল ৰঙিয়াৰ সমীপৱৰ্ত্তী মূৰাৰা গাঁৱৰ 'পুলমা আলয়'।

১৯৭৭ চনৰ ৭ জুলাই তাৰিখে জন্মলাভ কৰা জয়ন্তৰ পিতৃ ৰঙিয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতা আৰু মাতৃ শ্ৰীমতী গোলাপী কলিতা।

১৯৮৯ চনত জয়ন্তই ৰঙিয়া উঃ মাঃ বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ৰঙিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰে। তাৰ পৰা ১৯৯১ চনত উঃ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ১৯৯৪ চনত গুৱাহাটীৰ বি, বৰুৱা মহাবিদ্যালয়ৰ পৰা 'শিক্ষা' বিষয়ত সন্মানসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ কটন মহাবিদ্যালয়ত স্নাতকোত্তৰ শাখাত নাম ভৰ্ত্তি কৰিছিল যদিও আশাবোৰ আশা হৈয়েই ৰ'ল।

সকলোৰে প্ৰিয় জয়ন্তই সৰুৰে পৰাই বিভিন্ন দিশত প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিছিল। স্থানীয়, জিলা আৰু অসম ভিত্তিত পতা ৰচনা, কবিতা প্ৰতিযোগিতাত পুৰস্কৃত হোৱাৰ উপৰিও সাৰলীল অভিনয়েৰে ১৯৯০ চনত তেওঁ ৰঙিয়া মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ অভিনেতা'ৰ সন্মান লাভ কৰিছিল।

তেওঁৰ বিদেহী আত্মাৰ প্ৰতি আমাৰ সশ্ৰদ্ধ প্ৰণাম আৰু শত-সহস্ৰ অশ্ৰু অঞ্জলি নিবেদিছোঁ আৰু তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক,—এয়ে আমাৰ অন্তৰৰ চিৰকামনা।

# ঃ উচৰ্গা ঃ

যি
সকল
মহান
ব্যক্তিয়ে
দেশৰ
ঐক্য-সংহতি
ৰক্ষাৰ্থে অহৰহ
চেষ্টা কৰি আছে তেখেত
সকলৰ নামত এই সংখ্যা
আলোচনী উচৰ্গা কৰা হ'ল।

★ ★
★ ★ ★
★ ★ ★ ★ ★ ★ ★

# ঃঃ সূচীপত্ৰ ঃঃ


| | | | |
|---|---|---|---|
| | সম্পাদকীয়— | | ক |
| | স্মৃতিৰ টুকুৰা— | | ঘ |
| ★ | **প্ৰবন্ধ শিতান—** | | |
| ১। | ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ধাৰাত এভুমুকি— | শ্ৰীহিৰণ্য কাকতি | ১ |
| ২। | শিক্ষা আৰু শিক্ষক— | শ্ৰীহৰি শৰ্মা | ৮ |
| ৩। | দেশৰ ৰাজনীতি আৰু অসমৰ দিশহাৰা জনগণ— | শ্ৰীখনিন কলিতা | ১১ |
| ৪। | ভট্টদেৱৰ সাহিত্য-প্ৰতিভা— | শ্ৰীদক্ষেশ্বৰ ডেকা | ১৫ |
| ৫। | দাসত্বৰ ব্লুপ্ৰিণ্ট : "ডাংকেল প্ৰস্তাৱ"— | চৈয়দ নুৰুল ইছলাম আহমেদ | ২১ |
| ৬। | কাঠফুলাৰ গুণাগুণ— | শ্ৰীজ্ঞানদানন্দ নাথ | ২৫ |
| ৭। | সাম্প্ৰদায়িকতা ঃ ভাৰতবৰ্ষৰ সংহতিৰ এক প্ৰত্যাহ্বান— | শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্ম্মা | ২৮ |
| ● | **কবিতা কৰণি** | | |
| ১। | মোৰ প্ৰেম— | আব্দুল বাছেত | ১ |
| ২। | সিংহ জীয়াই থাকিব বিচাৰে— | শ্ৰীসঞ্জয় কুমাৰ নাথ | ২ |
| ৩। | বৰদৈচিলা— | শ্ৰীহীৰামণি দেৱী | ৩ |
| ৪। | দগ্ধ হিয়াৰ জুই— | কবীন্দ্ৰ নাথ ডেকা | ৪ |
| ৫। | কবিৰ চকুলো আৰু মই— | সঞ্জীৱ দেৱান | ৪ |
| ৬। | ঘৃণিত প্ৰতিভূ— | শ্ৰীপ্ৰতিভা ডেকা | ৫ |
| ৭। | অপেক্ষাৰত— | শ্ৰীপাৰবীন অনিমা চৌধুৰী | ৫ |
| ৮। | দৰ্শনৰ কথাৰে— | শ্ৰীভূপেন্দ্ৰ নাথ শৰ্ম্মা | ৬ |
| ৯। | পৰিৱৰ্তন বিচাৰি— | শ্ৰীদ্বীপেন ডেকা | ৭ |
| ১০। | সময়— | শ্ৰীদীপক কুমাৰ কলিতা | ৭ |
| ১১। | চোতালত মানুহৰ সভা— | শ্ৰীভাগ্য ডেকা | ৮ |
| ⚜ | **গল্প শৰাই—** | | |
| ১। | আত্মসমৰ্পণ— | শ্ৰীপৰেশ চন্দ্ৰ নাথ | ১ |
| ২। | মৰীচিকা— | শ্ৰীযতীন দাস | ৯ |
| ৩। | সমাজিক— | চৈয়দ ৰিজুল হুছেইন | ১৬ |
| ৪। | সম্পাদকলৈ চিঠি— | | ১৮ |
| ৫। | মতামত— | | ২০ |
| ৬। | কুইজ— | | ২৪ |
| ৭। | বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | | ১-১৬ |

CONTENTS


1. Democracy : A concept, transformation and existence— Prof. Rajat Ch. Deka 1
2. Beware of cosmetics— Diganta Saloi 7
3. Waiting for Godot : An Absurd Drama Prof. Bhabendra Nath Deka 10
4. Does My Mind Dance up Prof. O. Ghani 16
5. Indian Nationalism Through Ages Prof. Umesh ch. Goswami 17
6. National Cadet Corps ( N.C.C. ) A. K. Daimary 26




কৰ্ম ব্যস্ততাৰ মুহূৰ্তত আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত গদাধৰ কাটোৱালীদেৱ।

# A Short Biography of Dr. N. K. Mahanta.



Dr. Shri Nilakanta Mahanta was born in 1930 in a small village named Sitara on the outskirt of Rangia town. His parents were highly devoted to vaishnavite culture and tradition. By birth he inherited a highly religious bent of mind. In his childhood Shri Mahanta was a student of mediocre calibre. He passed the Matriculation Examination in 1952 from Rangia High ( now Higher Secondary ) School and the next year ( 1953 ), he passed the 'Visharad' and 'Siksha Visharad' Examination from the Govt. Hindi Training Centre, Missamari with credit. Then he took up an assignment as an office assistant in the Asom Rastrabhasa prachar Samity, Guwahati and subsequently rose to the post of the prachar 'Vyavasthapak' of the same committee in 1954. While in service in Rastrabhasha prachar Samittee he prosecuted his higher studies as a student of B. Barooah College, Gauhati and obtained his B. A. degree in 1958.

After graduation he gave up his post and Joined Rangia High School as an assistant teacher. In 1962 he passed the M. A. Examination in Assamese from the Gauhati University.

He was appointed a lecturer in Assamese in the newly established Rangia College in 1963. He was elevated to the post of Vice-Principal of the college in 1969. Afterwards, he was appointed a regular Principal of the college in 1986 after being selected by the state selection Board. Living such a busy life and holding a responsible post like Principal, he succeeded in obtaining the Ph. D. degree for his thesis entitled "The influence of the Neo Vaisnavism on the Bodo–Kacharis of Kamrup with special reference to socio cultural aspects". He conducted research work under the guidance of Dr. Maheswar Neog, Professor Emeritus, Gauhati University.

He successfully completed his service period as the Principal of Rangia college showing excellent records in administrative as well as academic fields. He retired from his service in 1994 after completing a continuous service of 32 years, leaving behind a glowing record for the next generation to follow. To put the whole thing in a nutshell, his dedication to the institution knows no bounds.

We, the students of Rangia college offer our heartfelt homage to our beloved teacher and guide Dr. N. K. Mahanta and pray to the almighty to grant him a happy and long life.

Editor.



# সম্পাদকীয়

অমূল্য মানৱ জীৱন । তাতকৈ তাৎপৰ্য্যপূৰ্ণ মানুহৰজীৱনৰ গতি । এই গতিৰ জীপ দিবলৈ গৈ মানুহে, ঠায়ে ঠায়ে, যুগে যুগে আত্মাৰ আত্মিক আকৰ্ষণেৰে বিশ্ব জনীন ভাতৃত্ব বন্ধনেৰে বান্ধিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে । নিজক জয় কৰিছে । আনকো জয়ী কৰিছে । এই ক্ষেত্ৰত যুগ-যুগ ধৰি শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । শিক্ষাই মানুহক জাগতিক কু-কৰ্ম, কু-দৃষ্টি, কটুক্তিৰ পৰা আঁতৰাই আনি পৰ্য্যায়ক্ৰমে নৈতিক, আধ্যাত্মিক আৰু বৈষয়িক প্ৰমূল্য সমূহক উজ্জীৱিত কৰি তোলাত সহায় কৰে । এই শিক্ষাই মানৱতাৰ শিক্ষা । মানুহক "মানুহ" হিচাপে নিজৰ ভৰিত থিয় দিব পৰা পথ প্ৰশস্ত কৰাৰ শিক্ষা । আবহমান কালৰ পৰা আমি যি দেখিছো, এনেধৰণৰ শিক্ষাই বিশেষ ভূমিকা পালন কৰি আহিছে । প্ৰাচীন ভাৰতীয় তথা অসমীয়া সমাজ ব্যৱস্থাৰ উৎকৰ্ষতা সাধনৰ মূলতে শিক্ষানুষ্ঠান সমূহৰ অৱদান অনস্বীকাৰ্য্য । শিক্ষাই মানুহক জ্ঞান দিয়ে ; কিন্তু নিজকে 'জ্ঞানী' কৰিব পৰাটোহে প্ৰকৃত শিক্ষা ।

১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা প্ৰথম অসম সাহিত্য সভাৰ সভাপতি ভীষ্ম প্ৰতিম সাহিত্যিক প্ৰয়াত পদ্মনাথ গোহাঞি বৰুৱাদেৱে এইদৰে কৈছিল— "এটা জাতিয়ে জাতীয়ত্বৰ চিনাকি দিবলৈ হ'লে, সেই জাতীয় ভাষা আৰু সাহিত্যইহে আগ ধৰি সেই চিনাকি দিয়ে।" ঠিক তেনেদৰে কোনো এখন শিক্ষা অনুষ্ঠানৰ ইতিহাস, বৰ্ত্তমান কিম্বা আদিৰ বিষয়ে সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ মুখপত্ৰখনেই ইয়াৰ পৰিচায়ক ।

বুকুত বহু ৰঙীন আশা লৈ আমি আগন্তুক একৈশ শতিকালৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছোঁহক । মাত্ৰ কেইটামান বছৰৰ পিছতে এক নতুন শতিকাৰ পৰশত আমাৰ বৰ্ত্তমানবোৰ হৈ পৰিব অতীত । আমিবোৰ হ'ম ইতিহাস । উত্তৰ প্ৰজন্মই ইতিহাসৰ পাত লুটিয়ালে বিচাৰি পাব আমাৰ স্বৰূপ । হয়তো বৰ্তমানৰ স্বৰূপ ঢাকিবলৈ কীৰ্ত্তিনাথ বৰবৰুৱাৰ দৰে ইতিহাসবিদৰ পুথিবোৰ

পুৰি পেলাব পাৰিম। কিন্তু আমাৰ কাৰ্য্যৱলীৰ কুপ্ৰভাৱবোৰ নাইকীয়া কৰিব পাৰিম জানো ? অবক্ষয়ী মনৰ ধাৰাক সলাব পৰা কথাটোও তদ্ৰূপ বিচাৰ্য্যৰ বিষয়! এতিয়া আত্ম বিশ্লেষণেৰে নিজে নিজৰ কলুষিত আত্মাবোৰ আৰু অবক্ষয়ী মনবোৰক এক নতুন ৰূপত গঢ় দিয়াৰ সময়। এই বিষয়ত আমি সকলোৱে কিছু চিন্তা কৰা উচিত। সাম্প্ৰতিক কালৰ ক্ৰমবৰ্দ্ধমান যুৱ উচ্ছৃংখলতা আৰু বিকৃত যুৱ মানসিকতাক সমাজ সচেতন আমি প্ৰত্যেকে যথেষ্ট উদ্বেগেৰে লক্ষ্য কৰিছোঁহক। যুৱ-মানসিকতাৰ এই প্ৰবাহমান ধাৰাক যদি ভেটা দিব পৰা নাযায়, ই যে আমাৰ উত্তৰ পুৰুষৰ ওপৰত এক ধ্বংসাত্মক প্ৰভাৱ পেলাব, সেইয়া ধ্ৰুৱ। যেহেতু সাম্প্ৰতিক - আৰ্থ - সামাজিক ৰাজনৈতিক তথা শৈক্ষিক ব্যৱস্থা আৰু বাতাবৰণৰ পটভূমিত ইয়াৰ সূক্ষ্ম বিশ্লেষণৰ জৰিয়তে এক সফল সমাধান উলিওৱাটো বৰ্ত্তমান সময়ৰ আহ্বান।

যুৱ সমাজৰ মানসিক বিকাশত শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ সবাতকৈ লক্ষণীয়; কিন্তু যি দেখা গৈছে বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাই যুৱ সমাজক অধিক বস্তুবাদী আৰু বৃত্তিমুখী কৰি তুলিছে; যুৱ সমাজৰ মানৱীয় আৰু নৈতিক প্ৰমূল্য সমূহৰ বিকাশ ঘটোৱাৰ কোনো সমল ৰখা নাই। ত্ৰুটীপূৰ্ণ শিক্ষা ব্যৱস্থাত অজস্ৰ ধন ভাঙি জীৱনৰ ভৰপক সময়খিনি অতিবাহিত কৰাৰ অন্তত চাকৰিত নিযুক্তিৰ বাবে শৈক্ষিক অৰ্হতাতকৈ ৰাজনৈতিক হস্তক্ষেপ, স্বজন-প্ৰীতি আৰু দুৰ্নীতিয়েহে অধিক গুৰুত্ব লাভ কৰাৰ পৰিস্থিতিত বিক্ষুব্ধ যুৱকসকলৰ পৰা সততাৰ আশা কৰাটো মৰুভূমিত মৰীচিকা বিচৰাৰ দৰে হৈ পৰে। এনে পৰিস্থিতিত আবেগ প্ৰৱণ যুৱ সমাজে পেটৰ ভাতমুঠিৰ তাড়নাত সহজে ধন-ঘটাৰ উপায় বিচাৰি চোৰাং ব্যৱসায়, চোৰ-ডকাইতি, লটাৰী আনকি সন্ত্ৰাসবাদ মূলক কামত লিপ্ত হৈ পৰা অস্বাভাৱিক কথা নহব। তদুপৰি অনিশ্চিত ভৱিষ্যতৰ অন্ধকূপত নিমজ্জিত যুৱকসকলে নিচাজাতীয় দ্ৰব্যৰ সেৱনেৰে কঠোৰ বাস্তৱৰ ভয়াবহতাৰ পৰা পলায়নবাদী মনোভাৱ লোৱাৰ ব্যৰ্থ প্ৰয়াস কৰে। যুৱক সকলৰ এই নিৰাপত্তাহীনতাৰ সুযোগ লৈ বৰ্তমান এচাম ৰাজনৈতিক নেতাই নানান আদৰ্শ আদিৰ দোহাই দি লেতেৰা নিৰ্বাচনী ৰাজনীতিৰে যুৱক সকলৰ হাত কলুষিত কৰে। স্বভাৱতে আদৰ্শবান আৰু আবেগিক যুৱকসকলক নূন্যতম প্ৰৰোচনাৰে হত্যা, লুণ্ঠন আদি আত্মঘাটি কাৰ্য্যকলাপৰ প্ৰতি উচটাই দিয়ে। এনেদৰে পৰ্য্যায় ক্ৰমে যুৱ সমাজৰ নৈতিক স্খলনৰ পথো প্ৰশস্ত হয়। বৰ্তমান সমস্যা জৰ্জৰিত আৰু অনিশ্চিত ভৱিষ্যতৰ দোমোজাত পৰ্য্যাপ্ত সমাজ সচেতনতাৰ অভাৱত যুৱ সমাজত বিচ্ছিন্নতাবোধ বাঢ়ি অহাটো স্বাভাৱিক। এনে পৰিস্থিতিত আকৌ ভূতৰ ওপৰত দানহ ওলোৱা দি আহি পৰিল পাশ্চাত্য সংস্কৃতি। এই সংস্কৃতিৰ ৰংচঙীয়া অথচ প্ৰলেপসৰ্বস্ব নেতিবাচক দিশটোৰ প্ৰতিহে যুৱ সমাজ আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। সাম্প্ৰতিক কালত বেংছাতিৰ দৰে বাঢ়ি অহা কুৰুচিসম্পন্ন বিজ্ঞাপন, চলচ্চিত্ৰ আৰু আলোচনীৰ প্ৰচলনৰ ফলত যুৱ সমাজ এহাতে সুস্থ নৈতিক শিক্ষাৰ পৰা বঞ্চিত হৈছে, আকৌ যুগৰ আৱহাওৱাই তেওঁলোকক অসৎ প্ৰভাৱৰ ফালে ধাৱিত কৰা যেন বোধ হয়। আমাৰ সমাজত বাঢ়ি অহা ধৰ্ষণজনিত অপৰাধৰ এইটো এটা অন্যতম প্ৰধান কাৰণ বুলি ক'ব পৰা যায়। এই কণ্টকপূৰ্ণ সমাজখনক নিকা কৰি তুলিবলৈ যুৱকসকল আগবাঢ়ি অহাটো আৱশ্যক লগতে নিজকে নৈতিকতা আৰু মানবীয় প্ৰমূল্যৰে গঢ়ি তোলা উচিত।

যুৱকসকল এটা জাতিৰ মেৰুদণ্ড। গতিকে তেওঁলোকে এনেদৰে জহি-খহি যোৱাটো কোনো



জাতিৰ বাবেই শুভলক্ষণ নহয়। যুৱকসকলক প্ৰকৃত পথৰ সন্ধান দিয়াত শিক্ষানুষ্ঠান সমূহৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব আছে! শিক্ষানুষ্ঠানত প্ৰৱৰ্ত্তিত শিক্ষা কেৱল পাৰ্থিৱ আৰু জাগতিক বিষয়তে সীমাবদ্ধ নাথাকি মানুহৰ নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ উৎকৰ্ষ সাধনত গুৰুত্ব আৰোপ কৰা উচিত। লগতে প্ৰচলিত আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাক দুৰ্নীতিমুক্ত, নিকা আৰু জনকল্যাণমুখী কৰি তোলাটো সমানেই আৱশ্যক।

আলোচনীৰ জৰিয়তে বিশেষকৈ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ আৰু সামগ্ৰিকভাৱে গোটেই সমাজৰ মাজতে এক গঠনমূলক চিন্তাৰ উন্মেষ ঘটাবলৈ আমাৰ ফালৰ পৰা চেষ্টাৰ ত্ৰুটী কৰা নাই। এই ক্ষেত্ৰত কিমান দূৰ সফল হ'লো তাৰ বিচাৰৰ দায়িত্ব নবীন প্ৰবীন পঢ়ুৱৈৰ হাতত অৰ্পণ কৰিলো।

এইখিনিতে একাষাৰ কথা নকলে মোক অকৃতজ্ঞতাৰ দোষে চুব। সাহিত্যিক মই কোনো কালেই নাছিলো। সংবাদসেৱী হিচাপেও ব্যুৎপত্তি মোৰ নাই। কিন্তু এই সংখ্যা আলোচনীৰ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰাই মই অনিচ্ছাকৃত ভাবে সাহিত্য, সংবাদ, ইতিহাস আৰু সমাজ জীৱনৰ বিভিন্ন দৰ্শনত সোমাই পৰিলো। তিতা-কেহা অভিজ্ঞতা সঞ্চয় কৰিলো আৰু তাৰেই ফলশ্ৰুতি সৰ্বাঙ্গসুন্দৰ নহলেও, অন্তত: মনৰ খোৰাক যোগাব পৰা তথ্য সম্বলিত এই আলোচনীখনি পঢ়ুৱৈ সমাজৰ বিচাৰাৰ্থে সহৃদয়ৰে তুলি দিলো। এই আপাহতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, মাননীয় অধ্যক্ষ, উপাধ্যক্ষ মহোদয়কে ধৰি এই সংখ্যা আলোচনীৰ তত্বাৱধায়ক মাননীয় শ্ৰীনৰেন্দ্ৰ কলিতা, শিক্ষাগুৰু সকল আৰু মোৰ সহযোগী ছাত্ৰ-সন্থাৰ বিষয়ববীয়া, বন্ধু-বান্ধৱী সকলৈ সনিৰ্বন্ধ "শ্ৰদ্ধা ভক্তিৰ শৰাই" আগবঢ়ালো— যিসকলৰ প্ৰেৰণা মোৰ জীৱন পাতত শাশ্বত ৰূপত খোদিত হৈ ৰ'ব।

পৰিশেষত স্বনামধন্য অভিনেতা, হাস্যৰসিক মাননীয় শ্ৰীৰতন লহকৰে কোৱা কেইশাৰীমান কথাৰে মোৰ সম্পাদকীয় শিতানৰ মোখনি মাৰিলো —"ধৰ্ম্মশাস্ত্ৰ পাঠতে ধৰ্ম্ম নহয়। মন্দিৰ, মছজিদ, গীৰ্জা দৰ্শনতে ধৰ্ম্ম নহয়। কৰ্ম্মৰ আত্ম বিশ্লেষণ কৰা। মানুহৰ মানৱীয় হৃদয়ৰ বুজ লোৱা। নিজকে নমাই অনা সেইশাৰীলৈ, য'ত যথাৰ্থ নিপীড়িত জন বহি থাকে।" কিম্ ধিক্ মিতি—



## ঃতিনি গৰাকী প্ৰতিষ্ঠাপক অধ্যাপকৰ স্মৃতিৰ টুকুৰা ঃ

১৯৬৩ চনৰ কথা। সেইবছৰৰ ৫ আগষ্ট সোমবাৰৰ দিনটো ৰঙিয়াবাসী ৰাইজৰ বাবে এটি স্মৰণীয় দিন। সেই দিনতেই কামৰূপ জিলাৰ উত্তৰাঞ্চলৰ নাভিকেন্দ্ৰ ৰঙিয়াত ৰাইজৰ বহু-আকাঙ্খিত উচ্চ শিক্ষাৰ সৰ্ব্বপ্ৰথম শিক্ষানুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ে জন্ম লাভ কৰে। নানা আলৈ আহুকালৰ মাজেৰে পূৰা একুৰি পাঁচ বছৰ অতিক্ৰম কৰি এই মহাবিদ্যালয়ে ১৯৮৮ চনৰ ৫ আগষ্ট তাৰিখে পূৰ্ণ যৌৱনত ভৰি দিছে।

ৰঙিয়া অঞ্চলৰ সহৃদয় ৰাইজৰ দান-বৰঙণিক ভেটি কৰি লৈ মহাবিদ্যালয়ৰ নিজা গৃহ নিৰ্ম্মাণৰ আঁচনি বাস্তৱত ৰূপায়িত কৰাৰ পৰিকল্পনা কৰা হ'ল। দান-বৰঙণিৰ ক্ষেত্ৰত ৰাইজৰ অকুণ্ঠ সহায়-সহযোগৰ কথা কৃতজ্ঞতাৰে সোঁৱৰণ কৰিবই লাগিব। বিশেষকৈ ৺বদ্ৰীনাৰায়ণ আগৰৱালা, শ্ৰীগৌৰীকান্ত কলিতা আৰু মৃণালিনী বিড়ি কোঃ প্ৰত্যেকে ১০,০০০ টকাকৈ আগবঢ়াই মহাবিদ্যালয় প্ৰতিষ্ঠাৰ দিশত বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ পৰিচালনা সমিতিক উৎসাহিত কৰিছিল।

—ড° নীলকান্ত মহন্ত

এই ২৫ বছৰীয়া কালছোৱাত আমি তিনিগৰাকী অধ্যক্ষৰ লগত কাম কৰাৰ সুযোগ পাইছো। প্ৰথম গৰাকী আছিল ৺সুখদেৱ সিং। কলেজ আৰম্ভ হোৱাৰ দিনৰ পৰা এখেত আমাৰ লগত প্ৰায় ছমাহ কাল থাকে। সঘনাই কফি আৰু পাইপেৰে মিহি ধঁপাতৰ ধোৱা খাই ভালপোৱা মানুহজন আচলতে ক'ৰমানুহ আছিল আমি জানিব নোৱাৰিলো। নিদ্ৰাহীনতা ৰোগত ভুগি থকা এই টুটি-চাপৰ মানুহজন কিন্তু তীক্ষ্ণ বুদ্ধিসম্পন্ন লোক আছিল। ইংৰাজীৰ ক্লাছ লোৱাৰ উপৰিও তেখেতে প্ৰাৰম্ভিক পৰ্য্যায়ৰ যোগাযোগ সম্পৰ্কীয় চিঠি পত্ৰৰ লগতে কাৰ্য্যালয়ৰ সকলোখিনি কাম কৰিছিল। এটা সময়ত এখেত ৰঙিয়া এৰি গ'ল। কিছুদিন পিচত আমি তেখেতৰ আকস্মিক মৃত্যুৰ বাতৰি পাওঁ। যদিও তেখেত আমাৰ মাজত নাই, তেখেতে এৰি যোৱা স্মৃতিয়ে আমাৰ মন এতিয়াও শোকাকুল কৰি তোলে। তেখেতৰ আত্মাই শান্তি লাভ কৰক—তাকেই আমি কামনা কৰো।

—গদাধৰ ফাটোৱালী

কলেজৰ একেবাৰে চালুকীয়া অৱস্থাত চাঁদা বিচাৰি হ'বাথুৰি খাবলগীয়া অভিজ্ঞতা হৈছিল। অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ, শ্ৰীনীলকান্ত মহন্তদেৱ প্ৰমুখো আমি কিছুমানে অৰ্থসংগ্ৰহৰ কামত ৰঙিয়া অঞ্চলৰ ঠাইবিলাক চলাথ কৰিছিলো। এনেতে এনে এটা দিনত দৈৱৰ অনুগ্ৰহত আমি ৰঙিয়া ষ্টেচন নিবাসী ৺গোলোক চন্দ্ৰ লহকৰদেৱৰ বাস ভৱনত উপস্থিত হৈছিলো। ৺লহকৰদেৱ নিজে আছিল এগৰাকী আদৰ্শ কৃষক আৰু এই ক্ষেত্ৰত তেখেতৰ আদৰ্শনীয় কৃতিত্বৰ কথা বিয়পি পৰিছিল। কথা প্ৰসঙ্গঁতে তেখেতে পৰামৰ্শ আগবঢ়ালে যে যিহেতু ৰঙিয়া কলেজত পৰ্য্যাপ্ত পৰিমাণৰ মাটি আছে; সেই মাটিত উন্নত পদ্ধতিত কৃষিকাৰ্য্য আৰম্ভ কৰি কলেজৰ পুঁজি টনকিয়াল কৰাৰ ৰাস্তা উলিয়াব পৰা যায়। কথাটো আমাৰ গাত লাগিল। বৰদলৈদেৱে কৃষকৰ সন্তান নহলেও কৃষিত তেখেতৰ ৰাপ আছিল। গ্ৰাম্য পৰিৱেশত অৱস্থিত আমাৰ এই কলেজখনত কৃষিকাৰ্য্যৰ মাজেৰে স্বাৱলম্বিতা, শ্ৰমৰ মৰ্য্যাদা আদিৰ লেখীয়া আদৰ্শ বাস্তৱত প্ৰতিফলিত কৰাৰ সপোন আমি দেখিলো।

—গোলোক চন্দ্ৰ ভূঞা

(ৰঙিয়া মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ "স্মৃতি গ্ৰন্থ"ৰ পৰা উদ্ধৃত। —সম্পাদক)



# ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া

# অসমীয়া বিভাগ

ইং ১৯৯৩-৯৪ বৰ্ষ

# ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ-

## ধাৰাত এভুমুকি

শ্ৰীহিৰণ্য কাকতি
স্নাতক, ৩য় বৰ্ষ (কলা)

### ভাষাৰ উৎপত্তি

সাম্প্ৰতিক সময়ত খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ পিছতে অনুভূত হোৱা মানুহৰ অন্যতম চাহিদা হ'ল ভাষা। বিভিন্ন কাৰণত যেনে, পৰস্পৰৰ মাজত ভাৱৰ বিনিময় কৰিবলৈ, নিজস্ব চিন্তাধাৰাক আনৰ সন্মুখত উপস্থাপন কৰিবলৈ, বিভিন্ন ন-পুৰণি বস্তুৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ —ইত্যাদি বিভিন্ন কাৰণবশতঃ ভাষিক প্ৰয়োজনীয়তা আমাৰ মাজত অনুভূত হয়। ভাষা অবিহনে সুসভ্য হিচাপে, অন্যান্য জীৱতকৈ শ্ৰেষ্ঠ হিচাপে আমি নিজকে প্ৰতিপন্ন কৰিব নোৱাৰিলোহেঁতেন।

কিন্তু এটা সময় আছিল যেতিয়া পৃথিৱীত ভাষাৰ কোনো অস্তিত্বই নাছিল। আমাৰ উত্তৰ পুৰুষসকলে কিছুমান অদ্ভুত আৰু অৰ্থহীন শব্দ আৰু শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গসমূহৰ কিছুমান স্বকীয়া ভংগীমাৰে নিজস্ব ভাষিক প্ৰয়োজনীয়তা পূৰণৰ বাবে প্ৰচেষ্টা চলাইছিল। খ্ৰীষ্ট জন্মৰ প্ৰায় ৩৫০০/৪০০০ বছৰ আগলৈকে ভাষাৰ ক্ষেত্ৰত আদিম মানৱৰ এয়াই আছিল এক মাত্ৰ মাধ্যম। তেনেহলে ভাষাৰ উৎপত্তি হ'ল কেনেদৰে ?

ভাষাৰ উৎপত্তি সম্পৰ্কে বহু বছৰ আগৰে পৰাই গৱেষণা, বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা আৰু জল্পনা-কল্পনা চলি আহিছে ; কিন্তু বৰ্তমানলৈকে এই ক্ষেত্ৰত এটা সংশোধিত প্ৰামাণিক তথ্যৰ অৱতাৰণা হোৱা নাই। বিভিন্ন ভাষাবিদ, ভাষা বৈজ্ঞানিক আৰু গবেষকৰ মতামতৰ ওপৰত ভিত্তি কৰি কুৰি শতিকাত ভাষাৰ উৎপত্তি সম্পৰ্কত গুৰুত্বানুসাৰে চাৰিটা মতবাদক স্বীকৃতি দিয়া হয়। এই মতবাদকেইটা হ'ল—১) 'বো' অ' মতবাদ (Bow-Wow theory), ২) ডিং-ডং মতবাদ (Ding-dong theory), ৩) পোহ পোহ মতবাদ (Pooh-pooh theory) আৰু ৪) জেষ্চাৰ মতবাদ ( Gesture theory )। এইখিনিতে এটা কথা উন্নুকিয়াই থব পাৰি যে এই আটাইকেইটা মতবাদেই বিভিন্ন ধৰণে আলোচিত আৰু সমালোচিত হৈছে। ক্ষেত্ৰ বিশেষে এই মতবাদ কেইটাত বিভিন্ন ত্ৰুটীও পৰিলক্ষিত হৈছে ; কিন্তু তথাপিও বৰ্তমান সময়লৈকে উদ্ভূত আটাইবোৰ মতবাদৰ তুলনাত এই চাৰিটা মতবাদৰ সম্ভাৱনীয়তা অলপ বেছি।

১) বো' অ' মতবাদ ( Bow-wow theory )—

এই মতবাদমতে আদিম মানৱৰ ভাষাৰ

প্ৰথম উৎপত্তি হৈছিল প্ৰকৃতিৰ বিভিন্ন বস্তুৰ চাৰিত্ৰিক শব্দ নতুবা তেওঁ উল্লেখ কৰিব বিচৰা বস্তুটোৰ শব্দ বা মাতক অনুকৰণ কৰিবলৈ গৈ। (This holds that the earliest speech was produced by man's attempting to imitate some characteristic sound of the creature or the object to which he was referring.)

এই মতবাদক বিশ্বাসী পণ্ডিতসকলে অনুমান কৰে যে কিছুমান ক্ষেত্ৰত কিছুমান নিৰ্দ্দিষ্ট ধৰণৰ বস্তুক বুজাবলৈ আদিম মানৱে সেই বিশেষ বস্তুটোৰ শব্দ বা ধ্বনিক আয়ত্ব কৰিছিল আৰু সেই নিৰ্দ্দিষ্ট শব্দটোকে সেই বস্তুটোৰ বিপৰীতে ব্যৱহাৰ কৰিছিল।

উদাহৰণস্বৰূপে, এজন ল'ৰাই বিভিন্ন জীৱ-জন্তুৰ মাজৰপৰা কুকুৰ এটাক নিৰ্দ্দিষ্টভাৱে বুজাবলৈ কুকুৰটোৰ ভুক্ ভুক্নিক অনুকৰণ কৰিছিল। কুকুৰে ভুকিউৱাৰ দৰে ( Bow-wow ) সেই ল'ৰাজনেও মুখেৰে একে ধৰণৰ শব্দ কৰিছিল (Bow-wow)। এনেদৰেই কুকুৰৰ বিপৰীতে 'Bow-wow' নিজৰাৰ বিপৰীতে 'Ghir-ghir' সাপৰ বিপৰীতে 'Hiss-hiss' আদি শব্দৰ প্ৰয়োগ আদিম মানৱে কৰিছিল। ক্ৰমশঃ শব্দবোৰৰ পৰিধি বাঢ়ি গ'ল আৰু বিৱৰ্তন ঘটি ঘটি এটা সময়ত ভাষাৰ সৃষ্টি হ'ল।

**২) ডিং-ডং মতবাদ** (Ding-dong theory)

এই মতবাদৰ পৃষ্ঠপোষক হ'ল জাৰ্মান পণ্ডিত আৰু ফিল'লজিষ্ট (Philologist) মেক্স মূলাৰ (Max-Muller)। মূলাৰৰ পৃষ্ঠপোষক তাৰ পিছত অন্যান্য ভাষাবিদ কিছুমানেও এই মতবাদটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

এই মতবাদে বিশ্বাস কৰে যে মানুহৰ ভাষাৰ আৰম্ভণিটোক পোৱা গৈছিল তেওঁলোকৰ ইন্দ্ৰিয়ত নিহিত হৈ থকা সহজাত ধ্বনি বা লয়ৰ মাজত যিটো প্ৰাৰম্ভণিৰে পৰা মানুহৰ ইন্দ্ৰিয়ত নিহিত হৈ আছিল আৰু যাৰ দ্বাৰা তেওঁলোক বিশ্ব-প্ৰকৃতিৰ সৈতে সংলগ্নিত হৈ আছিল। (The beginings of language are to be found in the sense of rhythm which seems to have been innate in man from a very primitive stage of his existence and by which he is related to the rest of the universe, which is essentially rhythmical.)

এই মতবাদটোৱে কব বিচাৰে যে বিশ্ব-ব্ৰহ্মাণ্ডৰ আটাইবোৰ বস্তুৱেই লয়পূৰ্ণ। নিজৰাৰ কুলু কুলু শব্দ, বতাহে গছত কোৱোৱা শব্দ নাইবা ৰয়ূণ-ঢেৰেকনি আদিৰ শব্দক আদিম মানৱে তেওঁলোকৰ ইন্দ্ৰিয়ত নিহিত থকা সহজাত ধ্বনিবোৰেৰে প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা কৰিছিল, যিয়ে বিভিন্ন পৰিস্থিতিত কিছুমান স্বকীয়া অথচ অৰ্থপূৰ্ণ ধ্বনিৰ জন্ম দিছিল আৰু কালক্ৰমত এই ধ্বনিবোৰৰ বিপৰীতে একোটা নিৰ্দ্দিষ্ট শব্দৰ জন্ম হৈ ভাষাৰ উৎপত্তিত সহায়ক হ'ল।

**৩) পোহ-পোহ মতবাদ** ( Pooh-pooh theory)

ভাষাৰ উৎপত্তি সম্পৰ্কে থকা তৃতীয়টো মতবাদ হ'ল পোহ-পোহ মতবাদ। এই মতবাদ অনুসৰি ভাষাৰ উৎপত্তি হৈছিল কিছুমান আবেগিক মুহূৰ্তত বিভিন্ন ধৰণৰ মানসিক অৱস্থা প্ৰকাশ কৰিবলৈ গৈ। "An outline History of the English Language" নামৰ গ্ৰন্থখনত Frederick T. Wood য়ে উল্লেখ কৰিছে,— "Then there is the theory which traces all forms of speech utterance back to emotional interjections evoked by pain, surprise, pleasure, wonder etc. or to anticipations of them."

আমি এতিয়াও হঠাতে কিছুমান পৰিস্থিতিৰ সন্মুখীন হলে, ভয় খালে, আচৰিত হ'লে, খঙ উঠিলে আৰু আৱেগিক বিভিন্ন কাৰণত মুখেৰে স্বতঃস্ফুৰ্ত ভাবে কিছুমান শব্দৰ উচ্চাৰণ কৰোঁ যাৰ পূৰ্ব পৰিকল্পিত আভাস আমাৰ মগজুত নাথাকে। ঠিক তেনেদৰে এনেধৰণৰ পৰিস্থিতি কিছুমানত আমাৰ পূৰ্ব্বপুৰুষসকলো পতিত হৈছিল আৰু একেই ধৰণৰ শব্দ কিছুমানৰ উচ্চাৰণ কৰিছিল। এনেদৰেই ক্ৰমে ক্ৰমে শব্দবোৰৰ ব্যাপকতা বাঢ়ি গ'ল আৰু সময়ৰ সুঁতিত বিৱৰ্তন আৰু পৰিৱৰ্তনৰ মাজেৰে এটা ভাষা পৃথিৱীৰ ইতিহাসত উপবিষ্ট হ'ল।

**৪) জেচ্চাৰ মতবাদ**

(Gesture theory)

এই মতবাদটো পোনতে উদ্ভাৱন কৰিছিল উইলহেম ওৱান্ডে (Wilhelm Wundt) আৰু পিছত চাৰ ৰিচাৰ্ড পেগেটে (Sir Richard Paget) তেওঁৰ 'Human speech' নামৰ গ্ৰন্থত এই বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে।

এই মতবাদ অনুসৰি মানুহৰ ভাষাৰ সৃষ্টি হৈছিল পৰস্পৰে পৰস্পৰৰ প্ৰতি ভাৱৰ বিনিময় কৰিবলৈ সহায় লোৱা দৈহিক অঙ্গী-ভঙ্গীবোৰৰ পৰা। (The earliest method of communication maintains Wundt, was by sign and gesture made with the hands.) ভাষিক প্ৰয়োজনীয়তা পূৰণৰ বাবে সেই সময়ত যিহেতু কোনো ধৰণৰ নিৰ্দ্দিষ্ট মাধ্যম নাছিল সেইবাবে আদিম মানৱৰ ভাৱৰ পৰিবাহক আছিল দৈহিক অঙ্গী-ভঙ্গীসমূহ। হাত, ভৰি, মূৰ আদিৰ সহায়েৰে আমাৰ পূৰ্ব্বপুৰুষসকলে বিভিন্ন বস্তুক বুজাবলৈ চেষ্টা কৰিছিল আৰু এই চেষ্টাৰ লগে লগে মুখৰ পৰা স্বতঃস্ফূৰ্তভাৱে একোটা অৰ্থবিহীন ধ্বনি বা শব্দৰ সৃষ্টি হৈছিল।

উদাহৰণ স্বৰূপে, অলপ দূৰৈত থকা কোনোবা এজন ব্যক্তিক যদি আমি হাতবাউলি দি মাতো হাতখনৰ লগে লগে মুখৰ পৰাও স্বতঃস্ফূৰ্তভাৱে এটা শব্দ ওলাই আহিব—'আহক'। ঠিক তেনেদৰেই আদিম মানৱৰ ক্ষেত্ৰতো এই একেটা ঘটনাই সংঘটিত হৈছিল আৰু সময় আৰু পৰিস্থিতিভেদে বিভিন্ন শব্দ আৰু ধ্বনিৰ উৎপত্তি হৈছিল। এই শব্দৰাজিৰ সংৰক্ষণ আৰু পৰিশীলনৰ ফল হিচাপেই এটা নতুন ভাষাৰ সৃষ্টি হ'ল।

এই মতবাদটোৰ সমৰ্থনত চাৰ পাৰ্চি নানে (Sir Percy Nunn) তেওঁৰ বিখ্যাত গ্ৰন্থ "Education, Its Data and First Principles"—অত দুটামান উদাহৰণ দাঙি ধৰিছে, —"the words I and me, in which the lips are drawn in towards the speaker in the same way that he would point to

এজন ল'ৰাই বিভিন্ন জীৱ-জন্তুৰ মাজৰ পৰা কুকুৰ এটাক নিৰ্দিষ্টভাৱে বুজাবলৈ কুকুৰটোৰ ভুক্ ভুক্নিক অনুকৰণ কৰিছিল। কুকুৰে ভুকিউৱাৰ দৰে (Bow-wow) সেই ল'ৰাজনেও মুখেৰে একেধৰণৰ শব্দ কৰিছিল (Bow-wow)। এনেদৰেই কুকুৰৰ বিপৰীতে 'Bow-wow' নিজৰাৰ বিপৰীতে 'Ghir-ghir' সাপৰ বিপৰীতে 'Hiss-hiss' আদি শব্দৰ প্ৰয়োগ আদিম মানৱে কৰিছিল।

himself with his finger, and you or thou, in which the movement is towards the person addressed. The same directional difference is observable between the words here and there , and it is perhaps not without significance that when we get animated in our speech, feeling that the spoken word is not forceful or emphatic enough, we fall back upon hand gesture to supplement the efforts of our tongue."

ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত বৰ্তমানলৈকে উদ্ভূত আটাইবোৰ মতবাদৰ ভিতৰত অধিক পৰিশীলিত আৰু বিশ্বাসযোগ্য বুলি ওপৰোক্ত মতবোধ কেইটাক স্বীকৃতি দিব পাৰি। অন্যান্য বহুবোৰ মতবাদ এই ক্ষেত্ৰত বিভিন্ন ভাষাবিদে আগবঢ়াইছে যদিও যুক্তিসন্মত চিন্তাধাৰাৰ অভাৱ হেতু এই মতবাদবোৰৰ গুৰুত্ব কম।

**ভাষাৰ ক্ৰমবিকাশ ঃ**

যদি ধৰি লোৱা হয় যে আদিমাৱস্থাত মানুহৰ সংখ্যা নিচেই কম আছিল ('বাইবেল' নাইবা অনান্য ধৰ্মমত কিছুমানৰ মতে) আৰু আটাইবোৰ মানুহ প্ৰাথমিকাৱস্থাত এখন ঠাইতে সংগঠিত হৈ আছিল, তেনেহলে এইটোও ধৰি লোৱাটো উচিত হব যে সেই মানুহবোৰৰ প্ৰাথমিক ভাষা এটাই আছিল। কাৰণ সেই অৱস্থাত ভাষাৰ বিভিন্নতা নিৰূপিত হোৱাই নাছিল। তেনেহলে পৃথিৱীত ইমানবোৰ ভাষাৰ উৎপত্তি হ'ল কেনেদৰে ?

এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি আমি উভতি যাব লাগিব খ্ৰীষ্ট জন্মৰ পৰা প্ৰায় ৩০০০/৩৫০০ বছৰ আগলৈকে। প্ৰথম অৱস্থাত আমাৰ পূৰ্ব্বপুৰুষসকল সংখ্যাত কম আছিল বাবে এখন ঠাইতে সংগঠিত হৈ আছিল। কালক্ৰমত পৰিয়ালৰ সংখ্যা বৃদ্ধি, খাদ্যবস্তুৰ নাটনি, বিভিন্ন আৱিষ্কাৰৰ অন্বেষণ আদি কাৰণবশতঃ সেই সংগঠিত গোটটোৰ মাজত বিভাজন আহিল আৰু বিভিন্ন দল উপ-দলত বিভাগ হ'ল। এই দল-উপদলসমূহৰ প্ৰথমাৱস্থাত প্ৰাথমিক ভাষা এটাই আছিল যদিও ক্ৰমবিৱৰ্তন ঘটি ঘটি বিভিন্ন নতুন আৱিষ্কাৰৰ মাধ্যমেৰে কিছুমান স্বকীয়া ৰূপ পৰিৱৰ্ধন কৰিলে, যাৰ ফলত মূল ভাষাৰ লগত প্ৰত্যেকটো দলৰে নতুন নতুন শব্দ কিছুমানৰ সংযোজন হ'ল। এনেদৰেই স্বকীয়া স্বকীয়া ভাষাৰ প্ৰৱৰ্ত্তন ঘটিল।

ভাষাবিদসকলে বিশ্বাস কৰে যে খ্ৰী. জন্মৰ প্ৰায় ৩০০০/৩৫০০ বছৰ পূৰ্বে আদিম মানৱৰ এটা দল (Nomadic tribes) বাস কৰিছিল ৱেক ছী ( The regions now occupied by Lithuania and Hungary ) নামৰ ভূ-খণ্ড এটুকুৰাত। এই অধিবাসীসকলে ব্যৱহাৰ কৰা প্ৰাথমিক ভাষাটো আছিল বৰ্ত্তমানৰ আটাইবোৰ এছিয়টিক আৰু ইউৰোপীয় ভাষাৰ এটা সংমিশ্ৰিত ৰূপ, যাক ভাষাবিদসকলে নামাকৰণ কৰিছে 'ইন্দো-ইউৰোপীয়ান' ( Indo-European ) ভাষা বুলি। কালক্ৰমত বিভিন্ন কাৰণবশতঃ এই দলটো সৰু সৰু আঠটা উপ-দলত ভাগ হ'ল। এই প্ৰত্যেকটো উপ-দলেই তেওঁলোকৰ লগত নিজৰ নিজৰ প্ৰাথমিক ভাষাটো বহন কৰি নিছিল আৰু সময় আৰু ক্ষেত্ৰ বিশেষে অইন কিছুমান নতুন নতুন শব্দ সেই প্ৰাথমিক ভাষাটোৰ লগত সংযোজন কৰি গৈছিল। এই সম্পৰ্কে G. L. Brook য়ে তেওঁৰ 'English Dialects' নামৰ কিতাপখনত উল্লেখ কৰিছে, " These tribes split up into various sections, which moved in different directions across the continent of Euro-Asia Each section would, of course, take the parent language with it, and becoming isolated from the others would develop it along its own lines, so that in the course of years several different dialects of the one original language arose. But besides this, each group would be constantly adding to the language in its own way. As a result of this two-fold process, by 2000 B. C. or a little later, it is believed, the original Indo-European had split up into eight distinct language-groups or dialects. "

এনেদৰেই মূল প্ৰাথমিক ইন্দো-ইউৰোপীয়ান ভাষাটোৰ লগত বিভিন্ন শব্দৰ সংযোজন আৰু সেই শব্দবোৰৰ বিৱৰ্তন আৰু পৰিৱৰ্তনৰ ফলত আঠটা নতুন নতুন উপভাষাৰ সৃষ্টি হ'ল। ক্ৰমশঃ এই উপভাষিক দলসমূহৰ মাজত বিভাজন আহিল আৰু একেধৰণৰ প্ৰক্ৰিয়াই তেওঁলোকৰ ক্ষেত্ৰটো সংঘটিত হ'ল। ফলত আকৌ কিছুমান নতুন উপভাষাৰ সৃষ্টি হ'ল। এই সম্পৰ্কে ছিমন পটাৰে (Simeon Potter) তেওঁৰ বিখ্যাত গ্ৰন্থ " Our Language "-অত উল্লেখ কৰিছে এনেদৰে, — "In course of time each of these also subdivided, and this process, repeated down the ages, but modified to some extent by later contacts between group and group, has given us the multiplicity of languages which exists to-day. "

Frederick T. Wood - য়ে ভাষাৰ বিৱৰ্তনৰ ক্ষেত্ৰত তেওঁৰ — " An Outline History of the English Language " নামৰ গ্ৰন্থখনত উল্লেখ কৰা সম্পূৰ্ণ তালিকাখন পাঠকৰ বোধগম্য হোৱাৰ বাবে তলত উল্লেখ কৰা হ'ল। এই তালিকাখনৰ পৰা পৈতৃক ইন্দো-ইউৰোপীয়ান ভাষাৰ পৰা বিৱৰ্তিত হৈ সৃষ্টি হোৱা বিভিন্ন ভাষা আৰু উপভাষাৰ তুলনামূলক ধাৰণা এটা আমি পাব পাৰো, যিটোক পৃথিৱীৰ বিভিন্ন ভাষাবিদেও স্বীকৃতি প্ৰদান কৰিছে।




THE INDO-EUROPEAN FAMILY OF LANGUAGES.

Sketch to show the descent of Modern English and its relation to the other members of the family.

এনেদৰেই ভাষাৰ উৎপত্তি আৰু তাৰ পিছত বিৱৰ্তনৰ যোগেদি ভাষাৰ ক্ৰমবিকাশ সংঘটিত হ'ল; কিন্তু এইখিনিতে আমি কেইটামান কথাৰ প্ৰতি লক্ষ্য কৰাটো উচিত হ'ব।

প্ৰথমতে, আদিমাৱস্থাৰ প্ৰচলিত ভাষাটো আছিল মূলতঃ কথিত। ভাষাৰ উদ্ভাৱনৰ কেইবা হাজাৰ বছৰৰ পাছতহে লিপি বা লিখিত ভাষাৰ প্ৰচলন হৈছিল। ( The first thing to realise is that language is primarily something that is spoken, not written. )

দ্বিতীয়তে, ভাষা কোনো দিন স্থায়ী নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাষাৰো বিৱৰ্তন আৰু পৰিৱৰ্তন ঘটি থাকে। " Language is ( and always has been ) evolutionary, not static. Change is constantly going on. "

তৃতীয়তে, ভাষা মানৱ সমাজৰ বাবে এনেকুৱা এটা আৱিষ্কাৰ, যিয়ে আমাক অন্যান্য জীৱ-জন্তুৰ পৰা পৃথক আৰু উন্নত বুলি প্ৰমাণ কৰে। ( Speech or language is the distinguishing characteristic of man as such and is one of the chief attributes which differentiate him from the other animal species. )

সাম্প্ৰতিক অৱস্থাত লিখিতই হওক বা কথিতই হওক ভাষাৰ প্ৰায়োগিক প্ৰয়োজনীয়তাক কোনেও নুই কৰিব নোৱাৰে। বিভিন্ন সৰু



বৰ কাৰণত ভাষাৰ প্ৰয়োজনীয়তা ইমান বেছি যে ভাষা অবিহনে মানুহ হিচাপে পৰিচয় দিয়াটো কোনোদিনেই সম্ভৱপৰ নহ'ব। ★


★ বিঃ দ্ৰঃ — সহায় লোৱা গ্ৰন্থসমূহ

1. An Outline History of the English Language—F. T. Wood.
2. A History of the English Language—A. C. Baugh.
3. English Dialects—G. L. Brook.
4. The English—Sir Richard Paget.
5. Education, Its Data and First Principles—Sir Percy Nunn.
6. Our Language—Simeon Potter.


বক্তাৰ ভাৱ শ্ৰোতাৰ ওচৰলৈ প্ৰেৰণ কৰা ভাষাৰ প্ৰধান কাম। ইয়াৰ কাৰণে কেইটাও বস্তুৰ আৱশ্যক। প্ৰথমতে দৰ্কাৰ চেতনাৰ। অচেতন বস্তুৱে একো নুবুজে আৰু একো ক'বও নোৱাৰে। বেৰ এখনে কথা নকয়, কাৰণ তাৰ চেতনা নাই। চেতনা থাকিলেও বুদ্ধি নহ'লে কাম নচলে। গৰুৰ চেতনা আছে; কিন্তু বুদ্ধি নাই। গতিকে সি ভাষাহীন। চেতনাৰ লগত বুদ্ধি থকা হেতুকে মানুহে ভাষা প্ৰয়োগ কৰে। কিন্তু মানুহেও যেতিয়ালৈকে ইচ্ছা নকৰে তেতিয়ালৈকে কথা নক'ব পাৰে। কথা কোৱাৰ ইচ্ছা মনৰ কাম। কথা ক'বলৈ ইচ্ছা কৰিলেও ভিতৰৰ শ্বাস-বায়ুক বাহিৰলৈ ওলাবলৈ নিদিলে ধ্বনি উৎপন্ন নহয়। ধ্বনি উৎপন্ন নহলে ধ্বনি আৰু ধ্বনি-সংযোগৰ ফলত মনোভাৱ ব্যক্ত নহয়। সেই কাৰণে ভাষা সৃষ্টি হ'বলৈ আত্মা, বুদ্ধি, মন আৰু বায়ুৰ নিতান্ত আৱশ্যক। যাৰ এইকেইটাৰ ভিতৰত এটা বা অধিক উপাদানৰ অভাৱ, সি ভাষাৰ পৰা বঞ্চিত। এই চাৰিওটা উপাদানেৰে সমৃদ্ধ একমাত্ৰ জীৱ হৈছে মানুহ।

ড° উপেন্দ্ৰ নাথ গোস্বামী

# শিক্ষা আৰু শিক্ষক

**শ্ৰীহৰি শৰ্মা**
মূৰব্বী অধ্যাপক, শিক্ষা বিভাগ

ভাৰতীয় শিক্ষাৰ এটা ঐতিহ্য আৰু পৰম্পৰা আছে। পৃথিৱীৰ বোধকৰো কোনো দেশতে ভাৰতৰ দৰে শিক্ষাৰ প্ৰতি অনুৰাগ আৰু ভালপোৱা ইমান পুৰণি কালৰ পৰা নাছিল। বেদৰ পবিত্ৰ শ্লোকৰ পৰা প্ৰাচীন ভাৰতীয় শিক্ষা আৰম্ভ হয়। সেই সময়ত জ্ঞান মানুহৰ তৃতীয় চকু হিচাপে বিবেচনা কৰা হৈছিল।

প্ৰাচীন ভাৰতীয় সমাজত শিক্ষকৰ স্থান আছিল সুকীয়া। সমাজৰ সকলো শ্ৰেণীৰ লোকে শিক্ষকক গভীৰ শ্ৰদ্ধা আৰু সন্মান কৰিছিল। শিক্ষক আছিল মহৎ গুণৰ আৰু গভীৰ পাণ্ডিত্যৰ অধিকাৰী। সকলো সাংসাৰিক-বৈষয়িক বিষয়ৰ প্ৰতি শিক্ষক আসক্ত নাছিল। প্ৰকৃতিৰ সান্নিধ্যত থকা নিৰিবিলি আশ্ৰমত শিক্ষকসকল শিক্ষাৰ্থীৰ সৈতে থাকিছিল আৰু যুৱকসকলক শিক্ষা প্ৰদান কৰা কাৰ্য্য অতি মহান আৰু পৱিত্ৰ কৰ্ত্তব্য হিচাপে গণ্য কৰিছিল।

প্ৰাচীন কালত শিক্ষা বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰা হৈছিল। আত্মা আৰু শক্তিৰ উৎকৰ্ষ সাধন কৰাটো শিক্ষাৰ মূল কথা আছিল। ই আছিল ভৱিষ্যত জীৱনৰ প্ৰস্তুতি আৰু সুন্দৰতা লাভৰ একমাত্ৰ উপায়। শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সকলো সময়তে একে নহলেও শিক্ষা আৰু শিক্ষকে সৰ্ব্বাংগীন শক্তি বিকাশৰ ক্ষেত্ৰত যে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে এই কথাটো সকলো সময়তে উপলব্ধি কৰা হৈছে। শিক্ষক হৈছে জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰধান বাহক। এটা জাতিৰ উন্নয়নত শিক্ষকৰ ভূমিকা কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে।

> প্ৰাচীন ভাৰতীয় সমাজত শিক্ষকৰ স্থান আছিল সুকীয়া। সমাজৰ সকলো শ্ৰেণীৰ লোকে শিক্ষকক গভীৰ শ্ৰদ্ধা আৰু সন্মান কৰিছিল। শিক্ষক আছিল মহৎ গুণৰ আৰু গভীৰ পাণ্ডিত্যৰ অধিকাৰী। সকলো সাংসাৰিক বৈষয়িক বিষয়ৰ প্ৰতি শিক্ষক আসক্ত নাছিল। প্ৰকৃতিৰ সান্নিধ্যত থকা নিৰিবিলি আশ্ৰমত শিক্ষকসকল শিক্ষাৰ্থীৰ সৈতে থাকিছিল আৰু যুৱকসকলক শিক্ষা প্ৰদান কৰা কাৰ্য্য অতি মহান আৰু পৱিত্ৰ কৰ্ত্তব্য হিচাপে গণ্য কৰিছিল।

শিশুসকল দেশৰ ডাঙৰ সম্পদ। প্ৰকৃত বিকাশৰ সময়ত যদি শিশুসকল ভাল শিক্ষকৰ সান্নিধ্যলৈ আহে, তেতিয়া হলে তেওঁলোক মহান ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে। শিক্ষাৰ দ্বাৰা জাতীয় মূল্যবোধৰ মানদণ্ড নিৰূপন কৰা হয়। গতিকে শিক্ষক এটা জাতিৰ মূল্যবোধৰ ৰক্ষকে নহয়, তেওঁ নিত্য নতুনৰ সৃষ্টিকৰ্তাও। শিক্ষকৰ দৰে মহান দায়িত্ব বোধকৰো অন্য কোনো কামতে নাই। গতিকে শিক্ষকসকলে নিজৰ কাম কিমান আন্তৰিকতা আৰু নিষ্ঠা সহকাৰে সমাপন কৰে তাক নিজে জুখি চাব লাগে।

বৰ্তমান সময়ত অনেক ক্ষেত্ৰত যোগ্যতাহীন শিক্ষক নিয়োগ কৰাৰ ফলত শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱা দেখা যায়। শিক্ষাৰ সমস্যা ৰাজনীতিৰ দ্বাৰা সমাধান কৰিব পৰা নাযায়। গতিকে গোটেই শিক্ষা ব্যৱস্থাটো ৰাজনীতিৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিব লাগে।

প্ৰকৃত শিক্ষক হ'ব লাগিব 'কৰ্মবীৰ'। ভগৱান শ্ৰীকৃষ্ণৰ মতে শিক্ষকে নিজৰ কৰ্ম নিষ্ঠাৰে কৰিব লাগিব আৰু তেওঁ কামৰ বাবে কোনো লাভ বা পুৰস্কাৰ আশা কৰিব নোৱাৰিব। সমাজ গঢ়াৰ দায়িত্বও শিক্ষকৰ আৰু সমাজেও শিক্ষকক সদায় উচ্চ আসন আৰু উচ্চ পদ মৰ্য্যাদা প্ৰদান কৰিব লাগিব। অৱশ্যে যোগ্যতাহীন শিক্ষক এজনে সমাজৰ স্বীকৃতি আশা কৰাটো নিৰৰ্থক। আমাৰ দেশত বিকাশৰ কাৰণে মূল বুনিয়াদ হ'ল শিক্ষা। বৰ্ত্তমান সমাজৰ প্ৰয়োজন পূৰাব পৰাকৈ শিক্ষা ব্যৱস্থা আৰু শিক্ষা আঁচনি প্ৰস্তুত কৰাৰ কাৰণে বৰ্ত্তমান শিক্ষাবিদসকলে প্ৰচেষ্টা চলাইছে।

পৰিমাণগত প্ৰসাৰ আৰু গুণগত প্ৰগতিৰ কাৰণে দেশত নতুন শিক্ষা-নীতি প্ৰস্তুত কৰা হৈছে। পঞ্চ বাৰ্ষিক পৰিকল্পনাবোৰতো এই আঁচনিবোৰৰ সফল ৰূপায়ণৰ ওপৰত প্ৰাধান্য দিয়া হৈছে।

> সমাজ গঢ়াৰ দায়িত্বও শিক্ষকৰ আৰু সমাজেও শিক্ষকক সদায় উচ্চ আসন আৰু উচ্চ পদ মৰ্য্যাদা প্ৰদান কৰিব লাগিব। অৱশ্যে যোগ্যতাহীন শিক্ষক এজনে সমাজৰ স্বীকৃতি আশা কৰাটো নিৰৰ্থক।

সময়ৰ পৰিৱৰ্ত্তনৰ লগত শিক্ষাৰ পৰিৱৰ্ত্তন অপৰিহাৰ্য্য। সঘনে পৰিৱৰ্ত্তন আৰু পৰিবৰ্দ্ধন হোৱা সমাজ এখনত কোনোৱে আত্ম-সন্তুষ্টি লাভ কৰিব নোৱাৰে। যদিও আমি আমাৰ লক্ষ্যত উপনীত হবলৈ বহুত বাকী তথাপি আমি লক্ষ্যত উপনীত হ'বলৈ সদায় ধাবিত হ'ব লাগিব।

এইখিনিতে উল্লেখ কৰিব পাৰি যে কিছুমান শিক্ষকে শিক্ষাৰ লক্ষ্য ঠেক কৰিব বিচাৰে। একমাত্ৰ পৰীক্ষা পাছ কৰাটোৱে শিক্ষাৰ লক্ষ্য হ'ব নোৱাৰে। শিক্ষাৰ্থীৰ ব্যক্তিত্ব বিকাশ শিক্ষাৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। এইবোৰ ক্ষেত্ৰত ছাত্ৰ, শিক্ষক, প্ৰধান শিক্ষক, শিক্ষা-বিষয়া, শিক্ষা সঞ্চালকালয় আদি সকলোৰে সমান দায়িত্ব। শিক্ষাৰ জৰিয়তে গঢ়ি উঠিব লাগিব আত্ম-প্ৰকাশ আৰু সৃষ্টিকামী মনোভাৱ। বৰ্ত্তমান শিক্ষাত নতুন নতুন বিষয় অন্তৰ্ভুক্তিৰ প্ৰয়োজন হৈ পৰিছে। আজি-কালি আমাৰ দেশৰ বহুত শিক্ষকে কামৰ বোজা গধূৰ হোৱা আৰু প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱ হোৱা বুলি অভিযোগ কৰে। কৰ্ত্তব্যৰ পৰা বিৰত থাকিলে অথবা বৰ্ত্তমান পৰিস্থিতিৰ পৰা আঁতৰি থাকিলে সকলো সমস্যাৰ সমাধান কৰিব নোৱাৰি। ত্যাগৰ মনোভাৱ থাকিলেহে সমস্যাৰ সমাধান সম্ভৱ হ'ব পাৰে। প্ৰত্যেকজন শিক্ষকৰ গভীৰ কৰ্ম্মপ্ৰেৰণা আৰু কঠোৰ শ্ৰমৰ মনোভাৱ থাকিলেহে সমস্যা আঁতৰ কৰিব পৰা যাব। ত্যাগ আৰু কঠোৰ শ্ৰমৰ দ্বাৰাহে এটা জাতি মহীয়ান হ'ব পাৰে।

সুশিক্ষা দ্বিপাক্ষিক- শিক্ষক আৰু শিক্ষাৰ্থী দুয়োটা উপযুক্ত নহ'লে প্ৰকৃত শিক্ষা সম্ভৱ নহয়। আজি আমাৰ বিদ্যালয়-বিলাকত শিক্ষা হৈছে এক পক্ষীয়। কৃতী-শিক্ষক ছাত্ৰৰ অনুপ্ৰেৰণাৰ মূল উৎস। ছাত্ৰৰ সহযোগিতা আৰু একগ্ৰতা হৈছে সুশিক্ষাৰ মূল উপাদান।

আজি-কালি ছাত্ৰ-ছাত্ৰীৰ মাজত সাধাৰণ জ্ঞানৰ অভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণে শিক্ষকে প্ৰধানকৈ দায়ী। কিমানজন শিক্ষকে নিয়মিতভাৱে দৈনিক বাতৰি কাকত পঢ়ে? বাতৰি কাকত পঢ়া, ৰেডিঅ' শুনা, টি. ভি,

আদিৰ কাৰ্য্য-স্মূচী চোৱা শিক্ষকৰ সংখ্যা নিচেই তাকৰ। আনকি কিতাপ নাইবা আলোচনী আদি পঢ়া শিক্ষকৰো অভাৱ লক্ষণীয়। মুঠতে আমাৰ সমাজত আত্মবৃদ্ধি ( Self-Growth ) লভা শিক্ষকৰ অভাৱ।

শিক্ষকে সদায় সমাজৰ পৰা পোৱা আৰু নোপোৱা সম্পৰ্কে সচেতন হ'ব লাগে। অনগ্ৰসৰ আৰু অসাধাৰণ বুদ্ধি সম্পন্ন দুয়ো ধৰণৰ শিক্ষাৰ্থীৰ কাৰণে বিশেষ মনোযোগ আৰু যত্ন অপৰিহাৰ্য্য। শিক্ষাৰ বিভিন্ন দৰ্শন আৰু কৌশল অধ্যয়নৰ কাৰণে উপযুক্ত জ্ঞান সম্পন্ন শিক্ষকৰ প্ৰয়োজন। চাকৰিৰ নিৰপত্তা, পদোন্নতি, উচ্চ বেতন আদিৰ ব্যৱস্থা থাকিলে বুদ্ধি-সম্পন্ন লোক নিশ্চয় শিক্ষকতা কৰিবলৈ আগবাঢ়ি আহিব। শিক্ষাৰ প্ৰগতি হ'লেহে দেশৰ প্ৰগতি হ'ব।



"প্ৰকৃত শিক্ষিত কাক কয় ? নিজৰ অস্তিত্বৰক্ষাৰ বাবে যিমানখিনি চিন্তা কৰাৰ প্ৰয়োজন, যিজনে স্বেচ্ছাই তাতোকৈ বেছি চিন্তা কৰে, তেওঁকেই প্ৰকৃত শিক্ষিত মানুহ বুলি ক'ব পাৰি। এই মাপকাঠিৰে জুখিবলৈ গ'লে প্ৰকৃতশিক্ষিত মানুহৰ সংখ্যা নগণ্য।"

—এমাৰ্চন

* * * * * * * * * *

এহেজাৰজন পুৰোহিততকৈ এজন ভাল স্কুল শিক্ষকৰ মূল্য বেছি।"

—ৰবাৰ্ট ইঙ্গাৰছল



# দেশৰ ৰাজনীতি আৰু অসমৰ দিশহাৰা জনগণ

শ্ৰীখনিন কলিতা
স্নাতক, তৃতীয় বৰ্ষ, (কলা)

ৰাজনীতিবিদ সকলক লৈ পৃথিৱীত প্ৰাচীন কালৰ পৰাই বিভিন্ন ধৰণৰ চিন্তা-চৰ্চাৰ বাতাবৰণ গঢ়ি উঠিছিল। আধুনিক সভ্যতা-সংস্কৃতিৰ পথ প্ৰদৰ্শক হ'ল গ্ৰীচ দেশ। সেই দেশৰ মহত্ত্বম অৱদান ৰাশিৰ কথা, তেওঁলোকৰ আত্মোৎসৰ্গৰ কথা সদায়ে স্মৰণীয় হৈ ৰ'ব। শাসকসকলৰ অবিবেচকী কৰ্ম কাণ্ডৰ ৰেহ ৰূপত অতীষ্ঠ হৈ প্লেটোৱে (খ্ৰী: পূ: ৪২৭-৩৪৭) সেয়েহে এদিন কৈছিল, "যেতিয়ালৈকে দাৰ্শনিকসকল ৰজা নহয়, নাইবা এই পৃথিৱীৰ ৰজা আৰু ৰাজকুমাৰসকলৰ দৰ্শনৰ বাবে উদ্যম আৰু ক্ষমতা নাথাকে, তেতিয়ালৈকে নগৰবিলাকে (ৰাষ্ট্ৰবিলাকে) সিহঁতৰ অনিষ্টৰ পৰা বিৰত নহ'ব।" ("Until philosophers are kings, or the kings and princes of this world have the spirit and power of philosophy, cities will never have rest from their evil.")

কথাষাৰ আজিও বোধহয় খাটিব আমাৰ দেশ আৰু ৰাজনীতিকসকলৰ ক্ষেত্ৰত। আমাৰ দেশৰ আৰ্থ-সামাজিক সমস্যাৰাজিৰ ওপৰত ব্যাপক অধ্যয়ন আৰু সূক্ষ্ম বিশ্লেষণ নহ'লে বিভিন্ন ক্ষেত্ৰত মন্তব্য দিয়া কঠিন কাম। ৰাজনীতিবিদসকলৰ দেশৰ মানৱ সম্পদকে ধৰি প্ৰাকৃতিক সম্পদৰ ওপৰত পুঙ্খানুপুঙ্খ জ্ঞান নাথাকিলেও সম্যক জ্ঞান থকা খুৱেই প্ৰয়োজন। ভাৰতবৰ্ষৰ ৰাজনীতিত কেবাগৰাকীও বিদগ্ধ পণ্ডিত আৰু দাৰ্শনিকে শাসনৰ বাঘ-জৰী লবলৈ সক্ষম হৈছে। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰু তাৰ ভিতৰত অন্যতম। প্ৰাক্তন ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণণো আছিল এগৰাকী দাৰ্শনিক পণ্ডিত। দৰ্শন শাস্ত্ৰৰ ওপৰত থকা তেখেতৰ অগাধ পাণ্ডিত্যক কোনেইবা অস্বীকাৰ কৰিব পাৰে ? স্বাধীনতাৰ পৰৱৰ্তী আঢ়েটা দশক পৰ্য্যন্ত আমাৰ দেশৰ জনসাধাৰণে শাসক হিচাপে পণ্ডিত ব্যক্তিসকলকে লাভ কৰিছিল। ইয়াৰ পৰৱৰ্তী কালত আমাৰ দেশৰ মূল্যবোধ উচ্চস্তৰৰ কৰিব নোৱাৰিলেও আগৰ স্থানত ৰাখিব পৰা হলেও পৰম সন্তোষৰ কথা হ'লহেঁতেন ; কিন্তু নোৱাৰিলে।

পৰৱৰ্তী কালত শাসক গোষ্ঠীৰ দুৰ্নীতি আৰু ক্ষমতাৰ হেতাওপৰাই দেশখনক এক অস্থিৰ অৱস্থালৈ লৈ আহিছে।

আজি আমাৰ দেশৰ মন্ত্ৰীয়ে আৰ্থ-সামাজিক সমস্যা ৰাজিৰ কথা কিমান গভীৰভাৱে অনুধাৱন কৰে, সেয়া এক চিন্তাৰ বিষয়। সঘনাই হৈ থকা কেবিনেট মিটিঙবোৰত ৰাইজৰ প্ৰগতিৰ কথা আলোচনা কৰাৰ অৱকাশ ৰাখেনে? বিধান-সভা বা লোক-সভাৰ অধিৱেশনবোৰত কোনো এটা বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা ব্যক্তিগৰাকীয়ে সেই বিভাগটোৰ সতীৰ্থ বিশেষজ্ঞৰ সহায়ত আঁচনি এখন প্ৰস্তুত কৰি কাৰ্যত ৰূপায়িত কৰাৰ কথা সততাৰে চিন্তা কৰেনে? এইবোৰ কথা চিন্তা কৰিবই বা কিয়? সময়েই বা ক'ত? ব্যৱসায়ী, ঠিকাদাৰ আদিক বিশেষকৈ সময় দিবলৈ সময় যে নোলাব। কলা বেপাৰী, দালাল আদি ধুৰন্ধৰ মানুহৰ লগত ৰাইজৰ প্ৰতিনিধিসকলে মাজনিশা নিজৰ আবাস গৃহত সংগোপনে আলোচনাত মিলিত হয়, ইয়াতেই সাধাৰণ ৰাইজৰ কৰ-কাটলৰ যোগেদি ৰাজকোষত জমা হোৱা ধনৰ ভাগ বটোৱাৰ চলে। হায়! পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষ!

ভাৰতযুক্তৰাষ্ট্ৰৰ উত্তৰ পূৰ দিশত অৱস্থিত এখন অংশীদাৰ ৰাজ্য অসমৰ ক্ষেত্ৰটো একেই ছবি দেখা যায়। পৰাধীন ভাৰতবৰ্ষৰ শেষগৰাকী ইংৰাজ গৱৰ্ণৰ লৰ্ড মাউণ্টবেটেনে অসমৰ মাটিত ভৰি দিয়েই উমান লৈছিল ইয়াৰ বিশাল সম্পদ ৰাজিৰ কথা। অসমৰ সোণসেৰীয়া মাটিৰ কথা। তেওঁ কৈছিল, অসমত যিমানখিনি সম্পদ আছে তাৰ সদব্যৱহাৰ হ'লে অসমখন দেশৰ ভিতৰতে শীৰ্ষ স্থানত থাকিবগৈ; কিন্তু আমাৰ বাবে দুৰ্ভাগ্যৰ বিষয় এই যে স্বাধীনোত্তৰ কালত অসমৰ জনসাধাৰণে যি-সকল ব্যক্তিক প্ৰতিনিধি হিচাপে নিৰ্বাচন কৰিছিল তেওঁলোকে কোনেও এই কথাষাৰৰ ওপৰত গুৰুত্ব দিয়া নাছিল। ক্ষমতা-লিপ্সু ৰাজনীতিক নেতাসকলে মূল বস্তু হিচাপে গ্ৰহণ কৰা কাৰ্য্য-কলাপ আমি বছৰৰ পিছত বছৰ দেখি আহিছোঁ। এজনক গাদী চ্যুত কৰি আন এজন মুখ্যমন্ত্ৰী হোৱাৰ বাসনাই যেতিয়া এখন ৰাজ্যত মূল বিষয় হৈ পৰে, তেতিয়া স্বাভাৱিকতে সেই ঠাইৰ সাধাৰণ জনতাৰ সমস্যা 'ডাষ্টবিন'ত পৰাটো স্বাভাৱিক।

> "যেতিয়ালৈকে দাৰ্শনিকসকল ৰজা নহয়, নাইবা এই পৃথিৱীৰ ৰজা আৰু ৰাজকুমাৰসকলৰ দৰ্শনৰ বাবে উদ্যম আৰু ক্ষমতা নাথাকে, তেতিয়ালৈকে নগৰবিলাকে (ৰাষ্ট্ৰবিলাকে) সিহঁতৰ অনিষ্টৰ পৰা বিৰত নহ'ব।"

বৰ্ত্তমান অসমত চলিছে এক চৰম অৰাজকতা। অনুপ্ৰৱেশকাৰীৰ সমস্যা, বড়ো সমস্যা, আলফা সমস্যা আদিয়ে অসমৰ জনসাধাৰণক জুৰুলা কৰিব ধৰিছে। প্ৰতিদিনেই প্ৰকাশ পাইছে হত্যা-বিভীষিকাৰ কাহিনী। শান্তি-শৃংখলা ৰক্ষাৰ নামত নামি আহিছে নিৰীহ জনগণৰ ওপৰত পুলিচী সন্ত্ৰাস। দুৰ্বল ৰাজভঁড়ালৰ বৃজন অংশ ব্যয় হৈছে আইন-শৃংখলা ৰক্ষাত, পিছ পৰি গৈছে এইখন সমাজৰ অৰ্থনীতি। অসমৰ সংবাদ পত্ৰবো এতিয়া কোনো ধৰণৰ ইতিবাচক কাৰ্যা-সূচী নাই। শাসক চক্ৰৰ দুৰ্নীতি আৰু কু-শাসনত অতীষ্ঠ হৈ জনসাধাৰণে "ত্ৰাহি মধুসূদন" বুলি চিঞঁৰিবলৈ আৰম্ভ কৰিছে। যোৱা কেইবছৰমানত অসমৰ অৰ্থনীতি, সমাজ, সভ্যতা, মনুষ্যত্বৰ মূল আধাৰ আৰু মানৱীয় প্ৰমূল্য আদি প্ৰতিটো বস্তুকে,



যিটো বস্তুৰে তিলে তিলে ক্ষয় প্ৰাপ্ত কৰি আনিছে, সেয়া হ'ল দুৰ্নীতি আৰু কল্পনাতীত বিভাজন নীতি। দুৰ্নীতি মানে এতিয়া এক শ্ৰেণীৰ মানুহে লোভৰ বশৱৰ্তী হৈ অসৎভাৱে ধন-সম্পত্তি আহৰণ কৰাই নহয়। **দুৰ্নীতি মানে এতিয়া শাসক কুলৰ ৰাজকোষৰ অবাধ লুণ্ঠন। দুৰ্নীতি মানে এতিয়া নীলাম বজাৰত প্ৰকাশ্যে চাকৰিৰ বিক্ৰী। দুৰ্নীতি মানে এতিয়া অসমৰ প্ৰাকৃতিক সম্পদৰ দিন-ডকাইতি। দুৰ্নীতি মানে এতিয়া শিক্ষা ব্যৱস্থাৰ ধ্বংস সাধন কৰি মন্ত্ৰী-বিষয়াৰ নীচ স্বাৰ্থৰ বেদীত অসমৰ বংশধৰসকলৰ ভৱিষ্যত বলি দিয়াৰ চক্ৰান্ত।** দুৰ্নীতি মানে এতিয়া সমগ্ৰ শিক্ষা ব্যৱস্থাটোক বাধাগ্ৰস্ত কৰি আমাৰ সমাজ আৰু সভ্যতাৰ নৈতিক বুনিয়াদটোক ধ্বংস কৰি পেলোৱাৰ নীচ ষড়যন্ত্ৰ। এই আটাইবোৰতকৈ মাৰাত্মক কথাটো হ'ল দুৰ্নীতিপৰায়ণ শাসক চক্ৰক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে জাকে জাকে পোহনীয়া আৰু ভেৰনীয়া 'মো-চাহাব'ৰ সৃষ্টি কৰি সমাজৰ সমগ্ৰ নৈতিক বাতাবৰণটোক কলুষিত কৰিবলৈ পৰিকল্পিত আৰু প্ৰণালীবদ্ধ অপচেষ্টা। এই সকলোবোৰৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যেই ৰাইজে এতিয়া পৰিৱৰ্ত্তন বিচাৰিছে; কিন্তু সেই পৰিৱৰ্ত্তন কেৱল শাসকদলৰ পৰিৱৰ্ত্তন নহয়। আমাৰ সমাজৰ কিছুমান মানুহে প্ৰায় উচ্চস্বৰে ঘোষণা কৰা শুনোঁ,— "মই ৰাজনীতি ভাল নাপাওঁ। ৰাজনীতিৰ পথাৰলৈ ভাল মানুহ নাহে। আহে স্বাৰ্থপৰ, লুভীয়া, দুৰ্নীতিপৰায়ণ এচাম মানুহ।" কথাষাৰ খুবেই বিতৰ্কিত। এই মন্তব্যত আমাৰ সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মানসিক প্ৰতিফলনৰ লগতে প্ৰতিক্ৰিয়াও প্ৰকাশ পাইছে। ৰাজনীতিক ঘৃণা কৰিবলৈ লোৱাৰ প্ৰৱণতা আমাৰ মানুহৰ মনত মূলতঃ ৰাজনীতিকসকলেই বিয়পালে। এতিয়া এনে মনোভাৱ দূৰ কৰাৰ দায়িত্বও তেওঁলোকেই ল'ব লাগিব। দীৰ্ঘ দিনৰ তিক্ত অভিজ্ঞতাৰ পৰা ৰাইজে এই কথা উপলব্ধি কৰিছে। ৰাজনীতিৰ লগত জড়িত মানুহবোৰৰ যদি স্বভাৱ আৰু চৰিত্ৰৰ সলনি নহয়, তেন্তে দলৰ 'লেবেল'টো সলনি হ'লেই ৰাইজে তাৰ পৰা বাঞ্ছিত সুফল লাভ কৰিবলৈ আশা কৰিব নোৱাৰে। সেইকাৰণে হতাশাৰ চৰম প্ৰান্তত উপনীত হোৱা মানুহে আজি কেৱল শাসকদলৰ পৰিৱৰ্ত্তন বিচৰা নাই; তেওঁলোকে বিচাৰিছে ৰাজনৈতিক ক্ষমতা বিচৰা প্ৰত্যেকজন ব্যক্তিৰ চৰিত্ৰ আৰু আদৰ্শৰ পৰিৱৰ্ত্তন। সেই কাৰণে সকলোৱে আজি তীব্ৰভাৱে অনুভৱ কৰিছে যে ক্ষমতালৈ কেৱল নতুন দল আহিলেই নহ'ব। আহিব লাগিব নতুন ধৰণৰ মানুহ।

কিন্তু নতুন ধৰণৰ মানুহ স্বৰ্গ-চ্যুত হৈ নপৰে। সমাজে নিজৰ মাজৰ পৰাই তেনে ধৰণৰ মানুহ বিচাৰি উলিয়াব লাগিব। আমি যদি সমাজৰ আটাইতকৈ অসৎ, স্বাৰ্থপৰ, লোভী মানুহবোৰৰ হাতত ৰাজনৈতিক ক্ষমতা তুলি দি পিছত তেওঁলোকৰ পৰা সু-শাসন আৰু ন্যায়-নিষ্ঠা আশা কৰোঁ আৰু তাকো নাপালে নিজৰ কঁপাল চপৰিয়াই বিলাপ কৰোঁ, তেন্তে আমাক বাতুল, জধামূৰ্খ নুবুলি আন কি বুলিব পাৰি? আজি আমাৰ দুৰ্দশাৰ প্ৰধান কাৰণ এইটোৱেই। ৰাজনীতিয়ে আমাৰ সামাজিক জীৱন পদে পদে নিয়ন্ত্ৰণ কৰে বুলি জানিও বাৰে বাৰে ৰাজনৈতিক ক্ষমতা তুলি দিবলৈ বাধ্য হওঁ সমাজৰ আটাইতকৈ অযোগ্য আৰু আদৰ্শহীন মানুহবোৰৰ হাতত। অসমৰ কুটিল ৰাজনৈতিক

চাকনৈয়াত দিশহাৰা অসমৰ জনগণে আজি এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে অসৎ উপায়েৰে ঘটা ধন-দৌলতৰ সহায়েৰে সাধাৰণ মানুহৰ চকুত চমক লগাবলৈ চেষ্টা কৰাৰ বিপৰীতে নিজৰ সততা, সৰলতা আৰু আদৰ্শ নিষ্ঠাৰ দ্বাৰা মানুহৰ শ্ৰদ্ধা অৰ্জন কৰিবলৈ চেষ্টা কৰিব। মানুহে এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে ৰাজনৈতিক ক্ষমতাক নিজৰ আৰু পৰিয়ালৰ সংকীৰ্ণ স্বাৰ্থ সিদ্ধিৰ কামত ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে ৰাইজৰ সেৱাৰ কামত ব্যৱহাৰ কৰিব। মানুহে এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে চোৰাংচোৱা বাহিনী আৰু তদন্ত আয়োগৰ দ্বাৰা দুৰ্নীতি দমন কৰিবলৈ চেষ্টা নকৰি নিজৰ ব্যক্তিগত আৰ্হিৰ দ্বাৰা আনক দুৰ্নীতিৰ পৰা দূৰত থাকিবলৈ প্ৰেৰণা দিব। মানুহে এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে চৰিত্ৰ শক্তিৰ দ্বাৰা প্ৰকৃত গুণী, জ্ঞানী মানুহবোৰক নিজৰ ওচৰলৈ আকৰ্ষণ কৰি নৰকৰ কীট সদৃশ ঘৃণনীয় 'মোচাহাব'বোৰক চাৰি ঢাপৰ বাজ কৰি ৰাখিব পাৰিব। মানুহে এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে কুখ্যাত 'গোৱেবলছীয়' প্ৰচাৰ কৌশলেৰে নিজৰ নাম জাহিৰ কৰিবলৈ চেষ্টা নকৰি প্ৰকৃত কামৰ দ্বাৰা যশস্যা অৰ্জন কৰিবলৈ চেষ্টা কৰিব। মানুহে এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে সকলো সময়তে ৰাজনৈতিক ষড়যন্ত্ৰত লিপ্ত নাথাকি বাহিৰৰ বিশালজগতখনত কি ঘটিছে তাৰ খবৰ ৰাখিব আৰু দ্ৰুত পৰিৱৰ্তনশীল আধুনিক পৃথিৱীৰ উন্নতিৰ প্ৰতিযোগিতাত অসমক অংশীদাৰ কৰাবলৈ চেষ্টা কৰিব।

এই সকলোবোৰক একে আষাৰতে ক'বলৈ হ'লে অসমৰ জনগণে আজি এনেকুৱা ধৰণৰ নেতা বিচাৰিছে, যিসকলে আমাৰ জীৱনৰ পৰা দ্ৰুত গতিৰে হেৰাই যাব ধৰা পুৰণি মূল্যবোধবোৰ ঘূৰাই আনিব আৰু নিজৰ সৰল অনাড়ম্বৰ জীৱন যাত্ৰাৰে আনৰ চকুত চমক লগাই দিব।

—★—

"স্বাধীনতা অবিহনে কটিখন অৱশেষত বিহত পৰিণত হয়; কিন্তু কটি অবিহনে স্বাধীনতা পৰিহাস মাথোন। যাৰ খাবলৈ কটি নাই তেওঁ কটি স্বাধীনতা বিচাৰে; অইন একোকে নিবিচাৰে। স্বাধীনতা প্ৰাতঃ ভোজনৰ লগে লগে আৰম্ভ হয়।" — বাৰ্জেছ

"পাৰ্লিয়ামেণ্টৰ এগৰাকী সদস্য তেওঁৰ নিৰ্বাচক সকলৰ প্ৰতিনিধিহে, ভাৰপ্ৰাপ্ত প্ৰতিভূ নহয়।" —এডমাণ্ড বাৰ্ক [E. Burke]



# ভট্টদেৱৰ সাহিত্য-প্ৰতিভা

শ্ৰীদক্ষেশ্বৰ ডেকা
মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ।

দেৱ দামোদৰ গুৰুৰ প্ৰাণসম শিষ্য 'ব্যাস সমসৰ, পণ্ডিত বৈকুণ্ঠ নাথ কবিৰত্ন ভাগৱত ভট্টাচাৰ্যদেৱৰ সৰ্বজনবিদিত নাম ভট্টদেৱ। অকল অসমীয়া ভাষাৰে নহয় নব্য ভাৰতীয় ভাষাৰ প্ৰথম গদ্য স্ৰষ্টা পুণ্যশ্লোক ভট্টদেৱ। শ্ৰীমন্ত শংকৰদেৱে অংকীয়া নাটত সূত্ৰধাৰ আৰু পাত্ৰ সমূহৰ মুখত ব্ৰজাবলী ভাষা ব্যৱহাৰ কৰিলেও ই অসমীয়া গদ্যৰ নিদৰ্শন নহয়। পূৰ্ণাঙ্গ সাহিত্য ৰচনাত ভট্টদেৱেই পোনপ্ৰথমে বিশুদ্ধ অসমীয়া গদ্য ব্যৱহাৰ কৰি নিজে ধন্য হোৱাৰ লগতে অসমীয়া ভাষা আৰু অসমী আইকো ধন্য কৰে।

আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়, আশুতোষ মুখাৰ্জী, ৰবীন্দ্ৰনাথ ঠাকুৰ আদি মনীষীসকলে ভট্টদেৱৰ গদ্য আৰু সাহিত্য কৃতিক ভূয়সী প্ৰশংসা কৰি গৈছে। আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে ভট্টদেৱৰ গদ্যৰ নিদৰ্শন দেখি কৈছিল যে অসমীয়া গদ্য সাহিত্যাই সুদূৰ ষোড়শ শতিকাতে এনে এটা স্তৰত বিকশিত হৈছিল, ইংল্যাণ্ডৰ হুকাৰ (Hooker) আৰু ল্যাটিমাৰ ( Latimer ) গ্ৰন্থৰ বাহিৰে পৃথিৱীৰ কোনো গদ্য সাহিত্যই তেনে স্তৰ পোৱা নাছিল। ("Assamese prose literature developed to a stage in the far distant sixteen century which no other literature of the world reached except the writings of Hooker and Latimer in England.") আনহাতে উনবিংশ শতিকাতহে ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আৰু বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়ৰ হাততহে বঙ্গীয় গদ্যই গঢ় লয়।

পিতৃৰ পৰামৰ্শমতে ভট্টদেৱে দামোদৰ গুৰুত শৰণ লয় আৰু আজীৱন গুৰু প্ৰৱৰ্তিত ভক্তি ধৰ্ম প্ৰচাৰতে ব্ৰতী হয়। সংস্কৃত ভাষা-সাহিত্যৰ অগাধ পণ্ডিত ভট্টদেৱে শিক্ষা গুৰুৰ গৃহৰ পৰা ওলাই আহিয়ে বৰনগৰৰ বিদ্বান সমাজত ভাগৱত ব্যাখ্যা কৰি 'কবিৰত্ন' উপাধি লাভ কৰে। কুদীয়াৰ গোপালমিশ্ৰৰ পৰা ভাগৱত ভট্টাচাৰ্য উপাধিও লাভ কৰে। শাস্ত্ৰত আৰু ভাগৱত পুৰাণত অগাধ পাণ্ডিত্যৰ বাবে তেওঁ 'ব্যাস' সদৃশ সন্মান লাভ কৰিছিল আৰু নিজে প্ৰতিষ্ঠা কৰা সত্ৰখন আজিও ব্যাসকুছি নামে সুপ্ৰসিদ্ধ। ঋতম্ভৰা প্ৰজ্ঞাৰ অধিকাৰী ভট্টদেৱৰ মনীষা গুৰু দামোদৰদেৱে পৰম অকপটে স্বীকাৰ কৰি কৈছিল :—

"শুনা ভট্টদেৱ তুমি ব্যাস সমসৰ।
তুমি মোৰ বান্ধৱ অপৰ দামোদৰ।।"

এই ভট্টদেৱেই গুৰু দামোদৰদেৱক প্ৰতিষ্ঠিত কৰি যায় তেওঁৰ অমূল্য গ্ৰন্থ ৰাজিৰ জৰিয়তে। শঙ্কৰদেৱে তেওঁৰ শক্তি ভক্তি বল-বিক্ৰম বঢ়াৰপো মাধৱদেৱত সপি যোৱাৰ দৰে গুৰু দামোদৰদেৱেও নিজৰ সৰ্বস্ব অৰ্পণ কৰিছিল শ্ৰীভট্টদেৱৰ ওচৰত।

প্ৰভু দামোদৰৰ সৰ্বস্ব অধিকাৰী।

শ্ৰীভট্টাচাৰ্যদেৱ প্ৰসিদ্ধ ভাণ্ডাৰী ॥ [ৰামৰায়]

গুৰুজনাই অনেক শাস্ত্ৰ নিষ্ণাত ভক্তি মূৰ্ত্তি ভট্টদেৱক যন্ত্ৰীবৎ চলাই নি সৰ্বশাস্ত্ৰ মুকুট মণি ভাগৱত কথা লিখালে। গুৰুৰ প্ৰেৰণাতে 'কথা-গীতা' প্ৰণয়ন কৰিলে। ভট্টদেৱে গদ্য সাহিত্যৰ জনকৰ সন্মান লাভ কৰিলে। গুৰু দামোদৰদেৱো এই অক্ষয় কীৰ্ত্তিৰ সমভাগী হ'ল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ ভাষাত "অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কাৰ্য্যত ভট্টদেৱ যন্ত্ৰ মাথোন, দামোদৰহে যন্ত্ৰী। জগতত অসমীয়া ভাষা থাকে মানে এই দুজন মহাপুৰুষৰ অক্ষয় কীৰ্ত্তি খিলঞ্জীয়া হৈ জিলিকি থাকিব আৰু তেওঁবিলাকৰ শুভ মিলনে অসমীয়া সাহিত্য ভঁড়ালত যি অমূল্য দান কৰিলে তাৰ কাৰণে অসমীয়া জাতি চিৰকাল তেওঁবিলাকৰ ওচৰত কৃতজ্ঞ থাকিব।"

শঙ্কৰ-মাধৱ-ভট্টদেৱ আদি বৈষ্ণৱ গুৰুসকল দায়বদ্ধ সাহিত্যিক। নিজে ভক্তি-ৰস পান কৰি আনকো ভক্তি-ৰস পান কৰোৱাৰ বাবে তেওঁলোক সাহিত্য ৰচনাত ব্ৰতী হৈছিল; কিন্তু তেওঁলোকৰ উদ্দেশ্য সম্পূৰ্ণ উদ্দেশ্যধৰ্মী। ভক্তিৰ পৰিপন্থী কথা তেওঁলোকে ৰচনাত ঠাই নিদিছিল। ভক্তিৰ পৰিপন্থী কথা লিখা বুলি শঙ্কৰদেৱে পীতাম্বৰ কবিক নিন্দা কৰিছিল। ভক্তি-মূৰ্ত্তি ভট্টদেৱেও কৃষ্ণ-গুণ বৰ্ণাবলৈ হাবিয়াস কৰিছিল। দশম স্কন্ধৰ ভাঙনিত ভট্টদেৱে মনৰ এই হাবিয়াস ব্যক্ত কৰিছিল, "হে সভাসদসৱ, পূৰ্বত সন্ত-মহন্ত মহাগুণৱন্ত শ্ৰীশঙ্কৰে শ্ৰীভাগৱত শাস্ত্ৰৰ পয়াৰ কৰি লোক ভক্তিপন্থ প্ৰবৰ্ত্তাইলা, যাক পাই অন্ত্য জাতিও সংসাৰ তৰিলা। পাছে তাৰ অৱশেষ কথা অনন্ত কন্দলি পদ ৰচিলা। তাকো দেখি মোৰো কৃষ্ণ-গুণ বৰ্ণাইতে ইচ্ছা হৈলা। তাক জানি শ্ৰীকৃষ্ণে শ্ৰীদামোদৰ ৰূপে আজ্ঞা দিলা। এতেকে মঞি টীকা ভাষ্য অনুসাৰে সংক্ষেপে কথা নিবন্ধিলো।"

ইয়াৰ পৰা পৰিলক্ষিত হয় ভট্টদেৱৰ কৃষ্ণ গুণ বৰ্ণোৱাৰ ইচ্ছাক গুৰুজনে সুস্থিৰ কৰি গদ্য ধাৰা সৃষ্টিলৈ প্ৰবৰ্ত্তিত কৰে। পৰীক্ষিত নাৰায়ণ নৃপতিৰ ৰোষত পৰি পাটবাউসী এৰাৰ সময়ত ভট্টদেৱক পাটবাউসীলৈ মাতি আনি দিহা-পৰামৰ্শ দি গদ্যত সম্পূৰ্ণ ভাগৱত লিখিবলৈ আজ্ঞা কৰি গৈছিল,—

"আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।<br>
কথাবন্ধে এক-খণ্ড ভাগৱত কৰা ॥<br>
পূৰ্বে মহাপুৰুষে কৰিলা দশ স্কন্ধ।<br>
কীৰ্ত্তন ভটিমা ছবি দুলড়ি সুছন্দ ॥<br>
তাত কৰি সুগম কৰিয়ো ভাগৱত।<br>
স্ত্ৰী শূদ্ৰ সৰ্বলোকে বুঝে যেন মত ॥"

সাধাৰণ জনসাধাৰণৰো বোধগম্য হোৱাকৈ ভাগৱতখন গদ্য বন্ধ কৰিবলৈ গুৰুৱে আজ্ঞা কৰাত ভট্টদেৱে এই কাৰ্যত লগে লগে ৰত হয় আৰু সুদীৰ্ঘ চাৰি বছৰৰ অন্তত ইয়াক সম্পূৰ্ণ কৰে। এই 'ভাগৱত কথা'ত 'কবি ৰত্ন'ই নিজকে 'শ্ৰীদামোদৰপাদপদ্ম মধুব্ৰত কবিৰত্ন'ই বুলি পৰিচয় দিছে আৰু ইয়াৰ পুনৰাবৃত্তি প্ৰায়ে কৰিছে। সেই সময়ত পূৰ্ণাঙ্গ সাহিত্যিক গদ্যৰ নিদৰ্শন নাছিল। অঙ্কীয়া নাটকত ব্যৱহৃত গদ্য আছিল ব্ৰজাৱলী। ই কৃত্ৰিম সুৰীয়া ভাষা। ভাগৱতৰ দৰে এখন বৃহৎ আকাৰৰ দুৰ্বোধ্য আৰু শ্ৰেষ্ঠ গ্ৰন্থৰ গদ্য ৰূপ দিয়াত ভট্টদেৱে তাৰ শৈলী বিষয়ত নিশ্চয় চিন্তা কৰিব লগা হৈছিল। সেই সময়ত গুৰুকুলত প্ৰচলিত সংস্কৃত, পূৰ্ব্ব কবিসকলে পদ্যত প্ৰয়োগ কৰা সাধু ভাষা আৰু সৰ্বসাধাৰণৰ মাজত চলিত ভাষা—এই ত্ৰিবেণীৰ সহযোগত ভট্টদেৱে ভাগৱতৰ গদ্য ৰূপ দিয়ে গুৰু বচন শিৰোগত কৰি অতি চমুকৈ। 'গীতা ভাগৱত'ৰ দৰে গ্ৰন্থৰ মহত্ত্ব লাঘৱ নকৰাকৈ আৰু গাম্ভীৰ্য হ্ৰাস নকৰাকৈ গদ্য বন্ধত ৰূপ দিব লগা হোৱাত তৎসম শব্দ বেছি প্ৰয়োগ হোৱা স্বাভাৱিক। 'গীতা-ভাগৱত'ৰ দৰে গ্ৰন্থৰ অৰ্থ প্ৰকাশ পোৱাকৈ কথিত ভাষাত প্ৰচলিত শব্দাৱলী জানো যথেষ্ট? আনহাতে শাস্ত্ৰীয় মৰ্য্যাদা লাঘৱ হোৱা গ্ৰাম্য শব্দাৱলী প্ৰয়োগ কৰি উদাত্তক অনুদাত্তলৈ নমাব নোৱাৰি। 'কীৰ্ত্তন ঘোষা'খনতে কিমান তৎসম শব্দ আছে সহজে ধৰিব পাৰি। মহাপুৰুষ শঙ্কৰদেৱৰ অমূল্য গ্ৰন্থ এই 'কীৰ্ত্তন-ঘোষা' যদি দেৱনাগৰী লিপিত লিখা হয় ভাৰতৰ যিকোনো ভাষা-ভাষীলোকে সহজে বুজিব পাৰিব। ভট্টদেৱ আছিল সংস্কৃতৰ বিদগ্ধ পণ্ডিত। আনহাতে 'গীতা-ভাগৱত' আদি গ্ৰন্থ সংস্কৃতত ৰচিত। তাৰোপৰি শ্ৰীধৰ স্বামীৰ সংস্কৃতত লিখিত টীকাৰ প্ৰভাৱ যথেষ্ট। পুৰাণ সমূহৰ ভিতৰত 'ভাগৱত পুৰাণ'ৰ ভাষা অধিক কঠিন। 'বিদ্যাৱতাং ভাগৱতে পৰীক্ষা'—বিদ্বানসকলৰ ভাগৱতত পৰীক্ষা বুলি বচন আছে। ইয়াৰ ভাষা সন্ধি-সমাসৰে ভাৰাক্ৰান্ত। আনহাতে ই জ্ঞান-ভক্তিৰ অপূৰ্ব্ব সমন্বয় এনেকুৱা এখন পুৰাণ কেৱল দেশী শব্দৰে অনুবাদ সম্ভৱ নহয়। সেই সময়ত প্ৰচলিত ভাষাৰ ব্যাকৰণ বা অভিধান নথকাত আৰু ভট্টদেৱ সংস্কৃত ব্যাকৰণৰ অগাধ পণ্ডিত হোৱা বাবে লেখাৰ মাজে মাজে শব্দ চয়ন আৰু বৈয়াকৰণিক বৈশিষ্ট্যৰ ওপৰত সংস্কৃত ব্যাকৰণৰ প্ৰভাৱ পৰা দেখা যায়; কিন্তু ভট্টদেৱে ভাষাৰ গাম্ভীৰ্য আৰু শ্ৰুতি মাধুৰ্য লাঘৱ নকৰাকৈ প্ৰচলিত দেশী শব্দৰো প্ৰয়োগ নকৰাকৈ থকা নাই। উদাহৰণ হিচাপে:—

শঙ্কৰ-মাধৱ-ভট্টদেৱ আদি বৈষ্ণৱ গুৰুসকল দায়বদ্ধ সাহিত্যিক। নিজে ভক্তি-ৰস পান কৰি আনকো ভক্তি-ৰস পান কৰোৱাৰ বাবে তেওঁলোক সাহিত্য ৰচনাত ব্ৰতী হৈছিল; কিন্তু তেওঁলোকৰ উদ্দেশ্য সম্পূৰ্ণ উদ্দেশ্য-ধৰ্মী। ভক্তিৰ পৰিপন্থী কথা তেওঁলোকে ৰচনাত ঠাই নিদিছিল।

১। 'আপুনাৰ মাংস কাটি খুৱাৰে, খেৰে মেৰাই অগ্নি দেই, ডাহে মহে খায়, হাত ভৰি ভাঙ্গে, হস্তী ফেটাই মাৰে', ইত্যাদি।

২। 'হে কৃষ্ণ তোমাক প্ৰণাম কৰো। তুমি মহাপুৰুষ প্ৰকৃতিতো পৰ, পৰম ঈশ্বৰ, সকলো প্ৰাণীৰ বাহিৰে ভিতৰে আছা। তথাপি অজ্ঞানে তোমাক নজানে।' (ভাগৱত-কথা—১.৮ কুন্তী স্তুতি)।

ভট্টদেৱে ভাগৱতৰ দৰে দুৰ্গম গ্ৰন্থখনৰ বিষয়-বস্তু আত্মসাৎ কৰি মূলৰ অধ্যায়বোৰ অবিকল ৰাখি অতি চমুকৈ অনুবাদ কৰিছে। তেওঁ সংস্কৃতীয়া দীঘলীয়া বাক্য এৰি চুটি চুটি বাক্যৰ ব্যৱহাৰ কৰিছে। উদাহৰণ স্বৰূপে:—

'তাক দেখি দুৰ্যোধনে বংশচ্ছেদ দেখি মৰিল। পুত্ৰ নাশ দেখি দ্ৰৌপদীও বিলাপ কৰিলা।'

ভট্টদেৱে 'ভাগৱত'ৰ জটিল তত্ত্ব প্ৰধান শ্লোক সমূহো সৰ্বজনৰ বোধগম্য কৰিবলৈ বচা বচা চুটি বাক্যৰ দ্বাৰা অনূদিত কৰিছে। উদাহৰণ

স্বৰূপে ভাগৱতৰ ভূমিকা স্বৰূপ 'জন্মাদ্যস্য যতঃ' ইত্যাদি প্ৰথম শ্লোকটিকে ল'ব পাৰি। শ্লোকটিৰ অনুবাদ এনেধৰণৰ হয়— 'এই জগতৰ সৃষ্টি, স্থিতি আৰু পালন য'ৰ পৰা সংঘটিত হৈছে, অখিল সৃষ্ট বস্তু যাৰ সত্তাৰ দ্বাৰা সৎৰূপে আৰু যাৰ সত্তাৰ অভাৱত অসৎৰূপে প্ৰতীয়মান হয়, যিজন অৰ্থ সমূহত অভিজ্ঞ অৰ্থাৎ সকলো পদাৰ্থৰ সামান্য আৰু বিশেষ জ্ঞান যাৰ সদা সৰ্ব্বদা বিৰাজমান, যিজন স্বৰাট অৰ্থাৎ স্বপ্ৰকাশিত, যি বেদৰ অৰ্থ অৱধাৰণ কৰিবলৈ সুধীগণো মোহাচ্ছন্ন হয় সেই বেদ যিজনে আদি কবি ব্ৰহ্মাৰ হৃদয়ত প্ৰকাশ কৰিছিল, তেজোময় মৰীচিকাত জলভ্ৰম (অৰ্থাৎ অগ্নিত জলভ্ৰম), জলত কাচ ভ্ৰম (অৰ্থাৎ জলত মৃত্তিকা ভ্ৰম) আৰু কাচত জল ভ্ৰম —এই জ্ঞানৰ বিপৰ্য্য অৰ্থাৎ এটা বস্তুত অন্য এটা বস্তুৰ আৰোপ এই ভ্ৰম জ্ঞানো যাৰ অধিষ্ঠান সত্তাক আশ্ৰয় কৰি সত্যবৎ প্ৰতিভাত হয়, এইদৰে সত্ব, ৰজঃ আৰু তমোগুণৰ মিলনত ৰচিত ত্ৰিবিধ সৃষ্টি (দেৱতা, ইন্দ্ৰিয় আৰু ভূত অথবা অগ্নি, জল আৰু অন্ন) যাৰ সত্তাত অলীক হ'লেও সত্যবৎ প্ৰতিভাত হয় আৰু যিজনে নিজ মহিমাৰ দ্বাৰা নিজ মায়া বিদূৰ কৰে— সেই পৰম সত্যক (নাৰায়ণাখ্যতত্ত্বক) আমি ধ্যান কৰোঁ। ভট্টদেৱে কেইটামান মাত্ৰ চুটি বাক্যতে ইয়াৰ অৰ্থ প্ৰকাশ কৰিছে,—

'যাত মিছা প্ৰপঞ্চ প্ৰকাশে, যাত হন্তে জগতৰ সৃষ্টি-স্থিতি সংসাৰ হয়, প্ৰকৃতি পুৰুষতো পৰ, ব্ৰহ্মাৰো জ্ঞানদাতা, সত্য, সৰ্ব্বজ্ঞ, তাহাক চিন্তওঁ।'

সেই সময়ৰ কোনো কবি সাহিত্যিকে সম্পূৰ্ণ ভাগৱত গদ্যত বা পদ্যত ৰূপ দিয়া নাছিল। এই ক্ষেত্ৰত ভট্টদেৱ অনন্য। আনহাতে তেওঁ প্ৰতিটো অধ্যায়ৰে অন্তত অধ্যায়টোৰ সাৰ মৰ্ম প্ৰকাশক আৰু ভগৱদ্ ভক্তি প্ৰকাশক একোটাকৈ স্বৰচিত সংস্কৃত শ্লোক সংযুক্ত কৰি দিয়ে। এই শ্লোকেকেইটা লগ লগাকে এখন সংক্ষিপ্ত সাৰ চমু ভাগৱত হয়। ইয়াৰ পৰাই ভট্টদেৱৰ অপূৰ্ব বস্তু নিৰ্মাণক্ষমা প্ৰজ্ঞা কাব্য প্ৰতিভাৰ উমান পাব পাৰি।

'গীতা-কথা'ত ভট্টদেৱে 'কবিৰত্ন' নামে গ্ৰহণ কৰিছে আৰু গ্ৰন্থাৰম্ভ আৰু অন্তত নিজ-গুৰুদেৱ দামোদৰক সভক্তিৰে স্মৰণ কৰিছে,—

'দামোদৰং নৰকলেবৰমত্যুদাৰং সংসাৰ পৰিবাৰণ বাৰিবাহম্।
লোকস্য যঃ কৰুণয়া হৰিভক্তিমাৰ্গমৰ্ত্তয়ন্নিজগুৰুংশৰণং প্ৰপদ্যে।

জ্ঞান-কৰ্ম্ম-ভক্তিৰ অপূৰ্ব্ব সমন্বয় 'গীতা' মূলত তত্বপ্ৰধান গ্ৰন্থ। ভট্টদেৱে 'গীতা' অনুবাদত বেছি কৃতকাৰ্য্য হৈছে। সপ্তশতী গীত অনুবাদ কৰোঁতে তেওঁ মূলৰ পৰা তিলান চমু কৰিব লগা হোৱা নাই। ইয়াতো তেওঁ শ্ৰীধৰস্বামী পাদৰ ভক্ত্যনুকূল সুবোধিনী টীকাৰ দ্বাৰা প্ৰভাৱান্বিত। 'গীতা-কথা'ৰ ভাষা 'ভাগৱত-কথা'তকৈ বেছি সৰল, মধুৰ আৰু প্ৰাঞ্জল বুলি হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে পণ্ডিতসকলৰ অভিমত। মনীষী আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ মতে এইখন এখন অমূল্য সম্পদ (It is a priceless treasure) গুৰু দামোদৰদেৱৰ জীৱনৰ অন্তিম কালত ভট্টদেৱে 'গীতা-কথা' লিখি শেষ কৰিছিল।

অসমৰ বৈষ্ণৱ ধৰ্মত জ্ঞান-বিজ্ঞান, তদঙ্গ আৰু ৰহস্য সমন্বিত 'শ্ৰীমদ্ভাগৱত', 'শ্ৰীমদ্ভগৱদ্গীতা' আৰু 'ভক্তি ৰত্নাৱলী' —এই তিনি গ্ৰন্থ আৰু শ্ৰীধৰস্বামী আৰু বিষ্ণুপুৰী এই সন্তদ্বয়ৰ বৰ সমাদৰ। ভট্টদেৱে 'ভাগৱত-কথা' আৰু



'গীতা-কথা' প্ৰণয়ন কৰাৰ লগতে বিষ্ণুপুৰীৰ 'ভক্তি-ৰত্নাৱলী' গ্ৰন্থৰো কথাৰূপ দিয়ে। এইখন ভক্তি ধৰ্ম্মৰ পৰিপোষক সংগ্ৰহ গ্ৰন্থ। শঙ্কৰদেৱৰ আজ্ঞাত মাধৱদেৱে এইখন অসমীয়া পদত ভাঙি জনপ্ৰিয় কৰি তোলে। ভট্টদেৱৰ 'ভক্তি-ৰত্নাৱলী কথা'ৰো ভাষা মধুৰ আৰু প্ৰাঞ্জল। ইয়াত বিষ্ণুপুৰী স্বামীপাদৰ কান্তিমালা টীকাৰ প্ৰভাৱ স্পষ্ট। এই গ্ৰন্থৰ শেষতো ভট্টদেৱে গুৰু দামোদৰদেৱলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

শ্ৰীমদ্ দামোদৰং দেৱং বিপ্ৰকুলমণীশ্বৰম্।
নমামি সততং বন্ধুং দয়াসিন্ধুং সুধাকৰম্।।

সংস্কৃতত কথা আৰু আখ্যায়িকা নামে গদ্য কাব্যৰ দুটা ভাগ আছে। কথাৰ স্বৰূপ হ'ল—

'কথায়াং সৰসং বস্তু গদ্যৈৰেৱ বিনিৰ্মিতম্।
ক্বচিদত্ৰ ভৱেদাৰ্য্যা ক্বচিদ্বক্ত্ৰাপবক্ত্ৰকে।।
আদৌ পদ্যৈৰ্নমস্কাৰ খলাদেৰ্বৃত্ত কীৰ্ত্তনম্।।'
(সাহিত্য দৰ্পণ)

কথাৰ এই সংজ্ঞামতে ইয়াৰ বিষয় বস্তু সৰস, ই গদ্যত ৰচিত। ইয়াৰ মাজে মাজে কেতিয়াবা আৰ্যা, বক্ত্ৰ, অপবক্ত্ৰ আদি ছন্দ বদ্ধ পদ্য থাকে। গদ্যৰ আদিত শ্লোকেৰে ইষ্ট দেৱতাৰ স্তুতি, পূৰ্বসূৰিসকলৰ প্ৰতি সন্মান কৰা হয় আৰু খলৰ চৰিত্ৰ বৰ্ণনা কৰা হয়। কথাৰ এই সংজ্ঞাৰ লগত ভট্টদেৱৰ কথাৰ নামকৰণৰ সামঞ্জস্য নাই। কথা বদ্ধ অৰ্থতে তেওঁ কথা শব্দ প্ৰয়োগ কৰিছে। অৱশ্যে কথাত ছন্দ ধ্বনি থকাৰ দৰে ভট্টদেৱে 'ভাগৱত-কথা'ৰ মাজে মাজে ভাৱৰ প্ৰাধান্য থকা বৰ্ণনাত ছন্দ ধ্বনি অৱলম্বন কৰিছে। শ্যাম সুন্দৰ। পীতাম্বৰ। প্ৰসন্নবদন। কমল নয়ন। নাসা তিলফুল। অধৰ ৰাতুল। মুখে মন্দ হাস। কটাক্ষবিলাস।।

কিন্তু ভট্টদেৱে বাণ ভট্টাদিয়ে ব্যৱহাৰ কৰা সন্ধি সমাসৰে ভাৱাক্ৰান্ত দীঘল দীঘল বাক্য প্ৰয়োগ কৰি তেওঁৰ কথা গ্ৰন্থ দুৰ্ব্বোধ্য কৰা নাই। কৰৱাত দুৰ্বোধ্য হ'লেও বিষয়বস্তুৰ দুৰ্বোধ্যতাই তাৰ কাৰণ।

১৫৪৩ শকত ভট্টদেৱে 'ভক্তি-বিবেক' গ্ৰন্থ প্ৰণয়ন কৰে। ভক্তিৰ প্ৰকৰণ গ্ৰন্থ বিষ্ণুপুৰীৰ 'ভক্তি-ৰত্নাৱলী'ত প্ৰায় 'ভাগৱত'ৰ উদ্ধৃতিৰ দ্বাৰাহে ভক্তিক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হৈছে। অনেক শাস্ত্ৰ-নিষ্ণাত ভট্টদেৱে 'বেদ' আৰু ভাগৱতাদি অনেক শাস্ত্ৰৰ পৰা উদ্ধৃতি দি ভক্তি-বিবেক ৰচনা কৰে। ইয়াত বৈষ্ণৱ দৰ্শনৰ লগতে গুৰু দেৱদামোদৰদেৱৰ ধৰ্ম সুন্দৰ ভাৱে প্ৰকাশ কৰিছে। গ্ৰন্থাৰম্ভতে তেওঁ লিখিছে,—

শ্ৰীমদ্ দামোদৰপদৰজঃ প্ৰাপ্য ভাগ্যৈৰনল্পৈ দেঁশং
কালং সুজনহৃদয়ং তন্মতং লোক-শক্তিম্।
সম্যক্ জ্ঞাত্বা ৱিলিখতিমুদা ভক্তিশ্লোকসংঘান্
নানা গ্ৰন্থাৎকবিপদপূৰো ৰত্নসংজ্ঞো দ্বিজাতিঃ।।

বহু ভাগ্যৰ বলত শ্ৰীদামোদৰদেৱৰ পদ-ৰেণু পাই দেশ কাল সুজনৰ হৃদয়ভাৱ, দামোদৰ গুৰুৰ মত আৰু লোক শক্তি ভালকৈ বুজি 'কবিৰত্ন' নামৰ ব্ৰাহ্মণে নানা গ্ৰন্থৰ পৰা ভক্তি শ্লোক সংগ্ৰহ লিখিছে। গতিকে দামোদৰদেৱৰ ধৰ্মীয় দৰ্শন জানিবলৈ 'ভক্তি-বিবেক' অতিকৈ সহায়ক। এই গ্ৰন্থত মুঠতে চৈধ্যটা পৰিচ্ছেদ আছে আৰু একশৰণ নাম ধৰ্মই ইয়াৰ প্ৰতিপাদ্য। ঋগ্বেদ সংহিতা, ঈশ, কঠ, ছান্দোগ্য, শ্বেতাশ্বতৰ, নৃসিংহতাপনী উপনিষৎ, গীতা, ৰামায়ণ, মহাভাৰত, ভাগৱত, বিষ্ণুপুৰাণ, পদ্ম, স্কন্দ, বায়ু, অগ্নি, বামন, গৰুড়, ব্ৰহ্ম, ব্ৰহ্মাণ্ড, মাৰ্কেণ্ডেয়, নৃসিংহ, ব্ৰহ্মবৈবৰ্ত্ত, বিষ্ণুধৰ্মোত্তৰ বৃহন্নাৰদীয় আদি পুৰাণ আৰু মনু, বশিষ্ঠ, জৈমিনী, মাণ্ডব্য আদি ধৰ্ম

সংহিতা আৰু পঞ্চৰাত্ৰ, সাত্বতন্ত্ৰ, বিষ্ণু ৰহস্য আদি অনেক শাস্ত্ৰৰ পৰা উদ্ধৃতি সহকাৰে একশৰণ প্ৰতিষ্ঠা কৰিছে আৰু নিষ্কাম ভক্তিহে একমাত্ৰ উদ্দেশ্য বুলি দেখুৱাইছে। তেওঁ ইয়াত শাস্ত্ৰোক্ত প্ৰমাণেৰে শ্ৰুতি, স্মৃতি আৰু ভক্তিবাদৰ সমন্বয় সাধন কৰিছে। ইয়াৰ পৰাই ভট্টদেৱৰ সাৰস্বত সাধনা আৰু শাস্ত্ৰ জ্ঞানৰ পৰিচয় পাব পাৰি। ১৯৫১ খৃষ্টাব্দত পণ্ডিত লক্ষী নাৰায়ণ চট্টোপাধ্যায়দেৱে 'শ্ৰীমদ্ভক্তিবিবেকখন সম্পাদনা কৰি প্ৰকাশ কৰে। গোবিন্দ মিশ্ৰই ভক্তি-বিবেকৰ পদানুবাদ কৰে। অধ্যাপক উপেন্দ্ৰ নাথ লেখাৰুৱে ভক্তি-বিবেকৰ ছায়ানুবাদ এটিও প্ৰকাশ কৰে।

ইয়াৰ উপৰি ভট্টদেৱে ভালেমান সংস্কৃত আৰু অসমীয়া পুথি ৰচনা কৰে। জীৱনৰ আগ বয়সত সংস্কৃতত 'ভক্তি-সাৰ' ৰচনা কৰে। শ্ৰীকৃষ্ণৰ পূৰ্ণাৱতাৰত্ব ইয়াত প্ৰতিপন্ন কৰিছে। সংস্কৃত দামোদৰ ব্যাখ্যানম্, শ্ৰীধৰ স্বামীৰ ভাৱাৰ্থ দীপিকাৰ টিপন্নী 'ভাগৱতাধিকৰণ', শৰণ সংহিতা, সন্ত নিৰ্ণয় (গদ্য আৰু সংস্কৃত শ্লোক)ৰ উপৰিও ভট্টদেৱে 'বিষ্ণু সহস্ৰনাম'ৰ(পদ্মপুৰাণোক্ত) অসমীয়া পদ্যানুবাদ, প্ৰসঙ্গৰ বাবে প্ৰসঙ্গ-মালা আৰু নন্দোৎসৱ নামৰ পুথি লিখে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে লিখিছে,—"সাম্প্ৰদায়িক বা ভকতীয়া সমাজত এইকেইখন গ্ৰন্থৰ মূল্য আছে যদিও, সাহিত্যৰ দৃষ্টি কোণৰ পৰা চালে বৰ গুৰুত্ব আৰোপ কৰিব নোৱাৰি। অৱশ্যে গীত-পদসমূহে ভট্টদেৱৰ পদ ৰচনাতো যে বিশেষ হাত আছিল সেইটো প্ৰমাণ কৰে; কিন্তু ৰচনাৰ মৌলিকত্ব বৰ বিশেষ আছিল বুলি ক'ব নোৱাৰি।"

ভট্টদেৱ ৰচিত গুৰু-ভটিমাটিত গুৰু দেৱ দামোদৰৰ শান্ত সমাহিত মধুৰ মূৰ্ত্তি পৰিস্ফুট হৈছে।

'জয় জগদীশ্বৰ প্ৰভু দামোদৰ
যাকেৰি নাহি সমকেৱ।
সাধুজন ৰঞ্জণ ভকতি পৰায়ণ
তাহেক কৰো শত সেৱ ॥'

ডঃ মহেশ্বৰ নেওগৰ মতে এইটো মাধৱদেৱৰ গুৰু ভটিমাৰ পৰ্য্যায়ৰ গীত।

**ভট্টদেৱৰ প্ৰতিভাৰ স্বৰ্ণ স্বাক্ষৰ হ'ল 'ভাগৱত-কথা' আৰু 'গীতা-কথা'। এই অমূল্য গ্ৰন্থদ্বয়ে ভট্টদেৱক অমৰ কৰাৰ লগতে অসমীয়া সাহিত্যকো সুদূৰ ষোড়শ শতিকাতে প্ৰতিষ্ঠিত কৰি গৈছে। উপজিয়ে অসমীয়া গদ্যই হাত দিছে 'গীতা-ভাগৱত'ৰ দৰে তত্ত্ব গধূৰ দাৰ্শনিক গ্ৰন্থত। এয়া ভট্টদেৱৰ কম কৃতিত্ব নহয়।** লগতে ভট্টদেৱে পৰৱৰ্ত্তী গদ্যকাৰ গোপালচৰণ দ্বিজ, ৰঘুনাথ মহন্ত আৰু চৰিতকাৰসকলৰ বাবে পথিকৃৎ হিচাপে বাট উজু কৰি গৈছে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱে যথাৰ্থ মন্তব্যই কৰিছে— 'ভট্টদেৱৰ অৱদান আৰু প্ৰতিভা সম্পৰ্কে আলোচনা কৰোঁতে আমি এই কথা মনত ৰখা উচিত হ'ব যে সেই সময়ত গদ্যৰ কোনো আদৰ্শ নথকাত গীতা, ভাগৱত আদি দাৰ্শনিক তত্ত্বমূলক গ্ৰন্থ প্ৰকাশৰ উপযুক্ত মাধ্যম ভট্টদেৱে নিজে সৃষ্টি কৰিব লগাত পৰিছিল। গদ্যত উক্ত গ্ৰন্থদ্বয় ৰচনা কৰি অসমীয়া কথ্য ভাষাৰ তেওঁ সাহিত্যিক সম্ভাৱনা দাঙি ধৰি পৰৱৰ্ত্তী লেখক সকলৰ কাৰণে গদ্য ৰচনাৰ পথ মুকলি কৰি নিদিলেহেঁতেন, তেনেহ'লে আমি ইমানবোৰ গদ্যত ৰচিত চৰিত পুথি আৰু গ্ৰন্থ নেপালোহেঁতেন।"

ভট্টদেৱৰ সমুচিত মূল্যায়ন এতিয়াও হ'ব বহু বাকী আছে। সুধী সমাজে নিৰপেক্ষভাৱে এই কাৰ্যত আত্মনিয়োগ কৰি নিজকে ধন্য কৰা উচিত। ইতি শম্। ★



# দাসত্বৰ ব্লুপ্ৰিণ্ট :
# "ডাংকেল প্ৰস্তাৱ"

চৈয়দ নুৰুল ইছলাম আহমেদ
স্নাতক, ২য় বৰ্ষ (কলা)

এসময়ৰ বিশ্ব-বেংকৰ ডিৰেক্টৰ জেনাৰেল আৰ্থাৰ ডাংকেল চাহাবৰ আন্তৰ্জাতিক বাণিজ্যিক প্ৰস্তাৱবোৰেই হ'ল "ডাংকেল-প্ৰস্তাৱ।" ভাৰতবৰ্ষৰ অৰ্থনীতিত অভূতপূৰ্ব প্ৰভাৱ পেলোৱা এই প্ৰস্তাৱবোৰ আহিল "গ্যাট" চুক্তিৰ দ্বাৰা। "গ্যাট" (GATT) হ'ল এটা আন্তৰ্জাতিক বাণিজ্যিক চুক্তি।

GATT (General Agreement on Tariffs and Trade) হ'ল ১১৭ খন ৰাষ্ট্ৰৰ দ্বাৰা প্ৰণয়ন কৰা চুক্তি। ইং ১৯৪৭ চনত হাভানাত এই চুক্তিৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইং ১৯৪৮ চনত GATT-এ সাম্ৰাজ্যবাদী আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্দ্দেশত কৃষি উৎপাদন আৰু বাণিজ্য ব্যৱসায়ৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় নিয়ম প্ৰণয়ন প্ৰস্তাৱ গ্ৰহণ কৰে।

ইং ১৯৮৬ চনত উৰুগুৱেত অনুষ্ঠিত বিশেষ অধিৱেশনত ইয়াৰ কিছু পৰিৱৰ্ত্তন সাধন কৰা হ'ল যদিও ইয়াৰ যোগেদি আমেৰিকা যুক্তৰাষ্ট্ৰই গোটেই বিশ্বত অৰ্থনৈতিক উন্নয়নৰ নামত তেওঁলোকৰ ব্যৱসায় আৰু সাম্ৰাজ্যবাদী নীতিৰ সহায়ক নীতি গজগজীয়া কৰি ললে; কিন্তু উন্নয়নশীল ৰাষ্ট্ৰ সমূহে ইয়াত অসন্তুষ্টি প্ৰকাশ কৰি টাঞ্জানিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জুলিয়াৰ নাইৰোৰেৰ উদ্যোগত ডঃ মন মোহন সিঙক সচিব প্ৰধান নিযুক্ত কৰি এখন কমিটী গঠন কৰে আৰু ডঃ সিঙৰ দ্বাৰা প্ৰস্তুত কৰা এটি টোকাত ইয়াৰ তীব্ৰ সমালোচনা কৰি টোকাবোৰ ইং ১৯৯০ চনৰ মে' মাহত ব্যাপকভাৱে প্ৰচাৰ কৰে। দুৰ্ভাগ্যজনকভাৱে একেজন ডঃ মন মোহন সিঙে এতিয়া 'ডাংকেল প্ৰস্তাৱ'ৰ সমৰ্থন কৰি আমেৰিকাৰ ওচৰত ভাৰতবৰ্ষৰ আত্মসমৰ্পন প্ৰকাৰন্তেৰে স্বীকাৰ কৰি লৈছে। নকলেও হ'ব যে এই চুক্তিত স্বাক্ষৰ কৰা মানেই হ'ল ভাৰতৰ প্ৰজাতন্ত্ৰ আৰু সংবিধানৰ বিপক্ষে যোৱা আৰু ভাৰতীয় সংসদে সংবিধান আৰু জাতীয় স্বাৰ্থৰ পৰিপন্থী বিধেয়ক প্ৰণয়ন কৰিবলৈ যে বাধ্য হ'ব।

আনহাতে ইউৰোপিয়ান ইকনমিক কমিউনিটি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজতো এই সম্পৰ্কত মতভেদ হয় আৰু এতিয়ালৈকে ইয়াৰ মীমাংসা নোহোৱাকৈয়ে আছে। মীমাংসাৰ বাবে বহু প্ৰচেষ্টা চলোৱা হৈছে যদিও দেশবোৰৰ মাজত কৃষি, বস্ত্ৰ আৰু TRIPS ইত্যাদিৰ ক্ষেত্ৰত মত পাৰ্থক্যই দেখা দিয়ে।

তেতিয়াৰ GATT-ৰ Director General Arthur Dankel (আৰ্থাৰ ডাংকেল)-এ ইং ১৯৯১ চনৰ ২০ ডিচেম্বৰত বিতং প্ৰস্তাৱ

দাখিল কৰে। এই প্ৰস্তাৱৰ বিভিন্ন দিশ সমূহ এনে ধৰণৰ :—

1. Market Access (বাণিজ্যত প্ৰৱেশ)
2. Functioning of GATT (গ্যাটৰ প্ৰয়োগ পদ্ধতি)।
3. Textile and Clothing (বস্ত্ৰ উদ্যোগ আৰু কাপোৰ-কানি)।
4. Agricultural (কৃষি ব্যৱস্থা)।
5. Trade related intellectual property right trip (বুদ্ধি সত্ব আৰু বাণিজ্যিক অধিকাৰ)।
6. Natural resource based products (প্ৰকৃতি প্ৰদত্ত বস্তুৰ উৎপাদন)।
7. Institutional matter (আনুষ্ঠানিক ব্যৱস্থা)।
8. TRIPS (বিনিয়োগ জোখ-মাখৰ বাণিজ্যিক দিশ)।

ইয়াৰ ভিতৰত প্ৰথম আৰু পঞ্চমটো চৰ্ত্ত প্ৰয়োগৰ ফল মাৰাত্মক হ'ব পাৰে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ হেঁচাত পৰি এই প্ৰস্তাৱ প্ৰস্তুত কৰোঁতা স্বয়ং আৰ্থাৰ ডাংকেলে অৱসৰৰ পিছত নিজেই স্বীকাৰ কৰিছে যে "এই প্ৰস্তাৱে তৃতীয় বিশ্বৰ অৰ্থনীতি সমূলাঞ্চে বিধ্বস্ত কৰিব।"

এই প্ৰস্তাৱ গ্ৰহণৰ লগে লগে ৰাষ্ট্ৰই অৰ্থনৈতিক আৰু উদ্যোগিক স্বাধীনতা বিসৰ্জন দিব লাগিব। অন্য অৰ্থত আমি আমাৰ স্বাধীনতা, নিৰ্বাচিত কৰি পঠিওৱা প্ৰতিনিধিৰ জৰিয়তে হেৰুৱাব লাগিব। ই আমাৰ দেশৰ মজলীয়া উদ্যোগৰ সৰ্বনাশ কৰিব। বৃহৎ মজলীয়া উদ্যোগৰ অৱৰ্ত্তমানত বিদেশী উদ্যোগপতি সকলে আমাৰ দেশৰ উদ্যোগ-জগত গ্ৰাস কৰিব। এইটো জনা কথা যে বহু জাতিক কোম্পানীবোৰে উদ্যোগিক বুনিয়াদ



সৃষ্টিৰ লক্ষ্যত বিদেশী ৰাষ্ট্ৰত তেওঁলোকৰ ব্যৱসায় বাণিজ্যৰ পোষকতা কৰাৰ পৰিৱৰ্ত্তে নিজৰ উদ্যোগত উৎপাদিত সামগ্ৰীৰ বজাৰ দখল কৰিবলৈহে উঠি-পৰি লাগে। কাৰ্য্যক্ষেত্ৰত জনসাধাৰণে সাংঘাটিক ধৰণে ক্ষতিগ্ৰস্ত হ'ব; কিয়নো মজলীয়া উদ্যোগবোৰ ধ্বংসৰ ফলত নিৱনুৱা সমস্যাই বিপদজনক ভাৱে গা কৰি উঠিব। আনহাতে উদ্যোগপতিবোৰ বিদেশী হোৱা হেতুকে দেশপ্ৰেমবোধ নাথাকিব, সেয়ে জনসাধাৰণৰ কল্যাণৰ দিশত নজৰ নিদি নিজৰ ব্যৱসায়িক লাভালাভৰ ওপৰতহে গুৰুত্ব দিয়াৰ আশঙ্কা নোহোৱা নহয়।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে প্ৰথম প্ৰস্তাৱটোৰ মতে কোনো দেশে যদি ইয়াৰ কোনো সদস্য ৰাষ্ট্ৰলৈ কৃষিজাত সামগ্ৰী ৰপ্তানি কৰে, তেন্তে শতকৰা ১০ ভাগ লাভ কমাই লব লাগিব। এয়া ইং ১৯৯৩ চনৰ পৰা ইং ১৯৯৯ চনলৈ প্ৰযোজ্য হ'ব। ই হ'ল আত্মনিৰ্ভৰশীল হ'ব খোজা যিকোনো ৰাষ্ট্ৰৰ ওপৰত কুঠাৰাঘাট স্বৰূপ।

পঞ্চমটোত আমদানিৰ ক্ষেত্ৰত ইং ১৯৮৬-৮৭ চনত আমদানি কৰা সামগ্ৰীৰ সম পৰিমাণ ইং ১৯৯৯ চনলৈ অটুট ৰাখিব লাগিব। ইয়াৰ অৰ্থ হ'ল যে কোনো দেশে কৃষিজাত সামগ্ৰীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল অৰ্জন কৰিলেও পূৰ্বৰ সম পৰিমাণৰ সামগ্ৰী আমদানি কৰিব লাগিব। ফলস্বৰূপে কৃষকৰ উৎপাদন প্ৰৱণতা নোহোৱা হ'ব। ইয়ে দেশৰ কৃষিৰ সৰ্বনাশ কৰিব।

আনহাতে এই চৰ্ত্তটোৱে কোনো ধৰণৰ গৱেষণা আৰু আৱিষ্কাৰ কৰাৰ অধিকাৰো কাঢ়ি নিব। ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বছৰি শতকৰা দুই, ইয়াৰ বিপৰীতে কৃষি উৎপাদনৰ বৃদ্ধিৰ হাৰ হ'ল বছৰি ২.২%। ইয়ে কৃষিৰ ক্ষেত্ৰত ভাৰতবৰ্ষত স্বাৱলম্বিতাক নুসূচায়নে? সেইদৰে সাৰ, বীজ, কীটনাশক ঔষধতো আত্মনিৰ্ভৰশীল হৈছে। ইয়াৰোপৰি চেনি, শিশু খাদ্য, ঔষধ, ফাইবাৰ, টুথপেষ্ট, ব্ৰাছ, বুটপলিচ, ব্লেড, জোতা, টনিক, চিগাৰেট, ইলেকট্ৰিকেল, সৰঞ্জম, এৰোপ্লেন ইত্যাদিৰ ক্ষেত্ৰতো স্বনিৰ্ভৰশীলতা আহৰণ কৰিছে।

কিন্তু দুৰ্ভাগ্যজনক ভাৱে ডাংকেল প্ৰস্তাৱে উদ্যোগক মাধমাৰ সোধাব। এইবোৰ উদ্যোগৰ ক্ষেত্ৰত GATT-অৰ নিয়ন্ত্ৰণ মানি চলিব লগা হয় বাবে ভাৰতৰ সাৰ্ব্বভৌমত্ব ৰক্ষা হ'ব বুলি কেতিয়াও মানিব নোৱাৰি।

স্বাধীনতাৰ পূৰ্বে ইংৰাজ সকলে স্বাৱলম্বিতা লভা ভাৰতবৰ্ষৰ পৰম্পৰাগত কৃষি ক্ষেত্ৰত মৰাপাট, চাধা, আফিং, চাহ, কপাহ আদিৰ ব্যৱসায়িক কৃষিৰ ওপৰত গুৰুত্ব দিছিল, যিবোৰৰ ইংলণ্ডৰ কাৰখানা আৰু ঘৰুৱা ক্ষেত্ৰত প্ৰয়োজন আছিল। ইতিহাসৰ পুনৰাবৃত্তি যেন আকৌ ঘটিবলৈ আৰম্ভ হৈছে। বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা কোষ আৰু 'গ্যাটে' যেন আকৌ ভাৰতবৰ্ষত কৃষি নিৰ্য্যাতন চলাবলৈ উঠি পৰি লাগিছে। ইয়াৰ উদ্দেশ্য হ'ল দেশত খাদ্য বস্তু আদিৰ উৎপাদন কমাই যিবিলাক বস্তু ইউৰোপ, আমেৰিকাত বিলাসিতাৰ বাবে প্ৰয়োজন হয় সেই বিলাকৰ উৎপাদন বৃদ্ধি কৰোৱা। ইয়ে খাদ্যৰ ক্ষেত্ৰত দেশখনক পৰমুখাপেক্ষী হ'বলৈ বাধ্য কৰাব। খাদ্যৰ অভাৱ হ'লে দুখীয়া জনসাধাৰণক সুলভ মূল্যত যোগান ধৰি থকা খাদ্যৰ অনাটন হ'ব। ফলত দুৰ্ভিক্ষ হ'ব।

উদাহৰণ স্বৰূপে চুডানে নিজৰ কৃষি ক্ষেত্ৰ ফলৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰি ভিক্ষাৰী ৰাষ্ট্ৰত পৰিণত হৈছে। যেনেদৰে খাদ্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা হেৰুৱাই আফ্ৰিকাৰ কেইবাখনো দেশে দুৰ্ভিক্ষ আৰু অনাটনৰ কবলত হাবু-ডুবু খাইছে। সেয়ে এটা সময়ত ডাংকেল আৰু বিশ্ববেংকৰ প্ৰৰোচনাত পৰি ভাৰতবৰ্ষতো ইথিওপিয়া আৰু চোমালিয়া সদৃশ পৰিস্থিতি হ'ব বুলি আশংকা হৈছে। এই প্ৰস্তাৱ মতে ভাৰতবৰ্ষই কৃষি-বীজ আমেৰিকা বা আন সাম্ৰাজ্যবাদী দেশৰ পৰা আমদানি কৰিব লাগিব। বীজ সংৰক্ষণ কৰিবলৈ হলেও বিদেশী ৰাষ্ট্ৰৰ অনুমতি ল'ব লাগিব। উন্নয়নশীল ৰাষ্ট্ৰৰ কৃষিক্ষেত্ৰ অনগ্ৰসৰ কৰি ৰখাৰ ই এটা মাৰাত্মক চাল।

অলপতে আন্তৰ্জ্জাতিক বজাৰত সাৰৰ দাম কম হোৱা বাবে বিদেশৰ পৰা সাৰ আমদানিৰ পথ মুকলিৰ বাবে দেশত কেইবাটাও সাৰ উদ্যোগ বন্ধ কৰি দিয়া হৈছে। এই প্ৰস্তাৱ কাৰ্য্যকৰী হলে ঔষধ উদ্যোগবোৰো যথেষ্ট ক্ষতি হ'ব। পেটেণ্ট নিয়মৰ ফলত কৃষিৰ পিছতে ঔষধ উদ্যোগৰে ক্ষতি হ'ব অধিক। বিভিন্ন ঔষধৰ উৎপাদনৰ ক্ষেত্ৰত বিদেশী কোম্পানীয়ে অগ্ৰাধিকাৰ পাব। উন্নত দেশৰ তুলনাত ভাৰতবৰ্ষত ঔষধৰ দাম এতিয়াও বহু কম। বিদেশী কোম্পানীৰ প্ৰৱেশৰ পিছত তিনি গুণৰ পৰা আঠ গুণতকৈয়ো অধিক দামত ঔষধ কিনিব লগা হ'ব। ইয়াৰ ফলত ভাৰতবৰ্ষৰ নিচিনা দুখীয়া দেশৰ জনসাধাৰণৰ আয়ুস আৰু স্বাস্থ্যৰ অৱস্থা কেনে ধৰণৰ হ'ব সেয়া সহজে অনুমেয়।

বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰতো বিদেশী কোম্পানীবোৰক শতকৰা ১০ ভাগ আমদানি কৰাৰ নিশ্চয়তা প্ৰদান কৰিছে। ই পৃথিৱীৰ যিকোনো দেশৰ তুলনাত অধিক। এই কোম্পানীবোৰে নিজৰ ডলাৰ পেটেণ্ট সংৰক্ষণ কুটীল চালৰ সহায়ত একচেতীয়া অধিকাৰ স্থাপন কৰিব, তথা

মুনাফা ৰয়েল্টী আৰু এক-চেতীয়া ভাৱে দ্ৰব্য মূল্য নিৰূপন কৰি সুদৰ ৰূপত আমাৰ দেশৰ ধন বাহিৰলৈ নিয়াত সুবিধা হ'ব।

ভাৰতবৰ্ষত জলসিঞ্চন ব্যৱস্থা এতিয়াও চালুকীয়া অৱস্থাতে আছে ; গতিকে ডাংকেল প্ৰস্তাৱ গ্ৰহণ কৰিলে ইয়াৰ ওপৰত মাধমাৰ পৰিব। বীজৰ দাম বৃদ্ধি হ'ব আৰু অৰ্থ সাহায্য (subsidy) বন্ধ কৰি চৰম হতাশাৰ সৃষ্টি কৰিব।

> সেয়ে এটা সময়ত ডাংকেল আৰু বিশ্ববেংকৰ প্ৰৰোচনাত পৰি ভাৰতবৰ্ষতো ইথিওপিয়া আৰু চোমালিয়া সদৃশ পৰিস্থিতি হ'ব বুলি আশংকা হৈছে। এই প্ৰস্তাৱ মতে ভাৰতবৰ্ষই কৃষি - বীজ আমেৰিকা বা আন সাম্ৰাজ্যবাদী দেশৰ পৰা আমদানি কৰিব লাগিব।

প্ৰকৃতিগত সম্ভাৰেৰে ভৰপুৰ অসমত এতিয়াও শতকৰা ৮০ ভাগ লোক কৃষিজীৱি। চৰকাৰী অনুদান বা সহায় অবিহনে কৃষিক্ষেত্ৰৰ উন্নতি নহয়। গতিকে ডাংকেলৰ প্ৰভাৱৰ পৰা অসমো যে মুক্ত নহ'ব তাত তিল মাত্ৰ সন্দেহ নাই।

**অৰ্থনীতিবিদ ভৱতোষ দত্তৰ** মতে ডাংকেল প্ৰস্তাৱ আন একো নহয়, ই মাত্ৰ হ'ল ভাৰতত নিগাজী কৰিব বিচৰা অৰ্থনৈতিক সাম্ৰাজ্যবাদ। আনহাতে অৰ্থনীতিবিদ দীপক নায়াৰে দেশ পুনৰ বিদেশীৰ অধীনলৈ যোৱাৰ আশংকা প্ৰকাশ কৰিছে।

সেইদৰে **আৰ. কে. মনিয়ে** কৈছে যে যদিহে এই দুৰ্ভাগ্যজনক প্ৰস্তাৱ সমূহ কেনেবাকৈ গ্ৰহণ কৰিব লগা হয়, তেন্তে ভাৰতে নীতি আৰু ৰাজনৈতিক কাৰ্য্য-কলাপবোৰ বাকচত তলা মাৰি থোৱাহে ভাল হ'ব।

মুঠৰ ওপৰত প্ৰৱল প্ৰতিবাদ বিৰোধিতাকো আওকাণ কৰি ইং ১৯৯৩ চনৰ ১৫ ডিচেম্বৰত জেনেভাত ডাংকেল প্ৰস্তাৱত স্বাক্ষৰ কৰি আমাৰ দেশৰ নিৰ্বাচিত চৰকাৰে দেশৰ সাৰ্বভৌমত্ব বিক্ৰীৰ ক্ষেত্ৰত এখোপ আগবাঢ়ে।

ইং ১৯৯৫ চনৰ ১ এপ্ৰিলৰ পৰা এই GATT চুক্তি কাৰ্য্যকৰী হ'ব। এইটো ধ্ৰুপ যে চুক্তিখনে কৃষক সকলৰ স্বাৰ্থ বিঘ্নিত কৰাকে ধৰি সামগ্ৰিকভাৱে ৰাষ্ট্ৰৰ অৰ্থনীতিৰ অনিষ্ট কৰিব পাৰে। সেয়ে এতিয়াই ৰাজনৈতিক দলবোৰ আৰু জনসাধাৰণে এই বছৰৰ এপ্ৰিলত মৰক্কোৰ মাৰাকাশ চহৰত সম্পাদন হ'বলগীয়া দাসত্বৰ চুক্তিখনত (ডাংকেল প্ৰস্তাৱ) ভাৰতবৰ্ষক স্বাক্ষৰ কৰাৰ পৰা বিৰত ৰখাবলৈ উমৈহতীয়া প্ৰতিৰোধ প্ৰচেষ্টা চলোৱা অতীব প্ৰয়োজন।

(আলম নৈ লিখা হৈছে।)

xXx

এটা সৰু পোকে এডাল পুলি নাইবা গোটেই গছডালক ধ্বংস কৰাৰ দৰে এজন ঠেক মনোবৃত্তিৰ মানুহে এজন সৎ মনোবৃত্তিৰ মানুহক ধ্বংস কৰিব পাৰে। —সাঁইবাবা।





# ঃ কাঠফুলাৰ গুণাগুণ ঃ

শ্ৰীজ্ঞানদানন্দ নাথ
স্নাতক, তৃতীয় বৰ্ষ, (কলা)

যুগ পৰিৱৰ্ত্তনৰ লগে লগে মানুহৰ খাদ্য-সংস্কৃতিৰ পৰিৱৰ্ত্তন ঘটিছে। বৰ্দ্ধিত জনসংখ্যাৰ হেঁচাত মানৱ দেহৰ পুষ্টিৰ বাবে লাগতিয়াল প্ৰ'টিন, খাদ্যপ্ৰাণ আৰু মৌলযুক্ত খাদ্যৰ অভাৱ মানুহে বাৰুকৈয়ে অনুভৱ কৰিছে। অৱশ্যে আজিৰ বিজ্ঞানৰ যুগত মানুহে সুষম খাদ্যৰ সন্ধান নকৰাকৈ থকা নাই। তাৰেই ফলশ্ৰুতি হিচাপে মানুহৰ খাদ্যৰ তালিকাত নতুনকৈ সংযোজিত হৈছে কাঠফুলাৰ খাদ্য।

কাঠফুলা এবিধ প্ৰ'টিন সমৃদ্ধ সু-স্বাদু খাদ্য। মানৱ দেহৰ পৰিপুষ্টিৰ বাবে আৱশ্যকীয় প্ৰায়ভাগ উপাদান কাঠফুলাত পোৱা যায়। সেইবাবে কাঠফুলাৰ খাদ্য সকলো শ্ৰেণীৰ লোকৰ বাবে উৎকৃষ্ট ৰূপে পৰিগণিত হৈছে। পশ্চিমীয়া দেশবোৰত কাঠফুলাৰ খাদ্য অভাৱনীয়ভাৱে জনপ্ৰিয়। Constantine J. Alexopoulos আৰু Charles W. Mims-য়ে যুটীয়াভাৱে প্ৰণয়ন কৰা "Introductory Mycology" নামৰ গ্ৰন্থত কাঠফুলাৰ গুণাগুণ সম্পৰ্কে স্পষ্টভাৱে এনেদৰে কৈছে,—"Mushrooms compare favorably with many vegetables in protein content and are a fair to good source of some vitamins. Most people who eat mushrooms do so for their flavor, however, and need no other inducement. Judging from the growth of the mushroom cultivation industry, it would appear that there are more than just a few mushroom lovers in the United States."

উপযুক্ত প্ৰচাৰ আৰু উদ্যোগীলোকৰ অভাৱত আমাৰ অসমত কাঠফুলাৰ খাদ্যই সমাদাৰ লাভ কৰিব পৰা নাই। বৰ্ত্তমান যুগ আৰ্থিক সংকটৰ কাৰণে ভাতমুঠিৰ লগত পৰ্য্যাপ্ত পৰিমাণে মাছ, মাংস, গাখীৰ, কণী, ঘিউ, মাখন, শাক-পাচলি খোৱা পাতত নপৰে। ফলত খাদ্যপ্ৰাণ যুক্ত খাদ্য সম্ভাৰৰ পৰা প্ৰায়ভাগ লোক বঞ্চিত হৈছে। ইয়াৰ ফলস্বৰূপে অপুষ্টিজনিত ৰোগত

আক্ৰান্ত লোকৰ সংখ্যা নিতৌ বৃদ্ধি পাইছে। এনে পৰিস্থিতিত আমি কম আয়াসত আৰু কম খৰচত্তে কাঠফুলাৰ খেতি কৰি অৰ্থনৈতিক দিশত লাভবান হোৱাৰ লগতে কাঠফুলাৰ বিবিধ ব্যঞ্জনেৰে ভাতমুঠি খাই শৰীৰৰ পুষ্টি সাধন কৰিব পাৰোঁ।

কাৰণ কাঠফুলা এবিধ সুষম খাদ্য। খাদ্য তালিকা প্ৰস্তুত কৰোঁতে আমি সুষম আহাৰৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আমি নিশ্চিত হ'ব লাগে যাতে খোৱা খাদ্যত পৰ্য্যাপ্তভাৱে প্ৰ'টিন, খাদ্যপ্ৰাণ, আঁহযুক্ত খাদ্য আৰু কিছু পৰিমাণে মৌল থাকে। কাঠফুলাত উপৰোক্ত উপাদান সমূহ প্ৰচুৰ পৰিমাণে পোৱা যায়। কাঠফুলা আঁহযুক্ত খাদ্যৰবাবে নিয়মিত কাঠফুলাৰ খাদ্য খালে হৃদৰোগ, উচ্চ ৰক্তচাপ, কৰ্কট, বহুমূত্ৰ ৰোগাক্ৰান্ত লোক যথেষ্ট উপকৃত হ'ব পাৰে। শৰীৰত অত্যাধিক পৰিমাণে চৰ্বি বা স্নেহপদাৰ্থ জমা হ'লে চৰ্বিজনিত ৰোগ বা মেদবহুলতা (obesity) হয়। কাঠফুলাত চৰ্বি বা স্নেহপদাৰ্থ আৰু শৰ্কৰাৰ পৰিমাণ কম বাবে কাঠফুলাৰ খাদ্য ভক্ষণ কৰিলে চৰ্বিজনিত ৰোগ বা মেদবহুলতাৰ পৰা হাত সাৰিব পাৰি।

তলৰ তালিকাত কাঠফুলাত থকা খাদ্য-গুণ দেখুওৱা হৈছে— (প্ৰতি এশ গ্ৰামত)

| | পানী | প্ৰ'টিন | চৰ্বি | শ্বেতসাৰ |
|---|---|---|---|---|
| হোৱাইট বাটন (Agaricus bisporus) | 90·1 | 3·5 | 0·4 | 4·0 |
| পেডিষ্ট্ৰ (Volvariella Volvacca) | 88·6 | 3·8 | 0·7 | 5·1 |
| অয়ষ্টাৰ (Pleurotus Sajoncaju) | 88·0 | 4·7 | 0·2 | 0·28 |

বৰ্ত্তমানে বিশ্ব জুৰি কাঠফুলাৰ খাদ্য জনপ্ৰিয় হৈ পৰিছে। পশ্চিমীয়া দেশবোৰত কাঠফুলাৰ খাদ্যই মানুহক আকৰ্ষিত কৰিব পাৰিছে। ভাৰতৰ নগৰ-চহৰ, হোটেল-ৰেষ্টোৰাত কাঠফুলাৰ নানা তৰহৰ সোৱাদ লগা ব্যঞ্জন দিনে দিনে জনপ্ৰিয় হোৱা পৰিলক্ষিত হৈছে।

অৱশ্যে ভাৰতত কাঠফুলাৰ খাদ্য প্ৰচলন তেনে নতুন নহয়। ভাৰতত অতীজৰে পৰা কাঠফুলাৰ খাদ্যৰ প্ৰচলন আছিল। বেদত কাঠফুলাৰ খাদ্যৰ উল্লেখ আছে। উত্তৰ পূৰ্বাঞ্চল আৰু অসমতো মানুহে কাঠফুলাৰ খাদ্য বিবিধ জুতিৰে ব্যৱহাৰ কৰি আহিছে। বিশেষকৈ অসমৰ আদিবাসী জনজাতিসকলৰ মাজত অতীজৰে পৰা কাঠফুলাৰ খাদ্য জনপ্ৰিয়। অসমৰ পাহাৰ আৰু হাবি-বননিৰ পৰা বিভিন্ন ৰঙৰ, বিভিন্ন আকাৰ-প্ৰকাৰৰ কাঠফুলা অভিজ্ঞ জনজাতিৰ লোকে সংগ্ৰহ কৰে। জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে হাবি-বননিবোৰ হ্ৰাস পাই অহাত বনৰীয়া কাঠফুলা দুষ্প্ৰাপ্য হৈ পৰিছে।

এটা কথা মনত ৰখা ভাল যে যিকোনো কাঠফুলা খাদ্যৰ উপযোগী নহয়। পৰ্ব্বত-পাহাৰ, হাবি-বননিৰ মাজত গজা নানা তৰহৰ কাঠফুলাৰ বেছিভাগেই বিষাক্ত কাঠফুলা। কাঠফুলা সম্পৰ্কে ভাল জ্ঞান নাথাকিলে বনৰীয়া কাঠফুলা ব্যৱহাৰ নকৰাই শ্ৰেয়। অভিজ্ঞ লোকে সহজতে বিষাক্ত কাঠফুলা চিনাক্ত কৰিব পাৰে।



ৰং আৰু গঠন প্ৰণালীত বিষাক্ত কাঠফুলা চিনাক্ত কৰিব পাৰি। সাধাৰণতে বিষাক্ত কাঠফুলা বোৰ ৰঙীণ, গন্ধবিহীন, ঠাৰি দীঘল আৰু মোহাৰিলে গুৰি হয়। ( According to Miller (1972), poisonous species can easily be recognized since they all either bruise blue, have red mouths or both. Most boletes do, however, appear to be edible although some are bitter or acrid —Introductory Mycology ) আনহাতে, কিছুমান কাঠফুলা ইমান বিষাক্ত যে ইয়াক মৃত্যু-বান বুলি কলেও অত্যুক্তি কৰা নহয়। এই সন্দৰ্ভত H.C. Dube-য়ে তেওঁৰ "An Introduction to Fungi" নামৰ গ্ৰন্থত উল্লেখ কৰা কথা ফাঁকি প্ৰণিধানযোগ্য —"Amanita phalloides is extremely poisonous. A small quantity, say a teaspoonful, of the mushroom flesh is enough to cause most painful and lingering death, against which there is no antidote."

বৰ্ত্তমানে সমগ্ৰ বিশ্বতে কাঠফুলাৰ বৰ্দ্ধিত চাহিদালৈ লক্ষ্য কৰি আমি ব্যৱসায়িক ভিত্তিত বৈজ্ঞানিক পদ্ধতিত কাঠফুলাৰ উৎপাদন কৰিলে যথেষ্ট লাভবান হোৱাৰ থল আছে। জনসংখ্যা বৃদ্ধিৰ বাবে হাবি-বননিবোৰ সংকুচিত হোৱাত প্ৰকৃতিৰ বুকুৰ পৰা আহৰণ কৰা কাঠফুলাৰ উৎপাদন তেনেই সীমিত। তাৰোপৰি বনৰীয়া কাঠফুলাৰ মাজৰ পৰা ভক্ষণীয় কাঠফুলা চিনাক্তকৰণত অসুবিধা ; ইত্যাদি কাৰণত কাঠফুলাৰ কৃত্ৰিম উৎপাদন অৱশ্যাম্ভাৱী হৈ পৰিছে। কম খৰচ আৰু কম পৰিশ্ৰমতে কাঠফুলাৰ কৃত্ৰিম উৎপাদন কৰিব পাৰি।

কিয়নো কাঠফুলাৰ খেতিৰ বাবে অইন শস্যৰ দৰে বহল পথাৰৰ আৱশ্যকতা নাই। ঘৰৰ এটা সৰু কোঠালীতে বছৰৰ গোটেই দিন ধৰি কাঠফুলা উৎপাদন কৰিব পাৰি। কাঠফুলাৰ খেতি বতৰৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। বছৰৰ সকলো ঋতুতে কাঠফুলাৰ খেতি কৰিব পাৰি। বনৰীয়া কাঠফুলা সকলো সময়তে পোৱা নাযায় ; কিন্তু কৃষিজাত কাঠফুলা গ্ৰাহকৰ চাহিদা অনুপাতে যোগান ধৰিব পাৰি। কৃত্ৰিম খেতিৰ দ্বাৰা উৎপাদিত কাঠফুলা এশ শতাংশই খাদ্যোপযোগী, ই বিষাক্ত নহয়। অইন এটা সুবিধা হ'ল খেতিৰ দ্বাৰা কম ঠাইতে অধিক উৎপাদন পাব পাৰি। কাঠফুলাৰ খেতিৰ বাবে বহুমূলীয়া যান্ত্ৰিক আহিলাৰ আৱশ্যক নাই। কম মূলধনতে কাঠফুলাৰ খেতি কৰিব পাৰি আৰু খৰচৰ তুলনাত উৎপাদিত কাঠফুলাৰ পৰা কেইবাগুণো আয় কৰিব পাৰি।

কাঠফুলা পৰজীৱি উদ্ভিদ। ই পঁচা কাঠ, বাঁহ, ধান-খেৰ, কাঠৰ-গুৰি, তুঁহ আদিত গজি লহ-পহকৈ বাঢ়ি আহে। পৃথিৱীত প্ৰায় ২০০০ বিধ কাঠফুলাৰ প্ৰজাতি আছে।

ভাৰতত প্ৰধানকৈ তিনিবিধ খাদ্যোপযোগী কাঠফুলাৰ খেতি কৰা হয়। বগা বুটাম কাঠফুলা (white button mushroom), ধানখেৰ কাঠফুলা (paddy straw mushroom) আৰু শামুকীয়া কাঠফুলা (oyster mushroom)। অসমৰ জলবায়ু কাঠফুলাৰ খেতিৰ বাবে বেচ উপযোগী। সাধাৰণতে পেডিষ্ট্ৰ আৰু অয়ষ্টাৰ কাঠফুলাৰ বাবে ২০°-৩৫° চেলচিয়াচ উত্তাপৰ প্ৰয়োজন। অসমৰ জলবায়ুত বছৰৰ বেছি ভাগ সময়তে এই উত্তাপ বিদ্যমান। গতিকে উক্ত

ছুয়োবিধ কাঠফুলাৰ খেতি অসমত বৰ ভাল হয়।

কাঠফুলা এবিধ উৎকৃষ্ট পাচলি। সতেজ আৰু শুকান কাঠফুলা ছুয়োবিধ পাচলি হিচাপে ৰান্ধি খাব পাৰি। উল্লেখযোগ্য যে অইন পাচলি শুকালে খাদ্য গুণ নষ্ট হয়; কিন্তু কাঠফুলা শুকালেও তাৰ খাদ্য গুণ অটুট থাকে। সেই-বাবে কাঠফুলা শুকাই সযতনে সংৰক্ষণ কৰি দীৰ্ঘ দিন ধৰি ব্যৱহাৰ কৰিব পাৰি।

ৰুচি অনুযায়ী কাঠফুলাৰ বিভিন্ন ধৰণে খাদ্য প্ৰস্তুত কৰিব পাৰি। কোনো দিনে কাঠফুলা নোখোৱা লোকে এবাৰ কাঠফুলাৰ খাদ্য খালে তাৰ সোৱাদ বহু দিনলৈ পাহৰিব নোৱাৰে। বিশেষ যা-যোগাৰ বা মা-মছলাৰ আৱশ্যক নাই; সাধাৰণ যোগাৰ-পাতিৰেও সু-গৃহিনীৰ লখিমী হাতৰ পৰশত কাঠফুলাৰ বিবিধ ব্যঞ্জন হৈ পৰে অতি লোভনীয় আৰু সোৱাদ ভৰা।

—★—

# সাম্প্ৰদায়িকতা

## ॥ ভাৰতবৰ্ষৰ সংহতিৰ এক প্ৰত্যাহ্বান ॥

**শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্মা**
গ্ৰন্থাগাৰিক, গ্ৰন্থাগাৰ বিভাগ

**স্বা**ধীন ভাৰতৰ নাগৰিকসকলে ভাৰতবৰ্ষ বৃটিচৰ কবলৰ পৰা মুক্ত হোৱাৰ লগে লগে সাম্প্ৰদায়িকতাৰ বীভৎস ৰূপ দেখিবলৈ পাইছিল। দেশৰ সাধাৰণ মানুহৰ জীৱনক এই সাম্প্ৰদায়ি-কতাৰ হিংস্ৰ প্ৰকাশে বৰকৈ বিপৰ্যস্ত কৰিছিল।

সাম্প্ৰদায়িকতাই ভাৰতত এদিন ভয়ংকৰ আৰু কদাকাৰ ৰূপ ল'ব পাৰে, তাৰ বাবে আমি এতিয়াৰ পৰাই সাৱধান হ'বৰ সময় আহি পৰিছে। সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে কৰা যুঁজ কেতিয়াও ধৰ্মৰ বিৰুদ্ধে কৰা যুঁজ হ'ব নোৱাৰে। সমাজৰ নিষ্ঠাৱান আৰু ধাৰ্মিক লোকসকল সাম্প্ৰদায়িক মনোবৃত্তিৰ হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে ভাৰতৰ স্বাধীনতা যুদ্ধৰ সময়ত মুছলিম লীগে ভাৰতৰ সমগ্ৰ মুছলমান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰা নাছিল, সেই সময়ত এক শ্ৰেণী ধনী অভিজাত শ্ৰেণীৰ লোকেহে মুছলিম লীগৰ পৃষ্ঠপোষকতা কৰিছিল। পশ্চিমীয়া শিক্ষাৰে শিক্ষিত মঃ জিন্না আদি কৰি কেইজনমান লোকেহে ইয়াৰ নেতৃত্ব দিছিল। সেইবাবেই মুছলমান সম্প্ৰদায়ৰ উদাৰ আৰু জাতীয়তাবাদী উলেমাসকলে সেই সময়ত মুছলিম লীগৰ কাম-কাজৰ বিৰোধিতা কৰিছিল। এক সময়ৰ কংগ্ৰেছ সভাপতি আব্দুল কালাম আজাদ, মৌলানা হুছেইন আহমেদ মাদানি আদিৰ দৰে আন্তৰ্জাতিক খ্যাতিসম্পন্ন ইছলামীয় বিদগ্ধ পণ্ডিত সকলে পাকিস্থানৰ জন্মক ইছলাম বিৰোধী বুলি গণ্য কৰিছিল।

এইদৰে একে কথাই হিন্দুসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। হিন্দু সাম্প্ৰদায়িকতাবাদী সকলৰ কোনেও সৰ্বসাধাৰণ দৰিদ্ৰ হিন্দু মানুহৰ জীৱনলৈ চিন্তিত নহয়। কিছুমান মানুহৰ বাবে অযোধ্যাৰ বিতৰ্কিত ৰাম জনম ভূমিত মন্দিৰ স্থাপন কৰা-টোহে মুখ্য বিষয় হৈ পৰিছে। দেশৰ অৰ্থনীতি মূল্যবৃদ্ধি অথবা নিবনুৱা সমস্যা এওঁলোকৰ চিন্তাৰ প্ৰধান বিষয় নহয়।

ধৰ্ম্ম আৰু সাম্প্ৰদায়িকতাৰ মাজত পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। এজন প্ৰকৃতাৰ্থত ধাৰ্মিক মানুহ কেতিয়াও সঙ্কীৰ্ণ মনৰ বা সাম্প্ৰদায়িক হ'ব নোৱাৰে। আনহাতে এজন সাম্প্ৰদায়িক লোক কেতিয়াও ধাৰ্মিক হ'ব নোৱাৰে।

বৰ্ত্তমান ভাৰতবৰ্ষত একশ্ৰেণী মানুহ অতি ধাৰ্মিক হৈ পৰিছে। সম্প্ৰদায়ত এই লোকসকল হিন্দু, মুছলমান বা খৃষ্টান যিয়ে নহওঁক, এই সকল লোকে বাহ্যিক ভাৱে ধাৰ্মিক বুলি দেখুৱাব খোজে। নিজ নিজ সম্প্ৰদায়ৰ আধিপত্য বিস্তাৰ কৰাই এওঁলোকৰ উদ্দেশ্য। মধ্যযুগৰ মানুহবোৰ আছিল অন্ধবিশ্বাসী, ধৰ্ম্মভীৰু আৰু ৰক্ষণশীল আনহাতে বিংশ শতিকাৰ মানুহবোৰ হ'ল আধুনিক আৰু শিক্ষিত; কিন্তু প্ৰকৃতাৰ্থত এই আধুনিক শিক্ষাৰে শিক্ষিত ব্যক্তি সকল অধিক অসহিষ্ণু আৰু সঙ্কীৰ্ণ মনৰ। সূক্ষ্মভাবে পৰ্য্যবেক্ষণ কৰিলে অনুভৱ কৰিব পৰা যাব যে ধৰ্ম্মৰ বাবে এই অসহিষ্ণুতা বঢ়া নাই। ধৰ্ম আৰু সাম্প্ৰদায়িকতাৰ মাজৰ পাৰ্থক্যখিনি আমি মানি চলিব পৰা নাই বাবেই সাম্প্ৰদায়িকতা বৃদ্ধি পাইছে। প্ৰকৃততে সাম্প্ৰ-দায়িকতাইহে মানুহক অসহিষ্ণু কৰি তোলে, ধৰ্ম্মই নহয়।

এক সময়ৰ ভাৰতৰ অংগ ৰাজ্য পাকিস্থান বা বাংলাদেশ ইছলামিক ৰাষ্ট্ৰ হোৱা বাবে ভাৰত-বৰ্ষ হিন্দুৰাষ্ট্ৰ হ'ব লাগে বুলি প্ৰচাৰ চলোৱাটো দেশৰ ঐক্য সংহতিৰ বাবে ক্ষতিকাৰক হ'ব। পাকিস্থান বা বাংলাদেশ আদি ৰাষ্ট্ৰত শাসক-গোষ্ঠীসমূহে দেশৰ জনসাধাৰণক অন্ন বস্ত্ৰৰ সং-স্থাপন দিব নোৱাৰি ধৰ্ম্মৰ দোহাই দি দেশত নিজৰ নিজৰ গাদী ৰক্ষা কৰিবলৈ চেষ্টা চলাইছে। অকল ধৰ্ম্মই —জনসাধাৰণক একতাৰে বান্ধি ৰাখিব নোৱাৰে। বাংলাদেশৰ সৃষ্টিয়ে ইয়াৰ জলন্ত উদাহৰণ। অকল ভাষা-সংস্কৃতিৰে দেশৰ জনগণক এক কৰি ৰাখিবপৰা নাযায়। পাকি-স্থানত বৰ্ত্তমান হৈ থকা গোষ্ঠীগত সংঘৰ্ষসমূহে ইয়াৰ প্ৰমাণ। দেশৰ অৰ্থ নীতি উন্নত কৰিব নোৱাৰিলে, যুৱকসকলক কৰ্ম্মসংস্থান দিব নোৱা-ৰিলে ৰাষ্ট্ৰ এখনক অকল ধৰ্ম্ম বা ভাষা-সংস্কৃতিৰ দ্বাৰাই আগবঢ়াই নিবপৰা নাযায়। কোনো কোনোৱে ধৰ্ম্মৰ নামত সাম্প্ৰদায়িকতাৰ নীতি প্ৰচাৰ কৰি জনগণৰ বিপ্লৱী চেতনাক বিভ্ৰান্ত কৰিবলৈ চেষ্টা চলাব পাৰে; কিন্তু তাৰ দ্বাৰা জনগণক চিৰকাল সন্তুষ্ট কৰি ৰাখিব নোৱাৰিব।

ভাৰতবাসীৰ নিজস্ব জীৱনধাৰা আছে, স্বাধীন বিচাৰ বুদ্ধি আছে। গতিকে ভাৰতবৰ্ষৰ মহান ঐতিহ্যৰ প্ৰতি সন্মান জনাই আজি এখন উন্নত আৰু শক্তিশালী ভাৰতবৰ্ষ গঢ়িবলৈ আগ-বাঢ়ি আহিব লাগে।

ভাৰতবৰ্ষ এখন ধৰ্ম্মনিৰপেক্ষ ৰাষ্ট্ৰ। পাকি-স্থান বা বাংলাদেশক আমি ইছলামিক ৰাষ্ট্ৰ বুলি

জানো ; কিন্তু সাম্প্ৰতিক কিছুমান ঘটনাৰ পৰা এইটো দেখা যায় যে ভাৰতবৰ্ষই ইয়াৰ ধৰ্ম্ম নিৰপেক্ষতা ৰাখিব পৰা নাই। ধৰ্ম্ম নিৰপেক্ষ ৰাষ্ট্ৰ ভাৰতবৰ্ষত বাবৰি মছজিদ ভঙা আৰু পৰবৰ্তী কালত বিভিন্ন ঠাইত মন্দিৰ ভঙা কাৰ্য্য লগতে অন্যান্য হিংসাত্মক কাৰ্য্যও সংঘটিত হৈছিল। কিছুমান ব্যক্তিয়ে নিজৰ অথবা দলৰ ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰিবলৈ মিছা সংবাদ প্ৰচাৰ কৰিও এই হিংসাত্মক কাৰ্য্যত অৰিহণা যোগাইছিল।

> ধৰ্ম আৰু সাম্প্ৰদায়িকতাৰ মাজত পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। এজন প্ৰকৃতাৰ্থত ধাৰ্মিক মানুহ কেতিয়াও সঙ্কীৰ্ণ মনৰ বা সাম্প্ৰদায়িক হ'ব নোৱাৰে। আনহাতে এজন সাম্প্ৰদায়িকলোক কেতিয়াও ধাৰ্মিক হ'ব নোৱাৰে।

পৃথিৱীৰ বিভিন্ন দেশত ধৰ্ম নিৰপেক্ষতাৰ সংজ্ঞা বেলেগ বেলেগ। পশ্চিমীয়া দেশসমূহতো ইয়াৰ সৰ্বসন্মত সংজ্ঞা নাই। আমেৰিকাত ধৰ্ম্মনিৰপেক্ষতাৰ অৰ্থ ধৰ্ম আৰু ৰাষ্ট্ৰৰ মাজত এখন প্ৰাচীৰ। অথচ ডলাৰত ভগৱানৰ প্ৰতীক খোদিত আছে। আমেৰিকাত সংসদৰ কাম কাজ বাইবেলৰ আবৃত্তিৰে আৰম্ভ হয়। ফ্ৰান্সত ধৰ্মৰ ৰাষ্ট্ৰৰ লগত কোনো সম্পৰ্ক নাই। শিক্ষা ব্যৱস্থা হল ধৰ্ম্মনিৰপেক্ষ। একমাত্ৰ গীৰ্জাৰ বিদ্যালয়বোৰৰ বাহিৰে অন্যান্য বিদ্যালয়বোৰত ধৰ্ম্মৰ শিক্ষা ব্যৱস্থা নাই। ইংলেণ্ডত সামাজিক জীৱনত ধৰ্ম্মৰ কোনো ভূমিকা নাই। ধৰ্ম্ম মানুহৰ ব্যক্তিগত পৰ্য্যায়তে সীমাবদ্ধ। আনহাতে আমাৰ দেশত কোনো ৰাষ্ট্ৰীয় ধৰ্ম্ম নাই অথচ নাগৰিক জীৱনত ধৰ্ম্মৰ প্ৰভাৱ সৰ্বজনবিদিত আৰু সৰ্ব্বত্ৰ বিদ্যমান।

আমাৰ দেশখন এখন ধৰ্ম্মনিৰপেক্ষ ৰাষ্ট্ৰ কৰি ৰাখিবলৈ হ'লে প্ৰতিজন নাগৰিকে কিছু ত্যাগ স্বীকাৰ কৰিব লাগিব। সাম্প্ৰদায়িক আৰু মৌলবাদী শক্তিসমূহক প্ৰতিহত কৰিবলৈ আমি অহৰহ চেষ্টা কৰিব লাগিব। পাকিস্থান বা বাংলাদেশৰ সাম্প্ৰদায়িকতা, বিৰোধী, মৌলবাদ বিৰোধী শক্তিসমূহ যাতে শক্তিশালী হৈ উঠিব পাৰে তালৈ মনোনিৱেশ কৰিব লাগিব। ভাৰতবৰ্ষত বাবৰি মছজিদ ভঙা কাৰ্য্যক গৰিহণা লগতে বাংলাদেশত মন্দিৰ ভঙা (ভাৰততো দুই এঠাইত) কাৰ্য্যক মুক্তভাৱে গৰিহণা দিব পাৰিব লাগিব।

আমি হিন্দু বা মুছলমান যি সম্প্ৰদায়ৰে নহও, আমি সকলো ভাৰতবাসীয়ে সাম্প্ৰদায়িকতাৰ ক্ৰমৱৰ্দ্ধমান বিপদৰ পৰা সাৱধান হৈ থকা উচিত। বৰ্ত্তমান ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক শক্তি সমূহক শক্তিশালী কৰি ল'ব পাৰিলে ভাৰতবাসীৰ মাজত ঐক্য আৰু সংহতি বৃদ্ধি হব। এখন সমৃদ্ধিশালী আৰু শক্তিশালী ভাৰতবৰ্ষ গঢ়ি তুলিবলৈ হ'লে ভাৰতৰ বিভিন্ন ধৰ্মীয় আৰু ভাষিক গোষ্ঠী সমূহৰ মাজত ঐক্য আৰু সংহতিৰ ডোল দাল কটকটীয়া হব লাগিব। আনদেশৰ কু-কৰ্ম সমূহৰ প্ৰতি প্ৰতিহিংসাৰ ভাৱ লৈ আমাৰ ভাৰতৰ ঐতিহ্য সমূহ ধ্বংস হ'বলৈ নিদিয়াটোৱে হ'ব লাগিব আমাৰ কাম্য।

★★

শিক্ষা. একতা, ভাতৃত্ব, সাম্যবাদ আৰু স্বাক্ষৰতাই একমাত্ৰ উন্নতিৰ পথ। মানুহৰ জাতিগত, সম্প্ৰদায়গত কোনো প্ৰভেদ নাই। গণতন্ত্ৰ, সাম্যবাদ আৰু ভাতৃত্বই মূলমন্ত্ৰ।

**—হজৰত মহম্মদ**





## মোৰ প্ৰেম

আব্দুল বাছেত
স্নাতক, ২য় বৰ্ষ (কলা)

তুমি যদি ভাবিছা : মই তোমাৰ প্ৰেমত পৰিছোঁ !
তুমি যদি ভাবিছা : মই তোমাক ভাল পাইছোঁ !!
তেনেহ'লে তুমি সঁচাই ভুল কৰিছা।
তুমি যদি ভাবিছা : মই তোমাক লৈ কবিতা ৰচিছোঁ !
তুমি যদি ভাবিছা : মই তোমাৰ বাবে গান গাইছো !!
তেনেহ'লে তুমি অলীক-সপোন দেখিছা।
মোৰ প্ৰেম তোমাৰ স'তে নহয়।
মোৰ প্ৰেম আদৰ্শৰ স'তে ॥
যি আদৰ্শত নিহিত হৈ থাকে
সত্য, সাম্য আৰু পৱিত্ৰতা !
এয়া মোৰ নিষ্কলুষ প্ৰেম।
মই ভাল পাওঁ তেওঁলোকক
যি সকলে বিচাৰে
শ্ৰমজীৱী মানুহৰ মুক্তি।
শ্ৰেণীহীন সমাজ গঢ়াৰ নৱ প্ৰস্তুতি।
বিচাৰে সমাজবাদ আৰু সাম্যবাদ।
যি সকলে বিচাৰে
বিপ্লৱৰ আকাশত উদয় হোৱা
চিৰ জ্যোতিষ্মান "ৰঙা-সূৰ্য্য"
মোৰ কবিতা তোমালৈ নহয়
মোৰ গান তোমাৰ বাবে নহয়।
মোৰ কবিতা আৰু গান
শোষিত, নিষ্পেষিত, দলিত, ঘৃণিত
সৰ্ব্বহাৰা জনতাৰ বাবে।
মোৰ কবিতাত আছে
নৱ প্ৰভাতৰ ৰণচালি আৰু
মৃত্যুঞ্জয়ী বিপ্লৱৰ ধুমুহা।
মোৰ গানত আছে—
সীমাহীন যাত্ৰাৰ বাটৰ আমেজৰ
ঋতুমতী গাভৰুৰ সুৰ।
তুমি মাথোন মোৰ
প্ৰেৰণাৰ প্ৰৱাহিত এক ফল্গুধাৰা ॥

★★

# সিহঁত জীয়াই থাকিব বিচাৰে

সৌৰা সিহঁত দেখোন — ভাগৰি পৰিল,
দেহৰ প্ৰতিটো অংগ গুলী বিদ্ধ আৰু ক্ষত-বিক্ষত।
তথাপিও ৰক্তাক্ত দেহেৰে সিহঁতে যুঁজি আছে।
মন্ত্ৰ মাথো— 'ধৈৰ্য্য, সাহস আৰু ন্যায়।'
ন্যায্য প্ৰাপ্তি আৰু জাতীয় মুক্তিৰ প্ৰতীক্ষাত
আজি উন্মুক্ত সিহঁতৰ অস্ত্ৰ।
সূৰ্য্যটোক বিষাক্ত ক'লা মেঘে আবৰি ধৰিছে।
লাহে লাহে গুহাটোত আন্ধাৰ নামি আহিল।
ক'লা ছাঁবোৰ লগে লগে আগুৱাইছে
আন্ধাৰ ছাঁবোৰ সিহঁতৰ বৰ প্ৰিয়, সিবোৰ যে—
মুখা পিন্ধা একো একোটা কদাকাৰ দৈত্য।
ফেঁচাৰ 'নি-উ' 'নি-উ' শব্দৰ লহৰত
মৃত্যু নিচানবোৰ উৰিয়েই আছে।
প্ৰতিক্ষণে নিৰ্জন অনিশ্চিয়তাৰ ধ্বনি।
তথাপিও নিৰ্ভীক নব্য প্ৰজন্মই
বীৰদৰ্পে দুৱাৰ দলিত যুঁজ দি আছে।
আশা মাথোন—
অদূৰ ভূতত লুপ্তপ্ৰায় জাতি সত্বাৰ মুক্তি।
উপনিবেশৰ কৰাল গ্ৰাসত
সিহঁত আজি জৰ্জৰিত।
বিংশ শতিকাৰ সভ্য সমাজত
সিহঁত— দুৰ্বলী, ঘৃণিত।
"মানৱ অধিকাৰ"ৰ স্বৰ্ত্তত
সিহঁতে জীয়াই থাকিব বিচাৰে।
বুৰঞ্জীখনৰ খাতিৰত আকৌ
সিহঁত জীয়াই থাকিবই লাগিব।
নব্য উপনিবেশিকতাৰ 'অক্টোপাছে'
গুহাৰ আন্ধাৰৰ সুযোগ লৈ, সিহঁতৰ—
অন্ন, বস্ত্ৰ আৰু বাসস্থান হৰিছে,
সেয়ে সিহঁত এতিয়া—
ভোকাতুৰ, নঙঠা আৰু অঘৰী।
সৌৰা, সিহঁতে দেখোন আৰ্তনাদ কৰিছে,
আৰ্তনাদৰ ধ্বনিয়ে প্ৰতিধ্বনি তুলিছে—
"আ মি জী য়া ই থা কি ম।"
সূৰ্য্যৰ কিৰণৰ অভাৱত সিহঁতৰ
দেহবোৰে জীয়াতু ভোগিছে।
মুক্ত অক্সিজেনৰ অভাৱত, সিহঁতৰ
হাওঁ-ফাওঁৰ স্পন্দন তীব্ৰতৰ হৈ আহিছে।
কিন্তু এতিয়াও সিহঁত জীৱিত,
সূৰুযৰ ন কিৰণ গাত লগাই
মুক্ত সমাজৰ, মুক্ত অক্সিজেন
সেৱন কৰি—
সিহঁত জীয়াই থাকিব বিচাৰে।

**শ্ৰীসঞ্জয় কুমাৰ নাথ**
স্নাতক, ২য় বৰ্ষ (কলা)

# ৰবাঁদেচিলা

**শ্ৰীহীৰা মণি দেৱী**
স্নাতক ২য় বৰ্ষ (কলা)

তাইৰ প্ৰত্যাগমনত
দুঃ স্বপ্ন ভাগিল
সপোন আলোক ৰঙীন
আভা উদ্ভাষিত হ'ল।
দিগন্ত.... .... ....।
ওঁঠত তোমাৰ মিচিকিয়া হাঁহি
ভিতৰত জ্বলিছে মুকুতাৰ শাৰী
কঁকালত অলকা টঙালি
দেৱী নে মানৱী কোৱাহে ৰূপহী
আঁতৰি যাব মনৰ ভ্ৰান্তি।
আহা! কি অপৰূপ ৰূপৰ মাধুৰী
নিমিষতে হায় এৰি গ'লা
অকলশৰীয়া কৰি
বাট পথ যে নাপাওঁ বিচাৰি
অন্ধকাৰে পেলালে আৱৰি
দেখোঁ মাথো শূন্য উদাস মৰুভূমি।

# -দগ্ধ হিয়াৰ জুই-

কবীন্দ্ৰ নাথ ডেকা
স্নাতক, ১ম বৰ্ষ (কলা)

বুকুত উত্তাপ্ত একুৰা জুই
কাৰ বাবে ?
কিহৰ বাবে ?
কোনে ক'ব পাৰে
এইকুৰা মন জুয়ে
জ্বলাব পাৰে জনগণ...........।
আইৰ হিয়াৰ নিস্তেজ স্পন্দন
আৰু সেমেকা চকুহালে
দুগুণ সাহসেৰে জ্বলিছে আজি
কোনে ক'ব পাৰে
এয়াই নেকি মাতৃৰ ক্ষোভ ?
আইৰ কলিজাটো আজি
পুৰি শেষ হোৱা আঙঠাৰ দৰে
মাথো এটুকুৰা এঙাৰ ।
দগ্ধ হিয়াৰ মাজত থকা
কোমলতাখিনিক
আকৌ সাহসেৰে
প্ৰতিষ্ঠা কৰিব লাগিব আমি
দুগুণ উৎসাহেৰে
নৱ-প্ৰজন্মৰ ন-প্ৰভাতত ।

★★

# ঃকবিৰ চকুলো আৰু মইঃ

সঞ্জীৱ দেৱান
স্নাতক, তৃতীয় বৰ্ষ (কলা)

এটি নিৰিবিলি জোনাক ৰাতি
কবিৰ স'তে মই
কথা পাতিছোঁ,
নিয়ৰ কণিকাবোৰৰ মাজত
আৰু হাড় কপোৱা জাৰত ।
কবিৰ সেমেকা নয়ন দুটিলৈ
বহু সময় চাইছোঁ
এটি শিলালিপিৰ দৰে
আৰু মইও বহু ভাৰত তন্ময় ।
মোৰ গাটোত শিহৰণ জাগিছে
কবিৰ নয়ন যুৰিলৈ চায় ।
য'ত আছে সৰ্বহাৰাৰ
করুণ বিননি
আৰু ভণ্ড সমাজৰ
তাণ্ডৱ লীলা ।

★★



# ঘৃণিত প্ৰতিভূ

শ্ৰীপ্ৰতিভা ডেকা
স্নাতক, তৃতীয় বৰ্ষ ( কলা )

ফুট পাথৰ—
অৰ্ধাবৃতা গাভৰুৰ ওপৰত
সমাজৰ অশ্লীল ইঙ্গিত
ৰাস্তাৰ দাঁতিত—
প্ৰসৱ যন্ত্ৰনাত চট্‌ফটাই থকা
মাতৃৰ করুণ চাৱনি ।
তেওঁৰ চিন্তা—
তেওঁ যাক এইমাত্ৰ জন্ম দিব
সি পুষ্টিহীনতা, ৰোগগ্ৰস্ত ;
নাইবা বিকলাঙ্গ—
হয়তো মৃতও হ'ব পাৰে
পিতৃ পৰিচয় হয়তো
কোনো দিনে নাপাব সি ।
তাক সমাজে হাঁহিব ।
সি কাৰ ঔৰসজাত সন্তান
তাৰ বিচাৰ কোনেও নকৰিব ।
মাত্ৰ—
সমাজৰ চকুত
সি হ'ব এটা
লাঞ্চিত, বঞ্চিত
আৰু ঘৃণিত প্ৰতিভূ ।
তাৰ একমাত্ৰ—
পৰিচয় হ'ব
সমাজৰ নৈতিক স্খলনৰ
এক জীৱন্ত-সাক্ষী ।

★

# ঃ অপেক্ষাৰত ঃ

পাৰবীন অনিমা চৌধুৰী
স্নাতক, ১ম বৰ্ষ ( কলা )

সৌ আঁহতৰ তলত
তোমাক অপেক্ষা
কৰিছোঁ কত দিন ।
পৃথিৱী আগুৰি প্ৰৱাহিত শোকৰ বন্যাত
উটি গ'লা তুমি
সোঁতৰ লহৰে লহৰে ।
বুকু পোৰে মন বিষায়,
তথাপিতো মোৰ হেঁপাহ প্ৰবল হয়
সমসাময়িক চিন্তাৰ ধূসৰ
চামনি ভেদি,
আন্ধাৰৰ আভৰণ ফালি
তোমাৰ হৃদয়ক আঁকোৱালি লোৱাৰ । ★

# -দৰ্শনৰ কথাৰে-

**শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা**
মূৰব্বী অধ্যাপক, দৰ্শন বিভাগ

পূৰ্ণতা বিচৰা জীৱনত
পাওঁ মাত্ৰ শূন্যতা
শূন্যবাদী দৰ্শনেও কয়
জীৱন-জগতৰ শূন্যতা
সত্যতা কেৱল অসাৰতা
জীৱনৰ অৱসাদ ক্লান্তিত
জমা-খৰছৰ হিচাব
মৃত্যুত কেৱল শূন্যতা
তথাপি আশাবাদী মন কিয় ?
ই যে জগত-জীৱনৰ "ভৱ-চক্ৰ"ৰ
অপূৰ্ব লীলা ।
দুখ চিৰ সত্য
শিকিলোঁ বুদ্ধ-দৰ্শনত
সুখ চিৰ কাম্য
বুজিলোঁ চাৰ্ব্বাক দৰ্শনত ।
ন্যায় দৰ্শনে শিকালে যুক্তি নিষ্ঠতা
বৈষয়িকে পদাৰ্থৰ কথা
যোগে কলে ধ্যানেৰেহে ঈশ্বৰক পায়

সাংখ্যই দেখালে পুৰুষ-প্ৰকৃতিৰ সমন্বয়ত
স্থষ্টি-তত্ত্বৰ লীলা-মায়া ।
জৈন দৰ্শনে কলে
সত্যৰ আপেক্ষিকতা
মীমাংসাই ঈশ্বৰৰ মহিমা
বেদান্তই কলে
"ব্ৰহ্মা সত্য জগত মিথ্যা ।"
বস্তুবাদী চিন্তাৰ নিদৰ্শন—
বুদ্ধ, জৈন আৰু চাৰ্ব্বাকদৰ্শন
আৰু ষড়দৰ্শন ?
আধ্যাত্মিক চিন্তাৰ সমল ।
এইবোৰ পঢ়ি-শুনি অবিদ্যা আঁতৰাও
অস্থায়ী জীৱনত স্থায়িত্ব বিচাৰোঁ ।
যিমানেই আগবাঢ়োঁ
কৌতূহল বাঢ়িহে যায়,
ঈশ্বৰক কিন্তু সাক্ষাতত আজিও পোৱা নাই
কিন্তু পোৱাৰ আশাও মানৱে এৰা নাই ।

★★



# পৰিৱৰ্ত্তন বিচাৰি—

**শ্ৰীদ্বীপেন ডেকা**
স্নাতক, ৩য় বৰ্ষ (কলা)

" None of one can bring for you
The slightest glory of Expectation ;
You have to seek more—
You have to need more—
That can give, only a Revolution."

আমাৰ স্মৰণিকাত এতিয়া আমি সজোৱা
ধ্ৰুপদী সংগীতবোৰ মৰহিছে ।
তাহানি দিনতে শুনা ফুলকোঁৱৰৰ পখীঘোঁৰাৰ
চিনাকি জুনুকাৰ শব্দ
এতিয়া বাজে-অচিনাকি জিপ্ চিখনত ।
সময়ে কৈ যায় —
" সেই দিন আৰু নাই । "
কাঞ্চনমতীৰ সপোন বোলোৱা মণিকোঁৱৰৰ সাধুত
পিস্তলধাৰী সৈনিকৰ ব্যাখ্যা শুনিবলৈ—
কিছু সুবিধা আৰু অহমিকাৰ বাবদ
নিজস্বতা পাহৰি দালালি কৰিবলৈ—
আৰু—
আইৰ প্ৰীতিভৰা আশীষৰ শেষ শব্দটিও মচি
পংকিল পথবোৰৰ স্বাধীন বেপাৰী হ'বলৈ—
আমাৰ দেশৰ প্ৰতিটো নৱজাতকক
আমি শিকাওঁ আহা ।
তেজৰ ফুলেৰে অগ্নিস্নান কৰা
মোৰ দেশৰ প্ৰতিজন সংগ্ৰামী সৈনিক,
তোমালোকে জনা উচিত—
"নীৰৱতাৰেই অন্য এটা নাম কাপুৰুষালি ।"
জাতবিহীন দালালৰ দলবোৰ
আৰু মস্তিষ্কবিহীন নীলা শিয়ালবোৰ—
তোমালোকৰ ' অশ্বমেধ'ৰ আহুতি হওঁক ।

★★

# স
# সময়
# য়

**শ্ৰীদীপক কুমাৰ কলিতা**
স্নাতক, ২য় বৰ্ষ (কলা)

সময় মহান !
সময়েই স্মৃতি,
সময়েই বিস্মৃতি ;
ল'ৰালি, যৌৱন আৰু বৃদ্ধকাৰ
কাণসমনীয়া এই সময় ।
সময় জন্ম আৰু মৃত্যুৰ সাক্ষী,
সময় হাজাৰ হাজাৰ
প্ৰজন্মৰ সাক্ষী ।
সময়ৰ বুকু গছকি
অথবা সময়ৰ হৃদয় আঁকোৱালি
বিশ্বৰ গতি দৃশ্যমান !
সময়ে জানে সহস্ৰ ঘটনা,
পৰিঘটনাৰ এক স্বচ্ছ ইতিহাস,
সচাঁ-মিছাৰ চানেকি ।
সময়ে-জানে সৃষ্টিৰ আদিপাঠ,
সৰু বৰৰ সমীক্ষা ।
সেয়েহে সময় অনিবাৰ্য্য,
অপৰিহাৰ্য্য — — ॥

# ঃ চোতালত ঃ মানুহৰ সভা



শ্ৰীভাগ্য ডেকা
স্নাতক, ১ম বৰ্ষ (কলা)

আছেনে মানুহ ইয়াত ?
ক'ত হেৰাল মানুহ ?
নিশ্বাসত অতি ক্লান্ত সময়
আলি-দোমোজাত মোৰ বিশ্বাস আৰু সংশয় ।

সময় এতিয়া বধিৰ নে প্ৰাণৱন্ত ?
কেঁচা তেজৰ নে পচা মঙহ খেদি
আকাশত শগুনৰ জাক
বগলীৰ আকাল ।

দেখা নাই বহুদিন নীড়মুখী বিহঙ্গ
নাহে এইফালে মৰণ ধেমালি দেখি
প্ৰতি নিয়ত মৃত্যু বাহী খবৰৰ চমক ।

এই যে আছিল হাঁহি যোৱা কালি আবেলি
তাই এতিয়া নাই । চোতালত তাইৰ মৃতদেহৰ সুবাস ।
মই কন্দা নাই, নাকান্দে কোনেও এতিয়া ইয়াত
আৱেগ এতিয়া শৰ-শয্যাত ।

তথাপিও আহিল ব'হাগ, যেন এটি শিহৰণ
হওঁক দিয়া এনেকৈয়ে থাকক, উথলি উঠক
জানোচা বিচাৰি পাওঁ মানুহ
প্ৰসাধন ওঁঠত ঘঁহি নাচক-নাচনী
বিহুৱাই কঁপাই তোলক ঢোলত ছেওদি
ঘাতকৰ নিঠুৰ হৃদয় ।

আৱেগ আমাৰ হওঁক হৃদয় গঢ়াৰ
জনপদ, পথাৰ-সমৰত লগ পাব খোজো
আচল মানুহ, মনৰ মানুহ ।
এনেকৈয়ে আমি ব'হাগৰ বতৰত মানুহ বিচাৰি
মানুহৰ সভা পাতো আহা চোতালে চোতালে ।



# আত্মসমৰ্পণ

শ্ৰীপৰেশ চন্দ্ৰ নাথ
স্নাতক, তৃতীয় বৰ্ষ [কলা]

টক টক টক টক..................

—"কোন ?"

—'উঠকচোন, প্লিজ...সোনকালেই........'

অনিতাই কেৰেকৰকৈ দৰজাখনৰ হুকটো খুলি দিলে আৰু তেজেৰে লুতুৰি পুতুৰি ডেকাজনক কমৰ ভিতৰলৈ সোমাই অহা দেখি তুখোজ পিছুৱাই আহিল । "মোক অলপ সময় জিৰাবলৈ দিবনে ? বাহিৰত সৈন বাহিনীৰ লোকে মোক বিচাৰি ফুৰিছে । প্লিজ, দৰজাখন বন্ধ কৰক-চোন........" অনিতা বৰ নম্ৰ আৰু শিক্ষিত সচেতন ছোৱালী । তাই এটি যন্ত্ৰৰ দৰে কোনো প্ৰশ্ন নকৰি দৰজাখন বন্ধ কৰি দিলে । আহত ডেকাজনক নিজৰ বিচনাত শুৱাই থৈ তাইৰ যৌৱনভৰা বুকু ঢাকি ৰখা গামোচাখন বুকুৰ পৰা নি ডেকাজনৰ গুলী লগা ঠাইত সযতনে বান্ধি দিলে । কিছুসময়ৰ পিছত তাই এগিলাচ পানী ডেকাজনলৈ আগবঢ়াই লাহেকৈ সুধিলে,— "আপোনাৰ পৰিচয় ?" "মোৰ নাম ৰঞ্জন । মই 'Assam Peoples' Court' বাহিনীৰ এজন সদস্য ।' বচ সেয়াই হোৱাটো বিচাৰিছিল অনিতাই । তাই প্ৰথমতেই ভাবি লৈছিল যে ডেকাজন এ, পি, চি, দলৰেই হ'ব । "মই আপোনাক চিৰদিন মনত ৰাখিম- এই উপকাৰৰ বাবে আপোনাৰ পৰিচয়টোও........।" অনিতাই যুৱকজনৰ কথা শেষ নৌহওঁতেই বৰ আগ্ৰহেৰে কলে,—"মোৰ নাম অনিতা । অসমৰ আগশাৰীৰ পুলিচ বিষয়া ডি, আই, জি, পবিত্ৰ বৰ্মণৰ সৰু ভনী । এয়া মোৰেই ঘৰ, মই........" অনিতাৰ কথা শেষ নৌহওঁতেই ৰঞ্জনে ধপহকৈ বিচনাত বহি পৰিল আৰু একে উশাহতে ডি, আই, জি, পবিত্ৰ বৰ্মণৰ নামটো আওঁৰালে,— "মই কি সেই কুখ্যাত ডি, আই, জি, পবিত্ৰ.......।"

"কোনো ভয় নাই ।" —অনিতাই নিৰ্ভয় দি ক'লে । দাদা ডি, আই, জি, হলেও মই অনিতাহে । মই এজনী অসমীয়া গাভৰু । অসমীয়া গাভৰু হিচাপে মোৰ কৰ্তব্য মই কৰিছো—এজন মুক্তি

বাহিনীৰ সদস্যক সহায় কৰি। আপুনি চিন্তা নকৰিব, মই আপোনাক নিৰাপত্তা দিম।"

—'কিন্তু ৰাতিপুৱাই পবিত্ৰই মোক দেখিলে····।'

—'সেই ব্যৱস্থা মই কৰিম।'–অনিতাই ৰঞ্জনৰ নিচেই কাষতে বহি কৈ গ'ল— ঢলপুৱাতে মই আপোনাক বিদায় দিম, কোনেও গমকে নাপাব। দাদা আৰু মাহঁতৰ ৰুমটো আমাৰ ঘৰৰ সিমূৰত। আপুনি শুই থাকক, প্লিজ·······।

অনিতাই ৰঞ্জনক পুনৰ তাইৰ বিচনাত শুৱাই থ'লে। তাৰ পাছত তাই ৰঞ্জনক পৰ্য্যাপ্ত পৰিমাণে শুশ্ৰূষা কৰিলে। ৰঞ্জনে তাইৰ শুশ্ৰূষাত সন্তুষ্ট হৈ ব্যাথাভৰা নয়নেৰে অনিতালৈ চাই থাকিল।

পুৱতি নিশা তাইৰ চিলমিলকৈ টোপনি আহিছিল। হঠাৎ সাৰ পাই অনিতাই নিজৰ কাপোৰ-কানি ভালদৰে পিন্ধি ল'লে আৰু ফুচ্-ফুচাই মাতি ৰঞ্জনক জগালে। সি এজন বাধ্য ল'ৰাৰ দৰে টোপনিৰ পৰা উঠিল। কাপোৰ-বোৰ সযতনে পিন্ধি ল'লে। অনিতাই ৰাতি ৰঞ্জনৰ হাতৰ পৰা নি লুকুৱাই থোৱা পিষ্টলটো আনি পুনৰ তাৰ জিনচ্ৰ পকেটত ভালদৰে গুজি দিলে। তাৰ পাছত তাই ৰঞ্জনৰ বাহুৰ ক্ষত-স্থানত বান্ধি দিয়া গামোচাখন লাহে লাহে খুলিলে। তাই বিদায়ৰ মুহূৰ্তত ৰঞ্জনক কলে, —আপোনাৰ সংগ্ৰামী জীৱন সফল হওঁক আৰু এই গামোচাখন আপোনাৰ স্মৃতিৰ বাবে নোধোৱাকৈয়ে বাকচত থৈ দিম, যাতে আপোনাৰ তেজ লগা এই গামোচাখন দেখিলে মই মনত পেলাব পাৰোঁ········।" ৰঞ্জনেও 'ধন্যবাদ' বুলি তাইৰ দুবাহুত ধৰি নম্ৰভাৱে কলে, —'আপোনাৰ স্মৃতি এটুকুৰা কেঁচা ঘাঁৰ দৰেকৈ মনত থাকিব, আহিলোঁ···········।'



অনিতাই পিছদুৱাৰখন খুলি দি ৰঞ্জনক বিদায় দিলে। ৰঞ্জন লাহে লাহে ধীৰ গতিৰে অনিতাৰ ৰুমৰ পৰা ওলাই আহি সন্মুখৰ এন্ধাৰত অদৃশ্য হৈ গ'ল।

* * * * * *

"ক্ৰীং ক্ৰীং···ক্ৰীং········"

—"হেল্লো, ইয়েচ্········হোৱাট্? মোৰ ঘৰত? ইও জানো সম্ভৱ? চাৰ····ঠিক আছে, আহক; কিন্তু মোৰ ঘৰত আহি ৰঞ্জনে আশ্ৰয় লোৱাটো অসম্ভৱ। আপুনিতো জানেই চাৰ, মই ৰঞ্জনক যোৱাৰাতি গুলিয়াইছিলোঁ; কিন্তু সাৰি গ'ল। —'হোৱাট'? অনিতাই ৰাখিছে তাইৰ ৰুমত? কিন্তু········।' ডি, আই, জি, পবিত্ৰ বৰ্ম্মণে কমিচনাৰৰ পৰা অহা ফোনত খবৰটো শুনি ৰিচিভাৰটো একপ্ৰকাৰ দলি মাৰি থৈ দৌৰি অহাৰ দৰেই অনিতাৰ ৰুমৰ দুৱাৰমুখত থিয় হ'ল। 'অনিতা, অনিতা?" চিঞৰি চিঞৰি অনিতাক জগালে আৰু তাই দুৱাৰ খোলা মাত্ৰকে উধাতু খাই ৰুমৰ ভিতৰলৈ সোমাই গৈ আচৰিত হৈ থমকি ৰ'ল। পিছদুৱাৰখন খোলাই আছে। তাৰোপৰি মজিয়াত পানীবোৰ পৰিল কেনেকৈ? তাৰমানে ৰঞ্জন যোৱাৰাতি········। 'কি হ'ল দাদা, ইমান ফোপাই-জোপাই কিয় সোমাই আহিছ?" —অনিতাই একো নজনাৰ ভাৱত কথাখিনি ক'লে। পবিত্ৰই পাতনিৰ অৱতাৰণা নকৰাকৈ চিধাকৈ প্ৰশ্ন কৰিলে, —"ৰঞ্জনক যোৱা ৰাতি তই তোৰ ৰুমত আশ্ৰয় দিছিলি?"

—"ৰঞ্জন! কোন ৰঞ্জন? তাৰোপৰি মোৰ ৰুমত?···· নাই····· মই একো বুজিব পৰা নাই দাদা, হৈছে কি?" —অনিতাই পবিত্ৰৰ বাহুত ধৰি কথাখিনি কোমলকৈ ক'লে।

—'তোৰ ৰুমৰ মজিয়াত পানী কিয় পৰিছে?'

—দদায়েকৰ বিৰক্তিযুক্ত প্ৰশ্ন শুনি অনিতাই বুদ্ধি সাজি ক'লে,— "যোৱাৰাতি মূৰটো বিষোৱা বাবে পানী ঢালিছিলোঁ।।

"তই সকলো শেষ কৰি দিলি অনি। জাননে, চি, আই·ডি ৰিপোৰ্ট মতে তোৰ ৰুমত যোৱাৰাতি ৰঞ্জন সোমাই আশ্ৰয় লৈছিল হেনো।" "কি কি??"— অনিতাই আশ্চৰ্য্য প্ৰকাশ কৰি ভেবা লাগি পবিত্ৰলৈ চাই ৰ'ল। — "তই ভাৱি চাইছনে – যদি ই সচাঁ হয়····।" পবিত্ৰ বৰ্মণে আৰু একো ক'ব নোৱাৰিলে। দোষী হলেও অনিতা পবিত্ৰৰ নিজৰ ভনী। সেয়েহে এক কৰুণ মৰমসিক্ত খণ্ডেৰে চিঞৰি উঠিল — "যোৱাৰাতি ময়েই ৰঞ্জনক গুলিয়াই শেষ কৰিব খুজিছিলোঁ; কিন্তু সি পলাল। যদি তই সেই ৰঞ্জনক········।" পবিত্ৰ বৰ্মণ অতীষ্ঠ হৈ পৰিল।

— "দাদা, তই এজন উচ্চ আৰক্ষী বিষয়া হৈ এইবোৰ কোনো প্ৰমাণ নোহোৱাকৈ কি কৈছ? কি যুক্তি আছে তোৰ এই ধাৰণাৰ? তই ক'লেই সকলো সঁচা হবনে?" —

এইবাৰ পবিত্ৰই গৰজি উঠিল,— "এইটো মই সাজি কোৱা কথা নহয় — চি, আই, ডি ৰিপোৰ্ট। খন্তেক পিছতে কমিচনাৰ ৰনজিৎ থিং আমাৰ ঘৰ খানা তালাচ কৰিবলৈ আহিব। যদি ই সচা হয় তেন্তে·······।" পবিত্ৰই উগ্ৰভাৱে কথাখিনি কৈ উচাৎমাৰি ৰুমৰ বাহিৰলৈ বুলি খোজ দিওঁতেই চাৰিখন ক'লা ৰঙৰ "মাৰুতি-কাৰ" আহি পবিত্ৰৰ ঘৰৰ সন্মুখত ৰ'ল। গাড়ীৰ পৰা নামি আহিল কমিচনাৰ ৰনজিৎ থিং লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক তপনলাল খাউণ্ড, শিবা সিং, চি, আই, ডি মহাপৰিদৰ্শক আটাউৰ ৰহমান; মালবিকা সেনগুপ্তা আৰু এদল সসস্ত্ৰ সৈন্য।

"নমস্কাৰ চাৰ—।"

কমিচনাৰে পবিত্ৰক প্ৰতিনমস্কাৰ জনাই গহীন ভাৱে কলে,—"মই বৰ দুঃখীত মিঃ বৰ্ম্মণ, আমি আমাৰ কৰ্তব্য কৰিবই লাগিব। গতিকে আপোনাৰ ঘৰত তালাচী কৰিলে আপুনি নিশ্চয় বেয়া নাপায়········।" "নাই, নাই—। কিনো বেয়া পাম? এয়া আইনৰ কথা, যিটো ময়ো কৰোঁ। আহক চাৰ, সেইয়া অনিতাৰ ৰুম—।" পবিত্ৰই অনিতাৰ ৰুমলৈ আঙুলিয়াই দি আগবাঢ়ি গ'ল।

—"মিচ অনিতা বৰ্ম্মণ, এই পানীবোৰ মজিয়াত পৰিল কেনেকৈ?" চি, আই, ডি মহা-পৰিদৰ্শক আটাউৰ ৰহমানে অনিতাক সুধিলে।

— 'যোৱা ৰাতি মূৰ বিষোৱা বাবে পানী ঢালিছিলো—।' অনিতাৰ সংক্ষিপ্ত উত্তৰ শুনি চি, আই, ডি, ৰহমানে আকৌ প্ৰশ্ন কৰিলে,— "অনিতা, তুমি এজনী উচ্চ শিক্ষিতা ছোৱালী আৰু সেই কাৰণে পৰিস্কাৰ বা চাফ-চিকুণলৈ লক্ষ্য ৰাখি তুমি ৰুমৰ বাহিৰলৈ গৈ পানী ঢালিব লাগিছিল, নহয়নে?" —মূৰৰ বিষে জানো শিক্ষিতা-অশিক্ষিতা মানি চলে চাৰ?" —অনিতাই স্পষ্ট উত্তৰ দিলে যদিও ৰহমানৰ অন্যান্য আওপকীয়া জেৰাত অনিতা বোবা হৈ থাকিল।

—"চাৰ??" —এজন জোৱানে চিঞৰি উঠিল। "কি হ'ল?" বুলি কমিচনাৰে ব্যগ্ৰভাৱে সুধিলে। চাৰ, সৌ বাকচ্টো খুলি চাই এখন তেজেৰে লুতুৰি-পুতুৰি গামোচা দেখিছোঁ চাৰ, চাওঁক·······।" বাকচৰ পৰা তেজলগা গামোচাখন আনি কমিচনাৰৰ হাতত দিলে। এইবাৰ যেন কিবা এটা পোৱাৰ হেঁপাহত আটাইকেইজনে অনিতালৈ তীক্ষ্ণভাৱে চাই প্ৰশ্ন কৰিবলৈ

ধৰিলে।

" কোৱা অনিতা, এই গামোচাখনত তেজবোৰ কেনেকৈ লাগিল আৰু তেজবোৰ কাৰ ?" কমিচনাৰৰ প্ৰশ্নত অনিতাই মাথো ভৰিৰ বুঢ়া আঙুলিৰে মজিয়াৰ মাটিত খুছি খুছি বোবা হৈ ৰ'ল। গাভৰু ছোৱালীবোৰৰ তেনে অভ্যাস আছেই। যেতিয়া কোনো কথা ব্যক্ত কৰিব নোৱাৰে তেতিয়া ভৰিৰ বুঢ়া আঙুলিৰে মাটিত খুছি খুছি মৌন হৈ ৰয়; কিন্তু ইমান সময়ে ধৈৰ্য্য ধৰি থকা ডি, আই, জি পবিত্ৰ বৰ্মণে খণ্ডত একো নাইকীয়া হৈ অনিতাক ঠাচ্ ঠাচ্‌কৈ দুটা চৰ সোধাই দিলে। কমিচনাৰে উগ্ৰভাৱে ডি, আই, জি পবিত্ৰলৈ চাই কলে,— ' মি, বৰ্মণ আপোনাৰ ভনীয়ে যি ভুল কৰিছে তাৰ শাস্তি অদ্ভূত হব। আপোনাৰ ভনী বুলি বৰ্তমান এৰেষ্ট নকৰো। শুনক, এক সপ্তাহৰ ভিতৰত ৰঞ্জনক মৃত অথবা জীয়াই যিয়েই নহওঁক, মোক লাগিবই। এই দায়িত্ব আপোনাৰ হাতত অৰ্পণ কৰিলোঁ। অন্যথাই আপোনাৰ চাকৰি আৰু ভনী........।" কথাখিনি কৈয়ে কমিচনাৰে উচাং মাৰি ৰূমৰ পৰা ওলাল। বাকি সকলেও কমিচনাৰক অনুসৰণ কৰিলে। ৰূমত বাকী ৰ'ল মাথো ডি আই জি পবিত্ৰ বৰ্মণ আৰু তেওঁৰ ভনী অনিতা। পবিত্ৰই অনিতাক চুলি কোঁচাত পকাই ধৰি নিজৰ বেড্‌ৰূমলৈ টানি নিলে। " দাদা, মই এজন আহত মানুহক আশ্ৰয় দিছোঁ। তাতেই আকৌ অসমীয়া ডেকা ল'ৰা। গতিকে অসমীয়া গাভৰু এজনীৰ দায়িত্ব মই পালন কৰিছোঁ। এইক্ষেত্ৰত মোৰ ভূল নাই দাদা। ৰঞ্জনৰ ঠাইত তই হোৱা হলেও........।" অনিতাৰ অকাট্য যুক্তিত পবিত্ৰ অলপ শান্ত হ'ল।

" এসপ্তাহৰ ভিতৰত মই ৰঞ্জনক ধৰিমেই। তেতিয়া যদি ৰঞ্জনে আত্মসমৰ্পণ কৰে, তেন্তে বাচি যাব নহলে তোৰ আদৰৰ বিপ্লৱী সেই ৰঞ্জন........।" ডি, আই, জি পবিত্ৰ বৰ্ম্মণে এটা সসস্ত্ৰ সৈন্য দল লৈ ওলাই গ'ল। পবিত্ৰৰ এটাই চিন্তা মৃত অথবা জীয়াই হওঁক, তেওঁক ৰঞ্জনৰ শৰীৰটো লাগে সোনকালেই........।

*    *    *    *

ঘৰৰ পিছফালে কিবা খোচমোচ শব্দ শুনি ৰঞ্জনৰ মাক বিচনাত বহি পৰিল। পুনৰ শব্দ হোৱাত মাকে কাষত শুই থকা জুমিক জগাই দিলে। জুমি ৰঞ্জনৰ একমাত্ৰ ভনী "এই দোভাগ ৰাতিখন কোন ?" ৰঞ্জনৰ মাকে প্ৰশ্নৰ সুৰত সুধিলে। বিপৰীত ফালৰ পৰা কোনোবাই ফুচ্‌ফুচাই মাতিলে –'মা' দৰজাখন খোল 'মা'–। ৰঞ্জনৰ মাকে সেয়া ৰঞ্জন ঘৰলৈ আহিছে বুলি বিচনাৰ পৰা একে জাপে নামি আহি দৰজাখনৰ ওচৰত থমকি ৰ'ল। সন্দেহৰ ভাৱত পুনৰ সুধিলে,— " কোনে মাতিছ ?"

— 'মা মই আহিছোঁ মা', উঠ সোনকালে সৈন্যবাহিনীৰ জোৱানে মোক বিচাৰি ফুৰিছে, কথাখিনি শুনি ৰঞ্জনৰ মাক দুখোজ পিছুৱাই আহিল। কাৰণ মাতটো ৰঞ্জনৰ নহয় যেন লাগিল। ৰঞ্জন আহিলেতো দুৱমুৰকৈ মা' মা' বুলি চিঞৰি আহে। তাৰোপৰি তাৰ ভয় কম। আজিৰ পৰা যোৱা দুবছৰে ৰঞ্জনৰ কোনো খবৰ নাই, কিন্তু হঠাৎ আজি........।" ৰঞ্জনৰ মাকৰ সন্দেহেই ঠিক। ক্ষন্তেক পিছতে দৰজা ভাঙি হুৰমুৰকৈ এদল সসস্ত্ৰ সেনা ঘৰৰ ভিতৰলৈ সোমাই আহিল।

— "ৰঞ্জন ক'ত ?" — ডি, আই, জি পবিত্ৰ বৰ্মণৰ কৰ্কশ প্ৰশ্নত ৰঞ্জনৰ মাকে সমান কঠিনতা সানি উত্তৰ দিলে,— " মই নাজানোঁ।"

— " চিধা উত্তৰ দে, ৰঞ্জন ক'ত থাকে ?" – ডি, আই, জিয়ে ধমক দি সুধিলে।

এইবাৰ ৰঞ্জনৰ ভনীয়েক জুমিয়ে উত্তৰ দিলে— " ৰন্‌দা ক'ত থাকে আমি কেনেকৈ জানিম ? মা' আৰু মইতো এ, পি, চিৰ সদস্য নহয় যে সকলো জানিব পাৰিম !" কথাখিনি কৈয়ে জুমি আঁতৰি যাব খুজিছিল ; কিন্তু ডি-আই, জি পবিত্ৰ বৰ্মণে এটা কুংচিং চাৱনিৰে জুমিক আগভেটি ধৰিলে। বৰ্মণৰ সুপ্ত প্ৰবৃত্ত জাগ্ৰত হ'ল। জুমিৰ ষোল বছৰীয়া যৌৱনৰ এক নিলাজ গোন্ধ ডি, আই, জিৰ নাকত লাগিল। তাইৰ ৰক্তিম ওঁঠ দুটি আচ্‌মৰাৰ দৰে বৰ আৱেগভৰা। নিশা পিন্ধি থকা অল্পবস্ত্ৰেৰে তাইক বৰ অজলা, ফেহুকোমল এজনী সদ্যস্নাতা গাভৰু যেন দেখা গ'ল। সাধাৰণতে তেনে ছোৱালী দেখিলে মূৰৰ কামোৰণি উঠা স্বাভাৱিক। পবিত্ৰৰ সৰ্বশৰীৰৰ শিৰা-উপশিৰা, পেশী, উৰু, ধমনি-সকলোতে কামনাৰ দাবানল জ্বলি উঠিল। আদিম আৱেগত উন্মভাৱে ইচাট্-সিচাট্ কৰিব ধৰিলে —।

— " কি চাইছে এনেকৈ ?" জুমিৰ মাকৰ কৰ্কশ প্ৰশ্নত পবিত্ৰ বৰ্মণ অপ্ৰস্তুত হ'ল। পবিত্ৰই বুদ্ধি সাজি কলে,— ৰঞ্জনে এনেকৈ ঘৰখন এৰি কিয় যাব লগা হ'ল ? তেওঁ যদি এতিয়াও আত্মসমৰ্পণ কৰে, তেন্তে অহা দিনবোৰত ভালদৰেই সুখেৰে কটাব পাৰিব। তদুপৰি বিয়া বাৰু কৰাই........।" — পবিত্ৰৰ কথাই জ্বলা জুইত ঘি ঢলাৰ দৰেই হ'ল। ৰঞ্জনৰ মাকে ক্ৰোধ আৰু ক্ষোভত গদ্‌গদাই উঠিল— " যদি মোৰ ঔৰসত মোৰ ৰক্তেৰে ৰঞ্জন জন্মিছে, তেন্তে সি কোনো দিনেই আত্মসমৰ্পণ নকৰে। দুৰ্নীতিৰ বিৰুদ্ধে মাত মতাৰ তেজ ৰঞ্জনৰ গাত আছে।"

—" কিন্তু হাতত অস্ত্ৰলৈ দুৰ্নীতি নাশ কৰিব যোৱাটোও এটা দুৰ্নীতিয়েই।"— ডি, আই, জিয়ে গহীন হবলৈ চেষ্টা কৰি ক'লে।

—" ডি, আই, জি চাহাব, আপোনাৰ ভৰিত যদি হুলে বিন্ধে, তেতিয়া সেই হুলডাল উলিয়াবলৈ পানীৰ প্ৰয়োজন নহয়। প্ৰয়োজন হয় মঙহ ফালি সেই হুলডাল উলিয়াব পৰা অন্য এডাল তাতকৈ শক্তিশালী হুলৰহে।" জুমিৰ মাকে অত্যন্ত উত্তপ্ত কণ্ঠেৰে কথাখিনি ক'লে। এইবাৰ পবিত্ৰ বৰ্মণ গৰজি উঠিল,— " তেনে হলে ৰঞ্জনৰ কথা আমাক নোকোৱা ?"— " ইন্সপেক্টৰ ??" — এই ছোৱালীজনীক গাড়ীত উঠাই লওঁক, সোধপোচ কৰিব লাগিব।" কথাখিনি কৈয়ে ডি, আই, জি, বৰ্মণ নিজৰ গাড়ীত উঠিলগৈ। সৈন্যবাহিনীৰ জোৱানবিলাকে ৰঞ্জনৰ মাকৰ কাতৰ অনুৰোধ আৰু জুমিৰ ক্ৰন্দনলৈ ভ্ৰূক্ষেপ নকৰি ছোৱালীজনীকে গাড়ীত বলপূৰ্বকভাৱে বহুৱাই দিলে। কিছুসময় অতিক্ৰম কৰাৰ পাছত হঠাৎ ডি, আই, জি পবিত্ৰ বৰ্মণে গাড়ী ৰখাবলৈ ইঙ্গিত দি আদেশৰ সুৰত কলে,— "ইন্সপেক্টৰ ৰঞ্জনৰ মাকক থানালৈ লৈ যাওঁক। জুমিক সোধপোচৰ বাবে মই ৰাখি থওঁ।"

কথামতে কাম হ'ল। লগে লগে গাড়ী ৰখাই ৰঞ্জনৰ মাকক অচেতন অৱস্থাত ইন্সপেক্টৰ নিৰঞ্জন দাসে নিজৰ গাড়ীত তুলি ল'লে; কিন্তু জুমি ?? বেচেৰীক ডি, আই, জি পবিত্ৰ বৰ্মণে নিজৰ কামনা চৰিতাৰ্থ কৰাৰ সুযোগ বিচাৰি সোধপোচৰ বাবে বুলি নিজৰ গাড়ীত জোৰকৈ বহুৱাই লৈ অন্য এক পথেৰে গতি কৰিলে। অন্যান্য জোৱানবিলাকে নিজৰ জিভালৈ ওলাই

অহা থুই আৰু লেলাৰতিবোৰ কোট্ কোট্কৈ গিলি ডি, আই, জি পবিত্র বৰ্মন যোৱা পথলৈ চাই ৰ'ল……।

— "আঃ এৰি দিয়ক, এৰি দিয়ক বুলিছো, নহলে চিঞঁৰি দিম……।" ডি, আই, জি বৰ্মণে অকলশৰীয়া ৰুমটোত জুমিক ঠেলা মাৰি বগৰাই দি দৰজাৰ হুকটো বন্ধ কৰি দিলে। জুমিয়ে করুণ চাৱনিৰে পবিত্রলৈ চাই কাকুতি কৰিলে,— "আপোনাৰোতো এজনী ভনী আছে, তাইক …।" জুমিৰ কথাত বৰ্মণে একো গুৰুত্ব নিদি তাইৰ ফালে এখোজ এখোজকৈ আগবাঢ়িল। জুমিয়ে পাৰ্য্যমানে নিজকে ৰক্ষা কৰিবলৈ সাজু হ'ল। অৱশেষত এটা আহত হিংস্র জন্তুৱে অকলা হৰিণী পোৱালীৰ ওপৰত পৰাৰ দৰে পবিত্র বৰ্মণ জুমিৰ ওপৰত জপিয়াই পৰিল। জুমিয়ে এক করুণ আৰ্তনাদ কৰি অচেতন হৈ পৰিল। ঘোৰ অন্ধকাৰ নিশাৰ এটি নিৰ্জন কোঠাত শান্তিৰক্ষকৰ হাতত জুমিৰ এই অৱস্থাৰ কথা কোনেও গমকে নাপালে। ৰাতিপুৱা চাৰিজন সসস্ত্র চকিদাৰৰ হাতত জুমিক গটাই দি ডি, আই, জিয়ে নিজৰ ডিউটিলৈ ওলাই গ'ল কিন্তু জুমিৰ জানো জীৱন ৰক্ষা পৰিল? চাৰিজন গাৰ্ডৰ পুনৰ নিৰ্মম বীভৎস অত্যাচাৰত ৰঞ্জনৰ ১৬ বছৰীয়া একমাত্র ভনী জুমি মৃত্যু মুখত পৰিল।

ইফালে ১৯ জন এ, পি, চিৰ সদস্যৰ আত্মসমৰ্পণৰ ঘটনাই 'Assam People's Court' বাহিনীলৈ স্খলন নমাই আনিলে। ভনীৰ করুণ মৃত্যু আৰু মাকৰ জেইলতে মৰো জীউ অৱস্থাৰ কথা জানিও ৰঞ্জনে লব লগা হ'ল এ, পি, চি দলৰ মুখ্য দায়িত্ব। ৰঞ্জনেও ক্ষীপ্র গতিত জাতীয় সসস্ত্র সংগ্ৰাম চলাই নিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল। এ, পি, চি দলৰ সদস্য ধৰিবলৈ কেন্দ্ৰীয় সৈন্য বাহিনীৰো আমদানি হ'ল। চাৰিওফালে কেৱল অত্যাচাৰ, উৎপীড়ণ, ধৰ্ষণ আদিৰে অসমৰ আকাশ-বতাহ তেজেৰে লুতুৰি-পুতুৰি কৰা হ'ল।

* * * *

"খট্ খট্ খট্…… গুৰুম্…গুৰুম্…ঠাই… ঠাই… ঠাই… থি…চিওঁ।" ওচৰতে বন্দুক বাৰুদৰ নিনাদ শুনি পবিত্র বৰ্মণৰ ভনী অনিতাই দুৱাৰখন খুলি দিয়া মাত্রকে ৰঞ্জন আহি তাইৰ আগত ঠিয় হ'ল। অনিতাই ৰঞ্জনক তাইৰ ৰুমলৈ নি তাক ৰক্ষা কৰাৰ কথা ভাবিলে। আ মৱে খেদি আহিছে অনি, মোক ৰক্ষা কৰা, প্লিজ…।" —ৰঞ্জনৰ করুণ চাৱনিয়ে অনিতাৰ হৃদয়ত তোলপাৰ লগালে। কি কৰিব তাই এফালে ৰঞ্জনক আশ্রয় দিলে তাইৰ বিপদ আৰু আনফালে দদায়েকৰ চাকৰিৰ বিপদ। আনহাতে ৰঞ্জনক নুবচালে অসমৰ জাতীয় আন্দোলনেই ধ্বংস হ'ব। হঠাৎ তাইৰ এটি বুদ্ধি খেলালে। তাই ৰঞ্জনৰ হাতৰ পৰা পিষ্টলটো আনি নিজৰ ব্লাউজৰ ভিতৰত সযতনে সুমুৱাই থলে আৰু ৰঞ্জনক অন্য এটা এন্ধাৰ কোঠাৰ খাটৰ তলত লুকুৱাই থৈ সেই কোঠাৰ দুৱাৰ বন্ধ কৰি দি আগৰ ঠাইতে ঠিয় হৈ থাকিল। তেনেতে ৰঞ্জনক খেদি খেদি সোমাই আহিল এদল সসস্ত্ৰ জোৱানৰ লগত তাইৰ দদায়েক ডি, আই, জি পবিত্র বৰ্মণ।

— "ৰঞ্জন ক'ত?" ডি, আই, জিৰ চমু প্রশ্ন। অনিতাই কলে, — ৰঞ্জনক মই এইপিনে অহা দেখা নাই।"

—"কিন্তু মইতো এই ৰুমত সোমোৱা দেখিছোঁ।", পবিত্রই আচৰিত হৈ ইফালে সিফালে চাই কলে।

—" দাদা, মোৰ জীৱন আৰু তোৰ চাকৰিৰ প্ৰশ্নতকৈ ৰঞ্জন ডাঙৰ হ'ব নোৱাৰে। মই ৰঞ্জনক আশ্ৰয় দি পুনৰ বিপদ চপাই আনিম কিয়?" অনিৰ কথাত পবিত্রই বিশ্বাস কৰিলে। তথাপিও সন্দেহবশতঃ কিছুসময় ৰুমটোত বিচাৰি শেষত হতাশ হৈ ডি, আই, জিয়ে এটি দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। "আচৰিত কথা, এইমাত্র এই কোঠাত ৰঞ্জন সোমাইছে; কিন্তু বিচাৰি ভাগৰি পৰিলোঁ ৰঞ্জন নাই।"

"চাৰ, মই হলে কোনোৱাই এওঁৰ লগত কথা পতা শুনিছোঁ।" —এজন জোৱানে এনেদৰে কোৱাত অনিয়ে বুদ্ধি সাজি কলে, —"নহয় দাদা, মই ভায়ামামাৰ "মহাভাৰত" নামৰ কেচেটখন লগাই দি টেপ শুনি আছিলোঁ।

ডি, আই, জিয়ে নিজৰ চকুদুটা ভালদৰে ঠিক ঠাইতে আছে নে নাই হাতেৰে দুই চালে আৰু চকু মোহাৰি মোহাৰি বাহিৰলৈ দৌৰী ওলাই আহিল।

জোৱানসকল আতৰি যোৱাৰ লগে লগে পিছ দুৱাৰেদি ৰঞ্জনে বাহিৰলৈ ওলাই দৌৰ মাৰিলে; কিন্তু তাৰ লগে লগেই বহুকেইটা বন্দুক চাৰিও ফালে গৰজি উঠিল। তাৰ মানে ৰঞ্জন?? অনিতাই আৰু ভাবিব নোৱাৰিলে। ব্লাউজৰ ভিতৰত সযতনে লুকাই ৰখা পিষ্টলটো হাতত লৈ বাহিৰলৈ ৰঞ্জন যোৱাপিনে দৌৰ মাৰি গ'ল। ই….কি….? ৰঞ্জনক প্ৰায় ষাঠিজন জোৱানে আগুৰি ধৰিছে। ৰঞ্জনৰ পলাবলৈ অকনো সুৰুঙা নাই। তাৰ মানে ৰঞ্জনৰ মৃত্যু নিশ্চিত (?) ……."ৰঞ্জন, ওপৰলৈ হাত দাঙি আত্মসমৰ্পণ কৰা, নহলে এতিয়াই গুলিয়াই শেষ কৰি দিম।' কমিচনাৰে পিষ্টল টোৱাই চিঞৰি উঠিল। ৰঞ্জনে কিংকৰ্তব্যবিমূঢ় হৈ স্পন্দনহীন এটি শিলৰ মুৰ্ত্তিৰ দৰে একে ঠাইতে থিয় হৈ ৰ'ল; কিন্তু অনিতা জানো থমকি ৰ'ল? তাই সাউংকৰে সৈন্যবাহিনীৰ চকুত ধূলি দি ৰঞ্জনৰ ওচৰত উপস্থিত হৈ চিঞঁৰি উঠিল,— "নাই, নাই ৰঞ্জনদা, আপুনি আত্মসমৰ্পণ কৰিব নোৱাৰে। আত্মসমৰ্পণ কৰি মোৰ প্রেম আৰু আপোনাৰ বীৰত্বক কলঙ্কিত কৰিব নোৱাৰে……।"

— "আত্মসমৰ্পণৰ বাহিৰে মোৰ যে আজি অইন উপায় নাই অনি।" ৰঞ্জনে গম্ভীৰভাৱে অনিতাক ক'লে।

—"আপুনি কাপুৰুষ, অসভ্য, নিজকে চিনি নোপোৱা এজন ভুৱা বিপ্লৱী। আপোনাৰ গাত তেজ নাই, কেৱল পানী, চেঁচা পানী। আপুনি পাহৰি গৈছে ভনী (জুমি)ৰ মৃত্যুৰ কথা, মাতৃৰ ওপৰত চলোৱা অত্যাচাৰৰ কথা। আত্মসমৰ্পণ কৰি অসমৰ জাতীয় মুক্তি আন্দোলনক কলঙ্কিত কৰাতকৈ মোক গুলীয়াই শেষ কৰি দিয়ক। এয়া লওঁক…।" এই বুলি তাইৰ হাতত থকা পিষ্টলটো ৰঞ্জনৰ হাতত তুলি দিলে। "No, No, অনিতা, মই কাপুৰুষ নহওঁ, মোৰ শৰীৰৰ তেজবোৰ এতিয়াও চেঁচা হৈ যোৱা নাই। চা পাষণ্ডহঁত মই তহঁতৰ ওচৰত আত্মসমৰ্পণ কৰাতকৈ মোৰ বিবেকৰ ওচৰত মই আত্মসমৰ্পণ কৰিলোঁ।" এইবুলি ৰঞ্জনে তাৰ হাতত থকা পিষ্টলটোৰ নলীডাল নিজৰ কপালত লগাই দিলে; কিন্তু "ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি।" ৰঞ্জনে পিষ্টলৰ ট্রিগাৰত আঙুলি থোৱা মাত্ৰেই কমিচনাৰে ৰঞ্জনৰ পিষ্টললৈ লক্ষ্য কৰি গুলিয়াই দিলে। ৰঞ্জনৰ হাতৰ পৰা পিষ্টলটো চিটিকি গৈ অনিতাৰ কাষত পৰিল। অনিতাই কমিচনাৰলৈ ভ্ৰূক্ষেপ নকৰি পুনৰ পিষ্টলটো তুলি ললে; কিন্তু হঠাৎ ঘটিগ'ল সেই মৰ্মাহত ঘটনাটো। অনিতাই একে জাপে

ৰঞ্জনক সাৰতি ধৰিলে; কিন্তু কমিচনাৰৰ পিষ্টলটো থমকি নৰ'ল। কমিচনাৰে গুলিয়া-বলৈ পিষ্টল টোৱাওতেই অনিতাই ৰঞ্জনক সাৰতি ধৰিলে। "গুৰুম্...... ঠাই....ঠাই....ঠাই.... ।" কমিচনাৰৰ পিষ্টলৰ ৫ টা গুলী আহি অনিতাৰ বুকু থকা সৰকা কৰিলে। ৰঞ্জনক বচাবলৈ গৈ অনিতাই গুলী বুকু পাতি ললে। তেজেৰে তিতি গ'ল অনিতাৰ ভৰ যৌৱনভৰা মঙহাল বুকু। চিৰদিনলৈ ৰুদ্ধ হৈ গ'ল সচাঁ প্ৰেম আৰু বিপ্লৱৰ ধ্বনি দিয়া উদাত্ত কণ্ঠ; কিন্তু ৰঞ্জন? সি সচাঁকৈয়ে জানো কাপুৰুষৰ দৰে ঠিয় হৈ থাকিল?? ৰঞ্জনে একে জাপে অনিতাৰ মৃত-দেহৰ সন্মুখত পৰি থকা পিষ্টলটো তুলি লৈ নিজৰ কপালত লগাই চিঞঁৰি উঠিল,— "খবৰদাৰ....... কোনেও মোক গুলীয়াই হত্যা কৰিব নালাগে। মই তহঁতৰ ওচৰত....... ।"

— ৰঞ্জনে এটা আহত ব্যাঘ্ৰৰ দৰে চিঞঁৰি কথাখিনি কৈ থাকোঁতেই তাৰ ভৰিত কমিচনাৰে গুলীয়াই দিলে। বনৰীয়া পশুপক্ষী চিঞৰ কৰাৰ দৰে কৈ কমিচনাৰে হাঁহি হাঁহি ৰঞ্জনক গুলীয়াই যাব ধৰিলে। কমিচনাৰে ৰঞ্জনৰ দুয়ো ভৰি আৰু বাওঁহাতত গুলীয়াই তাক মাটিত বগৰাই দিলে আৰু ব্যঙ্গসুৰত ৰঞ্জনলৈ চাই প্ৰশ্ন কৰিলে,— "এতিয়াতো আমাৰ ওচৰত আত্মসমৰ্পণ কৰাৰ বাহিৰে অইন উপায় নাই ৰঞ্জন, হাঃ হাঃ ........। গতিকে পলম কৰিছা কিয়? পিষ্টলটো মাটিত নিজহাতে থোৱা আৰু হাত দুখন ওপৰলৈ দাঙি আত্মসমৰ্পণ কৰা। হাঃ হাঃ হাঃ।" কমিচনাৰে অট্টহাস্য কৰি ঠাট্টাৰ সুৰত কোৱা কথাখিনি শুনি ৰঞ্জনে তীব্ৰ ক্ৰোধ আৰু প্ৰতিহিংসাৰ জিঘাংসাৰে থিয় হ'বলৈ যত্ন কৰিলে। বহুকষ্ট কৰি এক মুহূৰ্ত থিয় দিয়েই শেহাই শেহাই কলে,— "কমিচনাৰ চাহাব, মোৰ তেজবোৰ দেখিছে নহয়, এইবোৰ বৰ গৰম হৈ আছে। কাৰণ মই জাতীয় আন্দোলনৰ এজন নিৰ্ভীক সৈনিক, আপুনিও জানে। শৰীৰত এটোপা তেজ থকালৈকে মই আত্মসমৰ্পণ নকৰো। আত্মসমৰ্পণ কৰি মোৰ মা' আৰু ভনীৰ আত্মাৰ দৰে হাজাৰ হাজাৰ অসমীয়া ডেকা-বুঢ়া, গাভৰু, মাতৃৰ আত্মাক অপমানিত কৰিব নোৱাৰোঁ। সেই কাৰণে কমিচনাৰ চাহাব, মই মোৰ আত্মাৰ ওচৰত এয়া নিজকে সমৰ্পণ কৰিলোঁ। ৰঞ্জনে এক ৰুদ্ৰ মূৰ্ত্তি ধৰি নিজৰ কপালত পিষ্টলৰ নলী থৈ ট্ৰিগাৰত আঙুলি দিয়া মাত্ৰেই দুটা শব্দ হ'ল,— "থি....চি....ও, থি....চি....ও।"

উপস্থিত জোৱান বিলাকে এজাক শগুণৰ দৰে অনিতা আৰু ৰঞ্জনৰ মৃতদেহদুটা আগুৰি ধৰিলে।

**



# ঃ মৰীচিকা ঃ

শ্ৰীযতীন দাস
স্নাতক ২য় বৰ্ষ (কলা)

**সন্ধিয়াৰ বেলিটিৰ ক্ষীণ হাঁহিটিয়ে মানসীৰ মনটো সেমেকাই তুলিলে। তাই তাইৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক ৰোমন্থন কৰি হুকহুকাই ফেকুৰিবলৈ ধৰিলে।**

মানসীৰ দেউতাক প্ৰশান্ত চৌধুৰী এজন সহজ-সৰল গাঁৱলীয়া হোজা ব্যক্তি। গাঁৱৰ সকলোৱে তেওঁক "ভোলা" বুলিয়েই মাতিছিল। যদিও নামত ভোলা আছিল কামত কিন্তু ভোলা নাছিল। ভোলাই সকলো কামকে নিখুত ভাৱে কৰিব পাৰিছিল। সেয়েহে গাৱঁৰ সকলোৱে প্ৰত্যেক কামতে ভোলাক অগ্ৰাধিকাৰ দিছিল। সময়ৰ লগে লগে বিভিন্ন সমস্যাত নিপীড়িত গাওঁবাসীৰ মাজত ভোলাই নিতৌ কাম নোপোৱা হ'ল। সেয়েহে ভোলাই এদিনাখন দুটি ল'ৰা-ছোৱালীৰে সৈতে ঘৈনীয়েক পুৱালীক অকল-শৰীয়াকৈ এৰি কামৰ অনুসন্ধানত চহৰলৈ ঢাপলি মেলিলে। চহৰত গৈ ভোলাই কাম বিচাৰি বিভিন্ন ঠাইত ঘূৰি ফুৰিব ধৰিলে। কাম বিচাৰি নাপায়হে নাপায়। এনেদৰে ঘূৰি ফুৰোঁতে শৰীৰৰ ভাগৰ তথা পেটৰ ভোকে ভোলাক অৱশ কৰি তুলিছিল যদিও সি ক্লান্ত হোৱা নাছিল। অৱশেষত উপায়বিহীন হৈ ভোলাই চহৰৰ ফুট পাথৰ দাঁতিত পৰি থকা পেলনীয়া ঝাৰু এডাল হাতত তুলি ললে নিজৰ জীৱনৰ একমাত্ৰ সম্বল হিচাপে আৰু তাকেলৈয়ে পুনৰ আৰম্ভ কৰিলে নিজৰ কৰ্ম্ম জীৱন। চহৰৰ দাঁতিত থকা কিছুমান দোকান, কলঘৰ আদিৰ বাহিৰাংশ ভালদৰে সাৰি-পুছি তাৰ পৰা দুই এপইচা লৈ ভোলাই কথমপি মোকলাব পৰা হ'ল নিজৰ পেটৰ ভাতমুঠি। এনেদৰে কিছুদিন থকাৰ পিছত ভোলাৰ কামত মুগ্ধ হৈ কলঘৰৰ মালিক অতুল হাজৰিকাই ভোলাক নিগাজীকৈ কলঘৰৰ চাফ চিকুণৰ দায়িত্বত নিয়োগ কৰিলে। ভোলাৰ ব্যক্তিত্বই কলঘৰৰ সকলো কৰ্ম্মচাৰীকে

মুগ্ধ কৰি তুলিছিল। সেয়েহে সময়ৰ লগে লগে ভোলাই কলঘৰৰ অন্যান্য কাম-কাজতো সহায় আগবঢ়াব ধৰিলে। এনেদৰেই এদিন মালিক হাজৰিকাই কলঘৰৰ সমস্ত দায়িত্ব অৰ্পণ কৰিলে ভোলাৰ ওপৰত। মৃত্যুৰ ক্ষণ গণি থকা "দ্বীপ শিখা" কলঘৰত ভোলাক নিযুক্তি দিয়াৰে পৰা দোপত দোপে উন্নতিৰ পথত আগবাঢ়িব ধৰিলে। কলঘৰৰ প্ৰতিটো কথাতে ভোলাই চোকা দৃষ্টি ৰাখিব ধৰিলে। সেই হেতুকে কল ঘৰৰ বাকী কৰ্ম্মচাৰীবোৰ ভোলাৰ ওপৰত অতীষ্ঠ হৈ পৰিল আৰু তেওঁলোকে দিনে নিশাই ভোলাৰ বিৰুদ্ধে ষড়যন্ত্ৰ চলাবলৈ ধৰিলে।

এদিনাখন বন্ধৰ দিনত ভোলাই কলঘৰৰ ভিতৰত যাৱতীয় হিচাব নিকাচৰ কাম কৰি থাকোতে বাকী কৰ্ম্মচাৰীবোৰে বাহিৰৰ পৰা পেট্ৰোল ঢালি জুই জ্বলাই দিলে আৰু তেওঁলোক পলাই গ'ল। ভোলাই ভিতৰৰ পৰা আধাপোৰা হৈ হিচাব-নিকাচৰ কাগজ-পত্ৰবোৰ লৈ ওলাই আহি কথমপি প্ৰাণ ৰক্ষা কৰিলে। কলঘৰৰ জুই দপ্ দপ্‌কৈ জ্বলি উঠিল। এই খবৰ মালিক হাজৰিকাই পাই ততালিকে তালৈকে ঢাপলি মেলিলে। তাত গৈ ইকান সিকানকৈ শুনিবলৈ পালে ভোলাই হেনো এই কুকৰ্ম্ম কৰিলে। নহলেনো বন্ধৰ দিনাখন কিহৰ বাবে সি ভিতৰত সোমাই আছিল? হাজৰিকাই কথাটোৰ ভুলৈ গম পালে ভোলাই হেনো কলঘৰত জুই জ্বলাই দি হাতত কিবাকিবি লৈ পলাই যোৱা বহুকেইজনে দেখিছে। কথাটো শুনি হাজৰিকা স্তম্ভিত হৈ পৰিল। পিছত ভোলাক বিচাৰি গৈ চৰকাৰী হস্পিতালৰ বাৰাণ্ডাত লগ পাই সোধাত ভোলাই মৌন হৈ ৰ'ল আৰু কিছুসময় পিছত উত্তৰ দিলে —"কেনেকৈ কি হ'ল মই একো বুজা নাই। মই নিজকে বিশ্বাস কৰিবপৰা নাই। আপুনি হয়তো বিশ্বাস নকৰিবও পাৰে। মই আচলতে কলঘৰৰ ভিতৰত আছিলোঁ হিচাব-নিকাচৰ কাম কৰিহে। কথমপি দৌৰী ওলাই আহি জীৱনটো বচালো।" ভোলাৰ উত্তৰে হাজৰিকাক আৰু অধিক স্তম্ভিত কৰি তুলিলে। শেষত গৈ বিভিন্ন জনৰ কথাত পতিয়ন গৈ হাজৰিকাই ভোলাৰ ওপৰত মোকৰ্দমা তৰিলে। ভোলাৰ জীৱন কুসুম পাহি প্ৰভাতত ফুলা নাছিল। আউসীৰ এন্ধাৰে জোনৰ জেউতি নাইকীয়া কৰাৰ নিচিনাকৈ ভোলাৰ জীৱন-কুসুম পাহি অকালতে মৰহি যাৱলগীয়া হৈছিল। বিচাৰত চাৰিওপিনৰ পৰা ভোলাকে দোষী সাব্যস্ত কৰা হ'ল। কলঘৰৰ বাকী কৰ্মচাৰীবোৰে ভোলাৰ বিৰুদ্ধে মিচা সাক্ষী দিলে। বিচাৰৰ ৰায় স্বৰূপে ভোলাক কুৰি বছৰলৈ কাৰাবাস দিয়া হ'ল। ঘৰলৈ চিঠি লিখিছিল যদিও বেচেৰা ভোলাই কাৰাবাস খটাৰ পিছতহে ঘৰত খবৰ পালে। চিঠিৰ প্ৰথম ছুটা শাৰী পঢ়িয়েই পূৱালীয়ে চকুৰে ধূৱলি-কুৱলী দেখিলে। ডুনয়নেৰে দুধাৰী তপ্ত লোতক নিগৰি ওলাল। তেতিয়া আৰু ভোলাক বিচাৰি যোৱাৰ সামৰ্থ্য পূৱালীৰ নাছিল। ইমান দিনে অকলশৰীয়াকৈ থাকিও পূৱালীয়ে নিঃসঙ্গতা অনুভৱ কৰা নাছিল। সেইদিনাহে যেন ভোলাই সচাঁকৈয়ে এৰি গ'ল বুলি পূৱালীয়ে অনুভৱ কৰিছিল।

পূৱালীয়ে অশেষ কষ্ট কৰি ল'ৰা-ছোৱালীহালক মানুহ গঢ়াৰ সপোন ৰচনা কৰিলে। পূৱালীয়ে হাড়ক মাটি কৰি, তেজক পানী কৰি ল'ৰা-ছোৱালীহালক দোপত-দোপে বিভিন্ন দিশত আগবঢ়াই নিব ধৰিলে। শ্ৰেণীত সদায়ে প্ৰথম স্থান অধিকাৰ কৰি অহা বিপ্লৱ সচাঁকৈয়ে এজন



মেধাবী ছাত্ৰ। এইবাৰো দশম শ্ৰেণীত প্ৰথম স্থান পোৱাৰ গুৰিতে হ'ল মাক পূৱালীৰ অশেষ যত্ন আৰু ত্যাগৰ ফলশ্ৰুতি। স্কুলৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে বিপ্লৱৰ ব্যক্তিগত স্বাগতম জনাইছিল। বিপ্লৱৰ ওপৰতে আছিল তেওঁলোকৰ সমস্ত আশা ভৰসা

সেইদিনা পূৱালীয়ে ওচৰৰ বৰুৱাবাৰী গাৱৰ বৰবৰুৱাহঁতৰ ঘৰত ভুঁই ৰুই গধূলি আহি তেওঁ লোকৰ বাৰাণ্ডাৰ পকীখনতে অকণমান জিৰণি লৈছে। অলপ সময় পিছতে ৰান্ধনি লিগিৰী জনীয়ে একাপ চাহ দি গ'লহি। ঠিক সেই সময়তে বৰবৰুৱাহতঁৰ টেলিভিচনত সন্ধিয়াৰ বাতৰি আৰম্ভ হ'ল - "নমস্কাৰ, আজিৰ প্ৰধান বাতৰি সমূহ হল — ভাৰত আৰু পাকিস্থানৰ সীমান্তত থকা আৰক্ষী বাহিনীৰ মাজত সংঘৰ্ষ। হাইস্কুল শেষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা, ....... এতিয়া বিতং বাতৰি.......। আজি দিনৰ থিক এঘাৰ বজাৰ লগে লগে অসমৰ সকলো কেন্দ্ৰতে হাইস্কুল শেষান্ত পৰীক্ষাৰ ফলাফল সমূহ ঘোষণা কৰা হয়। পৰীক্ষাৰ ফলাফল অনুসৰি প্ৰথম দহখন আসন দখল কৰা ছাত্ৰ-ছাত্ৰী সমূহ ক্ৰমে বিপ্লৱ চৌধুৰী, অঞ্জন পাঠক, ....... ।"

চাহকাপ হাতত লৈ প্ৰথম ঢোকটো দিছিল মাত্ৰ। কথাষাৰ শুনাৰ লগে লগে পূৱালীৰ হিয়াত প্ৰশান্তৰ জোৱাৰ সৃষ্টি হ'ল। দিনৰ সকলো ডুখ-ভাগৰ পাহৰি গ'ল। চাহ খোৱা আৰু নহ'ল। সেইদিনা বৰবৰুৱাৰ পৰা পইচাওঁ নললে। "বৰুৱা বাবু" যাওঁ, পইচা পিছত নিম দিয়ক বুলি কৈ ঘৰলৈ বুলি ঢাপলি মেলিলে।

সিফালে বিপ্লৱে মাক সোনকালে উভতি নহা কাৰণে মাকক বিছাৰি যাৱলৈ ওলাই আহি পদূলী মুখ পালে। দূৰৈৰ পৰা মাকক দেখি 'মা' মই প্ৰথম স্থান পাইছো' দৌৰি গৈ মাকক সাৱতি ধৰিলে। তেনেকৈয়ে দুয়ো দুয়োকো সাৱতি ধৰি ঘৰলৈ সোমাই আহিল।

বিপ্লৱে কলে,— "মা, লগৰ ল'ৰাবোৰে চাহ খুৱাবলৈ ইমান জোৰ কৰিছিল কিন্তু মোৰযে পকেটত পইচা নাই। তেওঁলোকে অত্যন্ত জোৰ কৰাত কাইলৈ খুৱাম বুলি কৈ আহিছো! কাইলৈ তুমি যেনেতেনে অলপ পইচা দিব লাগিব।"

মাকে কলে— "হব বাছা চিন্তা নকৰিবি ঈশ্বৰে সহায় কৰিলে সকলো হব। আজি বৰবৰুৱাহঁতৰ ঘৰৰ পৰা পইচা অনা নাই। চাউল নাই যদিও টেকেলীত আগৰে কেইটামান তপতোৱা গুৰি আছে। আজিলৈ সেইখিনিকে খাব পৰা যাব। আজিৰ পইছা কেইটা কাইলৈ তুমি নিব পাৰিবা। এনেদৰে কথা পাতি থাকোতে হঠাৎ গিৰি-য়েকলৈ মনত পৰি পূৱালী শোকভিভূত হৈ পৰিল। শোকাতুৰ কণ্ঠে তাই কলে আজি যদি দেউতাৰা থাকিলহেঁতেন....... !

জেলত থাকিও ভোলাই পুতেকৰ খবৰ নোপোৱাকৈ থকা নাছিল। টেলিভিচনৰ ওচৰত বহি থকা ভোলাই পুতেকৰ বাতৰিটো পায়েই ডুখৰ মাজতো আশাৰ ৰেঙলি দেখি আনন্দতে যেকুৰিবলৈ ধৰিলে। ওচৰত থকা কয়েদীবোৰে বুঢ়ালৈ চাই বিভিন্ন মন্তব্য কৰিলে। কোনোবা এজনে কলে— "ঐ বুঢ়াই হিন্দী চিনেমা চুটিং কৰিব জানে দেখোন? আন এজনে প্ৰত্যুত্তৰত কলে বুঢ়াই "দিল কা ক্যায়া কচুৰ" চুটিং কৰি আছে। কিন্তু কোনে জানিছিল বুঢ়াৰ এই হাঁহি কান্দোনৰ মৰ্ম কি?

বিপ্লৱক নামভৰ্ত্তিৰ বাবে আদৰি নিবলৈ বহুকেইখন উচ্চখাপৰ কলেজৰ পৰা আবেদন পত্ৰ আহিল। মাকে বিপ্লৱৰ নামভৰ্ত্তিৰ বাবে পইচা

বিচাৰি বিভিন্ন জনৰ ওচৰলৈ গ'ল। কোনেও কিন্তু তেওঁৰ প্ৰতি অকণো সহানুভূতি নেদেখুৱালে। বিভিন্ন জনে বিভিন্ন ধৰণে মন্তব্য কৰিলে। ববৰুৱাই কলে— "পঢ়াই শুনাই কি লাভ যি পঢ়িলে পঢ়িলে, এতিয়া আৰু পঢ়োৱাৰ কথা বাদ দিয়া। বিপ্লৱ মোৰ তাতেই থাকক খোৱা-লোৱা, পিন্ধা-উৰা ময়েই দিম তদুপৰি তোমাক মাহে মাহে একুৰি এক টকাকৈ দিম। তুমিনো এডমিচ্‌ন দিবলৈ ইমান টকা ক'ত পাবা? কোনেনো দিব তোমাক ইমান টকা? ডাক্তৰ বৰাই কলে পইচা গছত লাগে নেকি? খুজিলেই পায়। আমাক কোনোবাই এনেয়ে দিয়ে নেকি? এনেদৰে বিভিন্নজনৰ ওচৰলৈ গৈ দিনৰ দিনটো ঘূৰি ফুৰি পইচা নেপাই ব্যৰ্থ মনেৰে গধূলি ঘৰলৈ উভতে। গোটেই দিনতো অনাহাৰে ঘূৰি ফুৰাত দেহৰ ভাগৰ তথা ব্যৰ্থতাৰ গ্লানিয়ে তাইক অৱশ কৰিতোলে। ৰাতি হোৱাৰ লগে লগে তাইৰ গাত জ্বৰ আৰম্ভ হয়। ৰাতি অধিক হৈ অহাৰ লগে লগে জ্বৰো অধিক হৈ আহিবলৈ ধৰে। এইফালে বাহিৰত বতাহ বৰষুণ আৰম্ভ হয়। আনফালে ডাক্তৰ আনিবলৈ ফুটাকৰি এটাও নাই। নিৰুপায় অৱস্থাত পৰি বিপ্লৱে বতাহ বৰষুণক আওকাণ কৰি পইচা নোহোৱাকৈ ডাক্তৰৰ ওচৰলৈ ঢাপলি মেলিলে।

ডাক্তৰে প্ৰথমে টকাৰ কথাহে ক'লে। কুৰি টকা নিদিলে হেনো তেওঁ এই ৰাতিখন আহিব নোৱাৰে। ডাক্তৰৰ ওচৰৰ পৰা আতৰি গৈ বিপ্লৱে পুনৰ বিভিন্নজনৰ ওচৰলৈ পইচা বিচাৰি যায় যদিও পইচা নেপায় ব্যৰ্থ হৈ নিৰাশ মনেৰে ঘৰলৈ উভতে। এইফালে ঘৰত মাকৰ জ্বৰ বৃৰত উঠি ভ্ৰম বকিবলৈ ধৰিছে। ভনীয়েক মানসীয়ে অসহায় ভাৱে ওচৰত বহি ফেকুৰিবলৈ ধৰিছে। আনফালে বাহিৰত প্ৰৱল বেগেৰে ধুমুহা ববলৈ ধৰিছে। বতাহৰ ৰো ৰো-সো সো শব্দ আৰু মাজে মাজে বিজুলী ঢেৰেকনি বাহিৰে অইন একো শুনা নেযায়।

দুয়ো ভাই ভনীয়েকে মাকৰ দুয়োকাষে বহি বিভিন্ন ধৰণে শুশ্ৰূষা কৰিব ধৰিলে। যদিও তেওঁলোকৰ শুশ্ৰূষাই কোনো ফল নধৰিলে। লাহে লাহে মাকৰ মাতটো থোকাথুকি হৈ আহিবলৈ ধৰে। থোকাথুকি মাতেৰে মাকে তেওঁলোকক কবলৈ ধৰিলে— "বাচাহঁত দেউতাৰাই অকলশৰে এৰি থৈ গুছি গ'ল কাৰাগাৰলৈ। ময়ো তহঁতক এৰি যাবলৈ ওলালো। দুয়ো-দুয়োকো হাতে-হাত ধৰি জীৱন বাটত বাট বুলিবি। জীৱন বাটত খলাবমা বহুত ভালদৰে ছাই চিতি খোজ দিবি। নহলে পিচ'লি পৰিবি।" মাকে তেনেদৰে কোৱা শুনি মানসীয়ে কান্দোন ৰাখিব নোৱাৰিলে, তাই ডাঙৰকৈ কান্দি দিলে আৰু কলে— "মা তেনেকৈ নকবা তুমি আমাক এৰি থৈ নেযাবা মা তুমি নেযাবা…… .. " মাকে দুয়োজনকে সযোৰে সাৱটি ধৰি শেষ বাৰলৈ অকৃত্ৰিম মাতৃসুলভ মৰমেৰে দুয়োকো দুটি চুমা খালে। লগে লগে এই সংসাৰৰ পৰা মাক চিৰদিনলৈ গুচি গ'ল।

জেলত পুৱতি নিশা প্ৰশান্ত চৌধুৰীয়ে সাৰ পায় শুনিবলৈ পালে বাহিৰত কেটু চৰাইটোৱে কৰ্কশ ভাৱে নিউ নিউকৈ চিঞৰিবলৈ ধৰিছে। তেওঁৰ বৰ আমনি লাগিল। শুই থাকিব নোৱাৰি বাহিৰলৈ বুলি উঠি আহি দুৱাৰখন মেলি প্ৰথম খোজটো দিছে মাত্ৰ, জেলত সকলোৰে পৰিচিত "চিমি" নামেৰে মাইকী মেকুৰীজনীয়ে অসহায়ভাৱে চিঞৰি চিঞৰি সন্মুখেৰে দৌৰমাৰিলে। ভোলাই বুজি পালে ঘৰবাত নিশ্চয় কিবা অঘটন ঘটিছে। ভোলাৰ সৰ্বশৰীৰ সিঁয়ৰি উঠিল।

মাকৰ মৃত্যুৰ পিছৰ পৰাই দুয়ো ভাই ভনীয়েক অকলশৰীয়া হৈ পৰিল। মানসী অতিশয় চোকা বুদ্ধিৰ ছোৱালী আছিল। যোৱাবেলি মজলীয়া বিদ্যালয়ত সুখ্যাতিৰে বৃত্তি লাভ কৰিছিল। যদিও ঘৰৰ আৰ্থিক দুৰৱস্থাই তাইক বাধ্য কৰাইছিল স্কুলীয়া জীৱন পৰিত্যাগ কৰিবলৈ। মাকৰ মৃত্যুৰ পিছত বিপ্লৱেও পঢ়াৰ আশা সমূলি বাদ দি দিলে। তেওঁলোকৰ একমাত্ৰ চিন্তা হৈ পৰিল জীৱিকা নিৰ্ব্বাহৰ। কেনেকৈনো দুবেলা দুমুঠি পেট পুৰাই খাব পাৰে। ইয়াৰ কেইদিনমান পিছতে এদিনাখন সন্ধিয়া দুই ভাই ভনীয়েক চোতালত বহি আছিল। সেই সময়তে মানসীৰ বান্ধৱী সীমা আহি জনালেহি যে— তেওঁলোকৰ ঘৰৰ ওচৰত থকা উইভিং খনত সূতা কটা কামৰ বাবে মহিলা কৰ্মচাৰী বিচাৰিছে। তদুপৰি তাই ইতিমধ্যে তাত কাম কৰিবলৈ নাম পঠিয়াইছে। খবৰটো পাই মানসীৰ বৰ ভাল লাগিল। আৰু ততালিকে তায়ো গৈ তাত ভৰ্তি হ'ল। দুয়ো বান্ধৱীয়ে ৰংমনেৰে কামলৈ যাবলৈ আৰম্ভ কৰিলে।

এইদৰে উইভিঙত কাম কৰি থাকোতে এদিনাখন কথা প্ৰসঙ্গত সীমাই মানসীক ককায়েকৰ কথা সুধিলে। ক'ত নামভৰ্তি কৰিলে? কি পঢ়িব বিচাৰিছে? ইত্যাদি ইত্যাদি। কাৰণ সীমাই ইতিমধ্যে ককায়েকৰ ৰিজাল্টৰ বিষয়ে শুনিছিল। মানসীয়ে দুখ মনেৰে সকলো বিবৰি কলে, আৰু লগতে এইটোও কলে যে-ককায়েকে বৰ্তমান নামভৰ্তিৰ আশা সমূলি বাদ দিছে।

মানসীৰ কথাই সীমাকো মৰ্ম্মাহত কৰি তুলিলে। দুখীয়াৰ দুখ দুখীয়াইহে বুজে। সীমাই কলে— "মোৰ দেউতাই যোৱা সপ্তাহত চৰকাৰৰ পৰা বৃদ্ধ পেঞ্চন হিচাবে ছশ টকা পাইছে। টকাখিনি দেউতাই নিপাত কিনিবলৈ থৈছে। মই অহাকালি দেউতাক সুধি আহিম, যদি ইতিমধ্যে টকাখিনি খৰচ হোৱা নাই তেন্তে দেউতাই টকাখিনি নিশ্চয় দিব।

মানসীয়ে কলে তেন্তে তুমি অহাকালিয়েই যেনেতেনে খবৰটো দিবা, কাৰণ পৰহিলৈ কলেজত নাম ভৰ্ত্তি হব।

সীমা ঘৰলৈ আহিয়েই দেউতাকক মানসীহঁতৰ সকলোখিনি কথা বিবৰি কলে। দেউতাকে অকুণ্ঠমনে মানি ললে। তেওঁ কলে— "হবযা দিম, নাবাৰ ঘৰ হলেও আমিতো চলি আছোৱেই। দুখীয়া নিচলা ল'ৰা। কেনেবাকৈ এডমিচনটো লব পাৰিলে কিজানি অলপ আগবাঢ়ি যাব পাৰেই।

দ্বিতীয় দিনা মানসীয়ে উইভিঙলৈ গৈ সীমাৰ কথাযাৰৰ অপেক্ষাত ৰৈ থাকিল। সীমাৰ সেইদিনা উইভিঙলৈ যোৱাত অলপ পলম হ'ল। সীমা গৈয়েই মানসীক লগ কৰি খবৰটো জনালে যে দেউতাৰ টকাখিনি আছে। আৰু দিম বুলি কৈছে। তুমি যেতিয়াই যোৱা তেতিয়াই লৈ আহিব পাৰিবা। খবৰটো শুনি মানসীৰ বৰ ভাল লাগিল।

গধূলি ঘৰলৈ আহি মানসীয়ে ককায়েকক খবৰটো জনালে। আৰু পইচাখিনি আনিবলৈ যাবলৈ ক'লে। ভনীয়েকৰ কথা বিশ্বাস নকৰি বিপ্লৱে ঠাট্টাৰ সুৰত কলে— মোক পইচা নালাগে মই এডমিচন নলওঁ। তয়েই আনগৈ তোৰ বিয়াৰ বাবে এযোৰ ধুনীয়া পাট কাপোৰ কিনি থব পাৰিবি। ককায়েকক সৈমান কৰাব নোৱাৰি

পিছদিনাখন ৰাতিপুৱা উঠিয়েই হাত মুখ ধুই মানসীয়ে নিজেই সীমাহঁতৰ ঘৰলৈ গ'ল পইচা আনিবলৈ। মানসী গৈ পোৱাৰ লগে লগে সীমাৰ দেউতাকে কোনো কথা নেসোধাকৈ গোটেইখিনি পইচা উলিয়াই দিলে, আৰু কলে— সোনকালে যোৱা 'মা'. পলম কৰিলে সেইফালে ককায়েৰাৰ পলম হব পাৰে। পইচাখিনি হাতত লৈ মানসীয়ে কলে— জেঠাইদেউ মোক ইমান পইচা নেলাগে মাত্র দুশ টকা হলেই হৈ যাব। বুঢ়াই কলে—মই দিছো নহয়, এড্মিচন বুলিলে আৰু অন্যান্য খৰচ নাই জানো? মানসীয়ে দুশ টকা হাতত লৈ বাকীখিনি উভতাই দি কলে জেঠাইদেউ, প্রয়োজন হলে পিছত নিম, এতিয়া এইখিনিৰে হৈ যাব। মানসীয়ে দুশ টকা লৈ ঘৰলৈ ৰাওনা হ'ল। ঘৰলৈ গৈয়েই টকাখিনি ককায়েকৰ হাতত তুলি দিলে। বিপ্লৱে টকাখিনি হাতত লৈ আনন্দতে জপিয়াই উঠিল। কাৰণ ইমান সময়ে তেওঁ অলপো কর্ণপাত কৰা নাছিল। টকাখিনি পাই বিপ্লৱে নামভর্ত্তিৰ বাবে কলেজলৈ গ'ল। ভনীয়েক মানসীয়ে উইভিঙত কাম কৰিয়েই ককায়েকৰ সমস্ত খৰচ বহন কৰিবলৈ ধৰিলে। এইদৰে ভনীয়েকৰ ওপৰত নির্ভৰ কৰিয়েই বিপ্লৱ এইবাৰ গুৱাহাটী মেডিকেল কলেজৰ তৃতীয় বার্ষিকৰ ছাত্র। ককায়েকক পঢ়োৱাৰ বাবে মানসীয়ে অশেষ কষ্ট কৰিছিল। ককায়েকক লৈয়েই মানসীয়ে আশাৰ সপোন ৰচনা কৰিছিল। মানসীয়ে ভাবিছিল ককায়েক এদিন ডাক্তৰ হব, ককায়েকৰ লগত থাকি মহা-সুখে দিন কটাব পাৰিব। মেডিকেল কলেজত বিপ্লৱৰ প্রিয় বন্ধু তেজ হাজৰিকা। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সাগৰ হাজৰিকাৰ এক মাত্র পুত্র। এদিনাখন বন্ধুৰ নেৰানেপেৰা অনুৰোধত বিপ্লৱে তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ গ'ল। সেইদিনাই চিনাকি হ'ল তেজৰ একমাত্র ভনীয়েক তুলিকাৰ লগত বিপ্লৱ চৌধুৰীৰ। যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়া "বিপ্লৱ" আৰু "তুলিকা" প্রথম সাক্ষাতে দুয়ো দুয়োৰো প্রতি আকর্ষিত হৈ পৰিল। আৰু এই আকর্ষণেই এদিন প্রণয়ৰ চূড়ান্ত সীমা পালেগৈ। মেডিকেল কলেজৰ পৰা সুখ্যাতিৰে উত্তীর্ণ হৈ বিপ্লৱে তেজপুৰ ষ্টেটেল হস্পিতালত নিজৰ কর্মজীৱনৰ পাতনি মেলে। বিপ্লৱে চাকৰি পোৱাৰে পৰা মানসীয়ে উইভিঙৰ কাম বাদ দি ককায়েকৰ লগত থাকিবলৈ লয়। ইয়াৰ এবছৰ পিছতে সাগৰ হাজৰিকাৰ একমাত্র কন্যা তুলিকাৰ লগত বিপ্লৱৰ বিয়া হৈ যায়।

বিয়াৰ পিছৰে পৰা সম্ভ্রান্ত ঘৰৰ অত্যাধুনীকা তুলিকাই গাওঁৰ সাধাৰণ পৰিৱেশত থকা সাধাৰণ ভাবেই চলা-ফুৰা কৰা মানসীক ভাল নোপোৱা হ'ল। ককায়েকৰ অলক্ষিতে তুলিকাই মানসীক নানান ধৰণৰ অত্যাচাৰ কৰিবলৈ ধৰিলে। এদিনাখন ককায়েক অফিচলৈ যোৱা সময়ত, সদায়ে পিন্ধি যোৱা চার্টটোত দুটা কিহবাৰ দাগ পৰা হেতুকে ভনীয়েকক সেইটো ধুবলৈ কৈ অন্য এটা পিন্ধি গ'ল। ককায়েক অফিচলৈ যোৱাৰ পিছত মানসীয়ে চার্টটো ধুবলৈ গৈ দাগটো ঘহি আছে। এনেতে নবৌয়েক কৰবাৰ পৰা আহি দাগটো দেখি দিলেহি দুটা চৰ সোধাই। কেনেকৈ এইবোৰ লগালি শাখিনী? খুমটো নায়েই একো, কাপোৰ ধোৱা দেখুৱাবলৈ আহিছ! থ এইবোৰ তই আমাক কাপোৰ ধুই দিব নেলাগে। চৰ খাই গুলমূৰ কৰি একো নোকোৱাকৈয়ে মানসীয়ে তাৰ পৰা আতৰি আহিল। ককায়েকক কৈ দিব খুজিছিল।



কিন্তু নকলে— তাই ভাবিলে, অতদিনে কপালৰ ঘাম মাটিত পেলাই ময়েইটো ককাইদেউৰ এই সোণৰ সংসাৰখন গঢ়ি তুলিলো। কিন্তু আজি মোৰ বাবেই যদি ককাইদেউৰ সংসাৰখনত ব্যাঘাট জন্মে তেন্তে মোৰ অতদিনৰ শ্রম কেনেকৈ সার্থক হব! তাতোকৈ নোকোৱাই ভাল। ময়েই আতৰি যাওঁ, দূৰৈৰ পৰা দেখি হলেওঁ ককাইদেউ বুলি সান্তনা লভিব পাৰিম। অন্ততঃ দেউতা আৰু মাৰ আত্মাই অকণ শান্তি পাব।

ককায়েক অফিচৰ পৰা অহাত মানসীয়ে মিচাকৈয়ে কলে— কাকাইদেউ, অতদিনে গাওঁত থাকি গাৱলীয়া পৰিবেশত চলা ফুৰা কৰি ইয়াত মোৰ অকনো মন বহা নাই। মোৰ ইয়াত থাকি অকনো ভাল লগা নাই। মই ইয়াত নেথাকো, অহাকাইলৈ তুমি যেনেতেনে মোক গাওঁত থৈ আহিবা। বিপ্লৱৰ সন্দেহ উপজিল। কাৰণ আজি এবছৰে মানসী ইয়াত থাকি একো নকলে। অথচ বিয়াৰ আজি এমাহ হোৱাই নাই....... ? যদিওঁ ভনীয়েকৰ নিখুঁত অভিনয়ত ককায়েকে একো টলকিবই নোৱাৰিলে। পিছদিনা বিপ্লৱে ভনীয়েকক থবলৈ ওলাইছে, এনেতে তুলিকাই মাত লগালে— আজি আমাৰ জেঠাইহতঁৰ ভাইটিৰ জন্মদিন। পৰহিয়েই মাতি গ'ল মই আপোনাক কবলৈ পাহৰিছোৱেই। আজি আপুনি গাওঁলৈ যাব নোৱাৰে, তালৈকে যাব লাগিব, নহলে জেঠাইহতেঁ অত্যন্ত বেয়া পাব।

নবৌয়েকে তেনেদৰে কোৱা শুনি ককায়েকে উত্তৰ দিয়াৰ আগতে মানসীয়ে মাত লগালে, — ককাইদেউ নগলেওঁ হব, মই অকলে যাব পাৰিম। ইমান দিনে অকলশৰে থাকিলোঁ, এতিয়া আৰু এইখিনিকে যাব নোৱাৰিমনে? তদুপৰি গাড়ীতটো অকলশৰে যাব নেলাগে। ককায়েকে পইচা দিব বিচাৰিছিল, যদিওঁ মানসীয়ে নললে, আগৰে উইভিঙত কাম কৰা পইচা থকা বুলি ক'লে। যাবৰ সময়ত ককায়েকক মাথোন কৈ গ'ল— ককাইদেউ মোৰ এটাই মাত্র অনুৰোধ আপুনি যেন মোৰ সেই অকলশৰীয়া বিপ্লৱ ককাইদেউ গুচি বিপ্লৱ হাজৰিকা হৈ নপৰে। ভনীয়েকৰ কথাৰ মর্ম বুজিব নোৱাৰি বিপ্লৱে ডাঙৰকৈ হাঁহি দিলে। ককায়েকৰ পৰা বিদায় লৈ নিৰাশমনেৰে অকলশৰে ঘৰলৈ বুলি ৰাওনা হ'ল। ঘৰ আহি পোৱাৰ লগে লগে সন্ধিয়া নামি আহিল।

সন্ধিয়াৰ বেলিটিৰ ক্ষীণ হাঁহিটিয়ে মানসীৰ মনটো সেমেকাই তুলিলে। সেইদিনা মানসীৰ চকু পানী চাবলৈ ওচৰত কোনো নাছিল।

★★

# -ঃ সমাজিক ঃ-

**চৈয়দ ৰিদুল হুছেইন**
স্নাতক, ২য় বৰ্ষ (কলা)

মাকৰ কাণ তাল মৰা গালি শুনি ইতিমধ্যে তিনি চাৰি ঠাইত চাপলি মৰা গাৰুৰ তলত ভাঁজ লগাই থোৱা পেন্টটো উলিয়াই আলফুল-কৈ পিন্ধি ললে দিবাকৰে।

ৰাতিৰে কৰ্কৰা ভাত দুটামান কেঁচা জল-কীয়াৰে নাকে-মুখে গুজি মাকৰ পৰা দহ টকীয়া নোট দুখন লৈ আৰু তাৰ নিজৰে জমা কৰা খুচুৰা ৰাৰ টকামান লৈ বাছষ্টেণ্ডলৈ খোজ ললে সি।

দিবাকৰে যোৱা বছৰ বি-এচ চি ফাইনেল পৰীক্ষাত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান পাইছে; কিন্তু বুঢ়ী মাক গৰাকীক সুখ দিবৰ বাবে এটা চাকৰি সি যোগাৰ কৰিব পৰা নাই। কেইদিন-মান আগতে মাষ্টৰৰ চাকৰি এটাৰ বাবে আবে-দন কৰিছিল। আজি তাৰে সাক্ষাৎকাৰ আছে। সি জানে গৈ লাভ নাই। কাৰণ সি চাকৰি নাপায়। কিয় নাপায় তাকো সি জানে। মাকৰ বকনি সহ্য কৰিব নোৱাৰিহে সি ওলাইছে।

বাছ এখন ওচৰতে ৰ'লহি। মানুহেৰে ঠাহ খাই থকা বাছখনত কোনোমতে উঠিল। দুজনীমান ছোৱালীয়ে তাৰ ফালে চাই ফিচিঙা-ফিচিঙি কৰিবলৈ ধৰিলে। চেঙেলীয়া ল'ৰা দুটা-মানে প্ৰকাশ্যেই তাৰ ফালে চাই হাঁহি দিলে। জানিও নজনাৰ ভেম ধৰি দিবাকৰ নিৰ্বিকাৰ হৈ ৰ'ল। অলপ পিছতে কনডাক্টৰজনে আহি ভাড়া বিচাৰিলে। দিবাকৰে গণি গণি সাতটা নগদ টকা উলিয়াই দিলে। কনডাক্টৰজনে তাৰ ফালে কেৰাহিকৈ চাই সুধিলে,-- "কলৈ যাব?" সি লাহেকৈ উত্তৰ দিলে,— ''দিশপুৰলৈ।'

পল্টন বজাৰত কেইজনমান ডেকা ল'ৰা নতুনকৈ উঠিল। দিবাকৰে ছিট নাপায় থিয় হৈয়েই ৰ'ল। হঠাৎ এজন ডেকা আহি তাক মাত দিলে,— "দাদা, কলৈ যাব?" কনডাক্টৰজনক দিয়া উত্তৰটোকে আকৌ দিলে সি। দিবাকৰৰ কথা পতাৰ মুড নাই দেখি ডেকাকেইজন অলপ পিচুৱাই গ'ল। অৱশ্যে যোৱাৰ আগতে "বেয়া নাপাব দাদা, চিনাকি যেন পাইহে সুধিলো" বুলি ককালত লাহেকৈ থাপৰ এটা মাৰি যাবলৈ নাপাহৰিলে। ল'ৰাকেইজন ভঙাগড়ত নামি গ'ল।

অৱশেষত দিশপুৰত গাড়ীৰ পৰা নামিল দিবাকৰ। নিৰ্দিষ্ট স্থানলৈকে বেগাই খোজ ললে। সাক্ষাৎকাৰ দিবলৈ যোৱা ল'ৰা-ছোৱা-লীৰ ভিৰ দেখি দিবাকৰ থৰ লাগিল। পেপাৰত দিয়া মতেটো মাত্ৰ ৭০টাহে আছিল পোষ্ট, কিন্তু ইয়াতচোন ল'ৰা-ছোৱালীয়ে আছে ৭০০০ মান। যি হয় হ'ব বুলি ভাবি দিবাকৰ অফিচলৈ সোমাই গ'ল।

সাক্ষাৎকাৰ তাৰ ভালেই হৈছিল কিন্তু সি যে চাকৰি নাপায় তাক সি বেছি ভালদৰে বুজিলে তেতিয়া, যেতিয়া তাৰ লগৰে প্ৰাৰ্থী এজনে বাছনি সমিতিৰ সদস্য কেইজনক উইলচ্ চিগাৰেটেৰে "Good Morning" যাচিলে।

'যি হ'ল হ'ল' বুলি ভাবি দিবাকৰ ওচৰৰে চাহৰ দোকান এখনত সোমাল। গাড়ী অহা লৈকে অলপ বহাও হ'ল আৰু চাহো খোৱা হ'ল। সেই ভাবিয়ে সি চাহ আধাকাপ অনালে।

সাক্ষাৎকাৰ কথাটো মনত পৰাত টিঙিচকৈ খং উঠি আহিল তাৰ। কি দৰকাৰ এইবোৰ ভেকো ভাওনা পতাৰ? সিহঁতৰ নিচিনা দুখীয়া শ্ৰেণীটোৰ ল'ৰা-ছোৱালীয়ে ইমান আলৈ আহু-কালৰ মাজেদি সাক্ষাৎকাৰ দিবলৈ আহে অথচ দিয়া নিদিয়া সিহঁতৰ বাবে সমান: কিন্তু মন্ত্ৰী, এম, এল, এৰ পুতেক জীয়েকহঁতৰ বাবে ভতিজা ভাগিনহঁতৰ বাবে চাকৰি ফ্ৰি। টকা দিলে সিও পালেহেঁতেন ফৰেষ্টত চাকৰি এটা; কিন্তু টকা দিব নোৱাৰা বাবে তাৰ চাকৰি চাকৰি হৈয়েই থাকিল। নোপোবাৰ বাটেৰেই সি ঘূৰি ফুৰিব লগা হ'ল।

ট্ৰাক এখনৰ বিকট হৰ্নত দিবাকৰ চক খাই উঠিল। ছিঃ এইবোৰ ভাবিতো একো লাভ নাই! দোকানত দিবলৈ বাকী থকা টকাখিনি পৰিশোধ কৰাৰ মানসেৰে চাৰ্টৰ পকেটত হাতখন ভৰাই ৰৈ গ'ল সি। আকৌ ভালদৰে বিচাৰি চালে, ঠিকেই। পকেটত মাকে দিয়া টকা বিশটা নাই। ক'ৰবাত পৰিল নেকি বাৰু? মনতে ভাবিলে সি। নে সিয়েই ক'ৰবাত খৰচ কৰিলে? ওহো একো মনত নপৰিল তাৰ। তেনেহলে? তেনেহ'লে,.... এ'ৰা। পল্টন বজাৰত উঠা ডেকা কেইজনৰ এজনে যে তাক এনেয়ে মতা নাছিল সি এতিয়াহে বুজি পালে।

বৰ দুখ লাগিল দিবাকৰৰ। মাকে কিজানি পাৰ নহলে হাঁহৰ কণী বিক্ৰী কৰি সেই টকা বিশটা সাঁচিছিল। পুতেকে সাক্ষাৎকাৰ দিব, চাকৰি পাব। মাক পুতেকে সুখেৰে এমুঠি খাব পাৰিব........আৰু বা কত কি চিন্তা!

তাৰ হাতত এতিয়া পাচ নে ছটকাহে আছে। তাৰে চাহৰ পইচা দি সি ঘৰ পাব নে নেপায় সন্দেহ। কনডাক্টৰৰ হাতে ভৰিয়ে ধৰি সি কিবাকৈ যাবই লাগিব; কিন্তু মাকে যদি ৰৈ আছে "দিবাকৰ আহিলে তাৰ হাতত ৰোৱা পইচাৰে কঁকালৰ বিষৰ পিলকে দুটামান আনি-বলৈ দিম; নহলে মই ৰব নোৱাৰো অ' নৰেনৰ মাক।" সি বাৰু মাকক তেতিয়া কি বুলি কব? 'মা', মোৰ পইচাখিনি........আজি নহয়, মা"....।"

চিন্তাৰ সোঁতত নিজক এৰি, সন্মুখৰ চাহৰ গিলাচটোলৈ একেৰাহে চাই ৰ'ল সি

★★



# সম্পাদকলৈ চিঠি

( মতামতৰ বাবে সম্পাদক দায়ী নহয় )

সম্পাদক ডাঙৰীয়া,

নমস্কাৰ গ্ৰহণ কৰিব। ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ জৰিয়তে ৰঙিয়া মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ বিষয়ে মতামত দাঙি ধৰিবলৈ সুবিধাকণ দিয়া বাবে আপোনালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

নিৰ্বাচনৰ সময়ত এতিয়াৰ সাধাৰণ সম্পাদক আৰু আগৰ সাধাৰণ সম্পাদক ডাঙৰীয়াই অইন বহুতো প্ৰতিশ্ৰুতিৰ লগতে আমাৰ কনিষ্ঠা, ডিমুলৈকে এখন নিয়মীয়া কলেজ বাছ দিম বুলি কৈছিল ; কিন্তু নিৰ্বাচনৰ পিছত এই বিষয়ে এবাৰো খবৰ লবলৈ নাহিল। কিয় ঠগালে তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু ছাত্ৰ-সন্থাৰ সমূহ বিষয়ববীয়াই জনাব বুলি আশাৰে বাট চাই ৰলোঁ।

শ্ৰীনন্দেশ্বৰ চৌধুৰী
স্নাতক, ২য় বৰ্ষ (কলা)

---

সম্পাদক ডাঙৰীয়া,

মুকলি মুৰীয়াকৈ প্ৰশ্ন কৰাৰ সুবিধা কণ দিয়াৰ বাবে ধন্যবাদ। প্ৰশ্নৰ বিশেষত্ব এই যে—এখন শিক্ষানুষ্ঠান কিমান উন্নত বা অনুন্নত, সেই কথা শিক্ষানুষ্ঠানখনত পদাৰ্পণ নকৰাকৈয়ে আলোচনী খন আৰু পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি জানিব পাৰি। মই ভাবো কোনো এজন মানুহে উক্ত বিষয় দুটাৰ ওপৰত অধ্যয়ন কৰি ৰঙিয়া মহাবিদ্যালয় এখন অনুন্নত শিক্ষানুষ্ঠান বুলিয়েই কোৱাৰ সম্ভাৱনা বেছি। সেয়েহে মই মহাবিদ্যালয় কৰ্তৃপক্ষক কৰযোৰে অনুৰোধ কৰি জনাওঁ যে ৰঙিয়া মহাবিদ্যালয় এখন উন্নতমানদণ্ডৰ শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হবলৈ আৱশ্যকীয় সকলোবোৰ ব্যৱস্থা গ্ৰহণ কৰে যেন।

শ্ৰীপঙ্কজ কুমাৰ ডেকা
স্নাতক, ২য় বৰ্ষ ( কলা )



সম্পাদক ডাঙৰীয়া,

ৰঙিয়া মহকুমাৰ ভিতৰতে উচ্চ শিক্ষা লাভ কৰা শিক্ষানুষ্ঠান 'ৰঙিয়া মহাবিদ্যালয়'ৰ গ্ৰন্থাগাৰটোৰ অৱস্থা সঁচাকৈ শোচনীয়। গ্ৰন্থাগাৰটোত পঢ়াৰ সুস্থ পৰিৱেশ এটা আজিলৈকে হৈ নুঠাটো সঁচাকৈয়ে বৰ পৰিতাপৰ বিষয়। তাৰোপৰি গ্ৰন্থাগাৰটোৰ পৰিসীমা ঠেক হোৱা হেতুকে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। অফ্ পিৰিয়ডত পঢ়িম বুলি কিতাপ এখন হাতত লৈ বহা ঠাইৰ অভাৱত পঢ়িব নোৱাৰো। ছাত্ৰ-ছাত্ৰী বহা ঠাইত বিজুলী বিচনী নথকা কাৰণে গৰম কালি অসহ্য যন্ত্ৰণা ভুগিবলগীয়া হয়। গ্ৰন্থাগাৰৰ ভিতৰলৈ প্ৰৱেশ কৰি নিজ ইচ্ছানুসৰি কিতাপ এখন আনি পঢ়িব পৰাও নাযায়। কৰ্তৃপক্ষৰ ইচ্ছা অনুযায়ী যি কিতাপ দিয়ে, সেই কিতাপে পঢ়ি ক্ষান্ত থাকিব লগা হয়। তাৰোপৰি কিছুমান কিতাপ ঘৰত আনিব নিদিয়ে। যেনে—জ্যোতি প্ৰকাশৰ ৰচনাৱলী, বেজবৰুৱাৰ ৰচনাৱলী আদি। ইয়াৰ উপৰিও গ্ৰন্থাগাৰত মামনি ৰয়ছম গোস্বামী, হোমেন বৰগোহাঞি ভবেন্দ্ৰ নাথ শইকীয়া, ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী আদি লিখকৰ কিতাপ সমূহ নাই। হোমেন বৰগোঁহাঞি আৰু ভবেন্দ্ৰ নাথ শইকীয়াৰ দুই-চাৰি খন কিতাপ আছে যদিও, মামনি ৰয়ছম গোস্বামী আৰু ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ কিতাপ হলে এখনো নাই। গতিকে ভৱিষ্যতে যাতে উক্ত অভাৱ সমূহ পূৰণ কৰে তাৰ বাবে ছাত্ৰ-সন্থাৰ সমূহ বিষয়ববীয়া আৰু কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

গৌতম মহন্ত
স্নাতক, ৩য় বৰ্ষ ( কলা )

---

সম্পাদক ডাঙৰীয়া,

এইবাৰ ৰঙিয়া মহাবিদ্যালয়ৰ নামভৰ্ত্তিৰ মাচুল অইন বছৰৰ তুলনাত অত্যাধিক বৃদ্ধি পাইছে, যাৰ ফলত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে কলেজত পঢ়া অসম্ভৱ হৈ পৰিছে। সেই অনুপাতে কলেজত ছাত্ৰ-ছাত্ৰীক সুবিধা দিব পৰা নাই। কলেজত এটা চাইকেল ষ্টেণ্ড নাই যাৰ ফলত বৰষুণৰ ৰতৰত চাইকেল বিলাক ৰাৰাণ্ডাত ৰাখিবলগীয়া হয়। পুথিভড়ালত ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰিব পৰা উপযুক্ত সুবিধা নাই। গতিকে অত্যাধিক মাচুল বৃদ্ধি কৰাটো অযুক্তিকৰ হোৱা নাইনে ? ইয়াৰ বাবে কলেজ কৰ্তৃপক্ষ দায়ী নহয়নে ? এই ক্ষেত্ৰত মই ক'ব খোজো যে যিহেতু ছাত্ৰ-ছাত্ৰীসমূহৰ পৰা অত্যাধিক মাচুল লোৱা হৈছে, তেনে ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষই নীৰৱতা অৱলম্বন কৰাত সঁচাকৈয়ে মই আচৰিত নহৈ নোৱাৰিলোঁ।

শ্ৰীহৰিচন্দ্ৰ কলিতা
স্নাতক, ২য় বৰ্ষ ( কলা )

# মতামত

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ ২১ তম্ সংখ্যাত প্ৰকাশৰ বাবে উত্তৰ বিচাৰি আমি কিছু প্ৰশ্ন লৈ নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক বিশিষ্ট চিন্তাবিদ মাননীয় শ্ৰীযুত শশী শৰ্মাদেৱৰ ওচৰ চাপিছিলো। আমি কৰা প্ৰশ্ন সমূহৰ উত্তৰত তেখেতে বৰ্তমান সমাজৰ বিভিন্ন দিশ সামৰি লৈছে। আশাঁকৰো ইয়াৰ দ্বাৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হব।

**সম্পাদক—**

১। বৰ্ত্তমান ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই দেশৰ যুৱক সকলক কৰ্মমুখী কৰি তোলাৰ পৰিৱৰ্ত্তে চাকৰি মুখী কৰি তোলা পৰিলক্ষিত হৈছে। ইয়াৰ বাবে শিক্ষা ব্যৱস্থা দায়ী নে যুৱক সকল দায়ী বুলি আপুনি ভাৱে ?

২। বৰ্ত্তমান শিক্ষা পদ্ধতিৰ আমূল পৰিবৰ্তন কৰিব লাগে বুলি বহুতো ব্যক্তিয়ে মন্তব্য দি আছে। এই ক্ষেত্ৰত অকল শিক্ষা পদ্ধতিৰ সংস্কাৰ সাধন কৰি দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ পূৰ্ণ আমাৰ সমাজখন নিকা কৰাটো সম্ভৱ হব পাৰে বুলি আপুনি ভাবে নেকি— ?

৩। এজন ছাত্ৰক শিক্ষকে ভালদৰে পঢ়িবলৈ কোৱাত ছাত্ৰজনে উত্তৰ দিলে— "বৰ্তমান অসম ৰাজ্যত ভালকৈ পঢ়ি পৰীক্ষাৰ ফলাফল ভাল কৰি লাভ নাই। কাৰণ কৰ্ম নিযুক্তিৰ ক্ষেত্ৰত পৰীক্ষাৰ নম্বৰ বা ফলাফলৰ ওপৰত প্ৰাধান্য দিয়া হোৱা নাই। চাকৰি বজাৰৰ পণ্য সামগ্ৰীৰ দৰে বিক্ৰী হৈ আছে।" এই ক্ষেত্ৰত আপোনাৰ বক্তব্য কেনে ধৰণৰ আমি জানিব বিচাৰিছো ?

৪। বৰ্ত্তমান আমাৰ দেশ তথা ৰাজ্যৰ বহু অঞ্চলত সন্ত্ৰাসবাদী কাৰ্য্যকলাপ বৃদ্ধি পাইছে বুলি অহৰহ বাতৰি কাগজত প্ৰকাশ হৈ আছে। এই সন্ত্ৰাসবাদী সকলৰ সহজে ধন উপাৰ্জন কৰা পথটোৰ প্ৰতি বহুতো ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হৈ পৰিছে— আপুনি এজন সমাজৰ প্ৰতি দায়বদ্ধ নাগৰিক হিচাপে এই সমস্যা সম্পৰ্কত আপোনাৰ অভিমত আমি জানিব বিচাৰিছোঁ।



**প্ৰথম প্ৰশ্নৰ উত্তৰ :**

**মানুহ মূলত :** সমাজৰ সৃষ্টি, সামাজিক চিন্তা-ভাৱনা অনুসৰি মানুহে গঢ় লয়। পুৰণি ভাৰত বৰ্ষৰ শিক্ষাই শিক্ষাৰ্থী মাত্ৰৰে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষতা সাধনৰ ওপৰত সমানেই গুৰুত্ব আৰোপ কৰিছিল। ব্যক্তিগত আৰু সামাজিক জীৱনৰ কাৰণে মানুহক উপযোগীকৈ গঢ়ি তোলাই আছিল প্ৰাচীন ভাৰতৰ শিক্ষাৰ ঘাই লক্ষ্য। পুৰাণ, উপনিষদ আৰু সংহিতা আদিত এনে অসংখ্য কাহিনী আছে যিবোৰে জানিব দিয়ে যে আত্মনিৰ্ভৰশীলতাৰ কাৰণে শাৰীৰিক শ্ৰম আছিল বাধ্যতামূলক। আনহে নালাগে ছান্দোগ্য উপনিষদৰ অন্তৰ্গত সত্যকাম যাবালিকৰ আখ্যানেই তাৰ জলন্ত নিদৰ্শন। সেইখন ভাৰতত গুণ আৰু কৰ্ম অনুসৰিহে মানুহৰ জাত-কুল নিৰ্ণয় কৰা হৈছিল, জন্ম অনুসৰি নহয়।

কালক্ৰমত কিন্তু শ্ৰেণী-সমাজ কটকটীয়া হয় আৰু লগে লগে নিহকুলীয়া সকলে শিক্ষা বা জ্ঞান লাভৰ অধিকাৰ হেৰুৱাই পেলায়। ৰামায়ণৰ শম্ভুকবধ আৰু মহাভাৰতৰ একলব্য নিৰ্যাতন তাৰ জ্বলন্ত নিদৰ্শন। কদৰ্যপূৰ্ণ শ্ৰেণী সমাজে ক্ৰমে ক্ৰমে ভাৰতীয় সমাজক ঘুণে ধৰা বাঁহৰ দৰে খুলি খুলি খাবলৈ ধৰে। তাৰ ফলতে এটাৰ পিছত এটা বহিঃ আক্ৰমণ সংঘটিত হবলৈ ধৰে। শেষত সাম্ৰাজ্যবাদী ইংৰাজ শাসনে ভাৰতক তেনেই কাবু কৰি পেলালে। সিহঁতৰ শাসন ব্যৱস্থাক সহায় কৰিবলৈ কেৰাণী-মহৰী সৃষ্টি কৰাৰ কাৰণে প্ৰবৰ্তন কৰিলে ইংৰাজী মাধ্যমৰ শিক্ষা ব্যৱস্থা। শিক্ষা হৈ পৰিল কেৱল চাকৰি মুখী। ১৯৪৭ চনতে দেশে ৰাজনৈতিক স্বাধীনতা লাভ কৰিলে; কিন্তু শ্ৰেণী শাসন প্ৰবৰ্তি থকা কাৰণে জনগনৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশৰ অৰ্থে বা জনগণক স্বাবলম্বী কৰাৰ অৰ্থে শিক্ষা ব্যৱস্থা প্ৰবৰ্তনৰ প্ৰতি মন–কাণ দিয়া হোৱা নাই। শ্ৰম ভিত্তিক জীৱন আৰু সমাজমুখী শিক্ষা ব্যৱস্থা প্ৰবৰ্ত্তন কৰিব পৰাহেঁতেন, চাকৰি বিচাৰি যুৱক-যুৱতীসকল পিয়াপি দি ঘূৰি ফুৰিব লগাত নপৰিলহেঁতেন। ভাৰতৰ শিক্ষা ব্যৱস্থাই শ্ৰমক ঘিণাবলৈ হে শিকাইছে, পৰশ্ৰম জীৱী সকল হে বৰ্তমান ভাৰতৰ বৰলোক। এই সমাজ ব্যৱস্থা তথা কলুষতাপূৰ্ণ শিক্ষা ব্যৱস্থাই হ'ল সামাজিক অনগ্ৰসৰতা, হিংসা-ঘৃণা, অপায়-অমংগল আৰু যুৱ-সমাজৰ উচ্ছৃংখলতাৰ মূল কাৰণ।

**দ্বিতীয় প্ৰশ্নৰ উত্তৰ :**

সাধাৰণতে অৰ্থনৈতিক অৱস্থাক সমাজৰ মাতৃ গৰ্ভৰ লগত তুলনা কৰা হয়। মাতৃৰ উদাৰতা, মহত্বতা, সবলতাই শিশুৰ জীৱন গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে। ঠিক তেনেকৈ সমাজৰ অৰ্থনৈতিক পৰিস্থিতিয়েও সামাজিকৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। শিক্ষাই মানুহ মাত্ৰকে নিজৰ আৰু সমাজ-জীৱনৰ কাৰণে উপযোগী কৈ গঢ়ি তুলিব পাৰিলে, মানুহমাত্ৰেই যোগ্যতা-অনুসৰি শ্ৰমকৰাৰ অধিকাৰ পালে আৰু আৱশ্যক অনুসৰি শ্ৰমৰ ফলভোগ কৰাৰ অধিকাৰ পালে, মানুহ দুৰ্নীতিত লিপ্ত হ'ব বুলি বা পাৰস্পাৰিক হিংসা ঘৃণাত মত্ত থাকিব বুলি ভাৱিবই নোৱাৰি।

এটা ঐতিহাসিক নিদৰ্শন দাঙি ধৰিব বিচাৰিছোঁ। গ্ৰীক কটকী মেগেস্থেনিচৰ ভাৰত ভ্ৰমণ বৃত্তান্তৰ পৰা জনা যায় যে চন্দ্ৰগুপ্তমৌৰ্যৰ ৰাজত্ব কালৰ ভাৰতীয়ই মিছাকথা নকৈছিল; তেওঁলোক

আটায়ে আছিল স্বাৱলম্বী। তাৰ ফলত মিছা-বেশ্যাৰো স্থান নাছিল আৰু চোৰ চাতুৰীৰো স্থান নাছিল। তেতিয়াৰ ভাৰতৰ মানুহে দুৱাৰত তলা নলগাইছিল, চোৰ ধৰিবলৈ আৰক্ষীৰ প্ৰয়োজন নাছিল, শান্তিৰক্ষাৰ কাৰণে প্ৰয়োজন নাছিল সেনা বাহিনীৰ। আনকি পাপৰ পৰা নিবৃত্ত থাকিবলৈ ধৰ্মোপদেশ দিবলৈ আৱশ্যক নাছিল ধৰ্ম-যাজকৰ। সৎ মানৱীয় শিক্ষাৰ লগত স্বাৱলম্বনৰ অৰ্থনীতিৰ সংযোগ হোৱা কাৰণেহে যে দুৰ্নীতি মুক্ত এখন ভাৰতবৰ্ষ গঢ় লৈ উঠা সম্ভৱপৰ হৈছিল সেই বিষয়ে সন্দেহৰ কাৰণ নাই।

শিক্ষাৰ আমূল পৰিবৰ্তন ঘটিবই লাগিব, শিক্ষাই মানুহক স্বাৱলম্বনৰ কাৰণে আগ্ৰহী কৰি তোলাৰ উপৰি সমাজমুখী ৰূপেও গঢ়ি তুলিব লাগিব আৰু দেশৰ ৰাজনীতিয়ে সাম্যৰ আদৰ্শৰ ভেটিত শ্ৰেণীহীন শোষণহীন সমাজ ব্যৱস্থা গঢ়ি তুলিব পাৰিব লাগিব। শ্ৰেণীসমাজ থাকে মানে শোষণ দুৰ্নীতি, হিংসা-ঘৃণা থাকিবই। বৈষম্যই সকলো অশান্তি, অসূয়া আৰু দুৰ্নীতিৰ মূল। কিন্তু কেৱল ৰাজনৈতিক সদিচ্ছাৰে বিশুদ্ধ সমাজ কামনা কৰাও বৃথা প্ৰয়াস, শিক্ষা ব্যৱস্থাই এক নতুন সাম্যৰ সংস্কৃতি গঢ়ি তুলিব পাৰিবই লাগিব। ৰাজনীতি, অৰ্থনীতি আৰু শিক্ষানীতিৰ সম্মিলিত প্ৰচেষ্টাই হে সামাজিক আমূল পৰিবৰ্তন সাধন সম্ভৱপৰ কৰিব পাৰে। ইবোৰৰ সম্পৰ্ক অবিচ্ছেদ্য, বিচ্ছিন্ন কৰি চাব বিচাৰিলেই ব্যৰ্থতা পৰিলক্ষিত হোৱাৰ সম্ভাৱনা আছে।

**তৃতীয় প্ৰশ্নৰ উত্তৰ ঃ**

এই কথা পূৰাপূৰিকৈয়ে সঁচা। ই শ্ৰেণী শোষনৰ নিকৃষ্টতম্ ৰূপ। শ্ৰেণী প্ৰভুই কোনো দিনেই জনকল্যানৰ কথা বিবেচনা নকৰে; আইন, আদালত, ৰীতি, নীতি গঢ়ি তোলে শ্ৰেণী স্বাৰ্থপূৰণ আৰু প্ৰভুত্ব তথা খিতাপ চিৰ অটুট ৰখাৰ অনুকুলেহে। জনগণ জ্ঞানী গুণী হলে যে প্ৰভুত্বৰ আসন ঢলি পৰিবই, তাক প্ৰভুশ্ৰেণীয়ে বঢ়িয়াকৈ অনুভৱ কৰে। আৰু সেই কাৰণেই সৎ শিক্ষা আৰু সৎ সংস্কৃতি গঢ়ি তোলা তেওঁলোকৰ চিন্তাৰ বাজ। আদৰ্শৰ ৰাজহাড় বিহীন একাংশ পুতলা-মানুহ গঢ়ি তোলা তেওঁলোকৰ একান্ত কামনা। যি সততা, নিষ্ঠা মনুষ্যত্ববোধৰ মূল ভেটি, তাক শ্ৰেণী-প্ৰভু সকলে কাহানিবাই কবৰ দি থৈছে। এই কাৰণেই চা-চাকৰি লাভৰ ক্ষেত্ৰত গুণ আৰু কৰ্মক সমূলি স্বীকৃতি নিদিয়াত পৰিছে, স্বীকৃতি দিছে ধনৰ টোপোলাক। সকলো স্তৰৰ চা-চাকৰি হৈ পৰিছে বজাৰৰ পণ্য দ্ৰব্যৰ সদৃশ। ধনৰ টোপোলাৰ ওজন অনুসৰিহে চা-চাকৰি লাভ সম্ভৱপৰ হয় বুলি সৰ্বজন বিদিত হৈ পৰিছে। ইয়াৰ ফলত শিক্ষাৰ মান দ্ৰুত গতিত অবনত হৈছে; দেশৰ সভ্যতা সংস্কৃতিৰ ভেটি ধ্বংস স্তুপত পৰিনত হোৱাৰ পথত নামি গৈয়ে আছে।

**চতুৰ্থ প্ৰশ্নৰ উত্তৰ ঃ**

আত্মৰক্ষা আৰু বংশবৃদ্ধি হ'ল মানুহৰ আদিম আৰু অনন্ত বাসনা। যেতিয়া মানুহে স্বাচ্ছন্দ্যপূৰ্ণ ভাবে জীৱন-জীৱিকা নিৰ্বাহ কৰিবলৈ সমৰ্থ হয়, মানৱীয় মৰ্য্যাদাবোধো অটুট থাকে বুলি বিবেচনা কৰিব পৰা হয়; তেতিয়া গঢ় লৈ উঠে শান্তি-সম্প্ৰীতি আৰু সৌহাৰ্দ্যৰ পৰিৱেশ। কিন্তু যেতিয়া অন্ন-বস্ত্ৰৰ সংস্থান বিঘ্নিত হয় আৰু মানৱীয় মৰ্য্যাদাবোধো বিলুপ্ত হোৱা বুলি অনুভৱ কৰে, তেতিয়া মানুহ প্ৰতিহিংসা পৰায়ণ হোৱা মনোবিজ্ঞান সমৰ্থিত সত্য। হিংসাই সৃষ্টি কৰে



ঘৃণাৰ, ভয়ৰ, সন্ত্ৰাসৰ। জীৱন-জীৱিকাৰ নিৰাপত্তাহীনতা আৰু তাৰ লগতে মানৱীয় মৰ্য্যাদাহীনতাই হৈছে বৰ্তমান দেশব্যাপী সৃষ্টি হোৱা মহাসন্ত্ৰাসৰ মূলকথা। শ্ৰেণী সমাজৰ শোষণ, নিপীড়ণ, অত্যাচাৰে ছাত্ৰ ছাত্ৰীসকলক কৰি তুলিছে হতাশাচ্ছন্ন। কিন্তু তেওঁলোক মানুহ, তেওঁলোকৰ চিত্ততো আত্মৰক্ষা আৰু বংশবৃদ্ধিৰ আকাংক্ষা প্ৰবল। শিক্ষাই তেওঁলোকক সৎ আৰু আদৰ্শবাদী মানুহৰূপে গঢ় দিব পৰা নাই, কদৰ্যপূৰ্ণ শ্ৰেণী শোষণে বৈপ্লৱিক চেতনাৰ উপৰতো মাধমৰ সোধাই আছে। তেওঁলোকে উৱাদিশ নোপোৱা হৈছে। কিন্তু যিকোনো প্ৰকাৰে হলেও জীয়াই থকা মানুহ হিচাপে তেওঁলোকৰ একান্ত কামনা। প্ৰকৃততে শ্ৰেণী শোষণেই তেওঁলোকক হিংসাৰ পথত নামিবলৈ বাধ্য কৰে। বল বা শক্তি প্ৰয়োগ কৰি আনৰ পৰা ধন লুট কৰা সাধাৰণতে হিংসাত্মক কাৰ্য। সেই হিংসাই সৃষ্টি কৰে ঘৃণা, ভয়, সন্ত্ৰাসৰ। প্ৰভু শ্ৰেণী হিংসুকেই, তেওঁলোকৰ হিংসায়েই জনগণক তথা যুৱ ছাত্ৰ সমাজকো কৰি তুলিছে হিংসুক। ছাত্ৰ-ছাত্ৰী এই হিংসা তথা সন্ত্ৰাসৰ পথত আগবঢ়া কাৰ্য অহৈতুকী নহয়; ইয়াৰ কাৰণে জগৰীয়া শ্ৰেণী-সমাজ, শ্ৰেণী-প্ৰভুসকল হে।

এই মহা হিংসা-ঘৃণা তথা সন্ত্ৰাসৰ পৰা সমাজক, ছাত্ৰ-ছাত্ৰীক মুক্ত কৰিব লাগিলে, সমাজৰ বৈপ্লৱিক পৰিৱৰ্তনৰ আৱশ্যক আছে। শ্ৰেণীহীন সমাজ গঢ়াৰ অৰ্থে জনগণ সচেতন ভাবে সংগঠিত হ'লে, প্ৰকৃত অৰ্থত ৰাইজৰ শাসন প্ৰতিষ্ঠা হ'ব আৰু সেইখন সমাজত প্ৰতিগৰাকী নাগৰিকৰ অবাধ বিকাশ হ'ব সুনিশ্চিত। তেতিয়া আৰু ভয়-সন্ত্ৰাস বুলিবলৈ একোৱেই নাথাকিব, গঢ় লৈ উঠিব এক মহান মানৱীয় সংস্কৃতিয়ে। তাত বাজে, সন্ত্ৰাসৰ অবসান ঘটাৰ পথ আন একোৱেই নাই।

# ? কুইজ ০

সংগ্ৰাহক { শ্ৰীহেমন্ত দাস
শ্ৰীবনলতা কলিতা
চৈয়দ চহিদুল ইচলাম

১। "কুইজ" শব্দটো কাৰ নাম অনুসৰি ৰখা হৈছে ?
২। কোনজন কবিক ভাৰতৰ "বুলবুল" বুলি কোৱা হয় ?
৩। ভাৰতৰ বেছিকৈ প্ৰচাৰ হোৱা বাতৰি কাকতখনৰ নাম কি ?
৪। অসমৰ মানবতাবাদী কবি কোন ?
৫। "আকাশ বাণী" এই নামকৰণ কোনে কৰে ?
৬। টেষ্ট ক্ৰিকেটত ভাৰতৰ বৃহত্তম আৰু নিম্নতম স্ক'ৰ কিমান ?
৭। ভাৰতৰ ফুটবলৰ জনক কোন ?
৮। পৃথিৱীৰ দীৰ্ঘতম উপন্যাসখনৰ ৰচক কোন ?
৯। পৃথিৱীৰ আটাইতকৈ অধিক ভাষাজনা লোকজনৰ নাম কি ?
১০। জাপানৰ কোৱান্টোত ১৯২৬ চনৰ ১ ডিচেম্বৰ তাৰিখে হোৱা ভূঁইকপত নিহতৰ সংখ্যা কিমান আছিল ।

উত্তৰ :—

১। চাৰ্লচ ডিকেন্স ।
২। চাৰ মহম্মদ ইকবাল ।
৩। আনন্দ বজাৰ প্ৰত্ৰিকা ।
৪। চন্দ্ৰকুমাৰ আগৰৱালা ।
৫। ৰবীন্দ্ৰ নাথ ঠাকুৰে ।
৬। বৃহত্তম ১৯৮৬ চনত কানপুৰত শ্ৰীলঙ্কাৰ বিৰুদ্ধে ৭ উইকেটত ৬৭৬ ৰাণ । নিম্নতম ১৯৭৪ চনত ইংলণ্ডৰ লৰ্ডচত ইংলণ্ডৰ বিৰুদ্ধে মাত্ৰ ৪২ ৰাণ ।
৭। নগেন্দ্ৰ প্ৰসাদ্ধ সৰ্বাধিকাৰী ।
৮। ফ্ৰান্সৰ লুইহেনৰি ফেৰিগলে । ২৭ টা খণ্ড ।
৯। ৰোম দেশৰ অধ্যক্ষ কাৰ্ডিনেল । ১৪৪ টা ভাষা ।
১০। ১,৪৩০০০

★



# শ্ৰেণী প্ৰতিনিধি



বাওঁফালৰ পৰা ক্ৰমে—
জিন্নাত আলী, উঃ মাঃ ১ম বৰ্ষ [বিজ্ঞান], মজাহাৰ ইছলাম, স্নাতক ২য় বৰ্ষ [কলা],
সুনন্দ বড়ো, স্নাতক ১ম বৰ্ষ [কলা]

তলত দিয়া প্ৰতিনিধি সকলক ফটোত দেখা নগ'ল—
মন্টু কলিতা, উঃ মাঃ ২য় বৰ্ষ [কলা], মইনুল হক চৌধুৰী, উঃ মাঃ ১ম বৰ্ষ [কলা], বিপুল তালুকদাৰ, উঃ মাঃ ২য় বৰ্ষ [বিজ্ঞান], তফাজুল হক, স্নাতক ১ম বৰ্ষ, [বিজ্ঞান], ভূপেন চন্দ্ৰ ডেকা, স্নাতক ২য় বৰ্ষ [বিজ্ঞান], আব্দুল ওৱাহিদ, স্নাতক ৩য় বৰ্ষ [কলা], কমল চৌধুৰী, স্নাতক ৩য় বৰ্ষ [বিজ্ঞান]



নোকোৱা মনৰ কথা
কৈ যায় গানে গানে....
শ্ৰীগায়ত্ৰী কলিতা
বছৰৰ শ্ৰেষ্ঠা গায়িকা



যি অভিনয়ে জীয়া মানুহৰ
বোল কঢ়িয়াই আনে
শ্ৰীদ্বীপেন কলিতা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা, পৰিচালক



কেৱল কামেৰে নহয়
কথাৰেও সত্য বিচাৰি পায়
শ্ৰীসঞ্জীৱ দেৱান
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক



হিলালুদ্দিন আহমেদ আৰু মুৰতাজ ৰহমান
শ্ৰেষ্ঠ বেড্‌মিণ্টন খেলুৱৈ (যুগ্ম)





মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ কুইজ দল
(বাওঁফালৰ পৰা) চৈয়দ নুৰুল ইছলাম আহমেদ, শ্ৰীদ্বীপেন
ডেকা, সঞ্জীৱ দেৱান (ফটোত দেখা নগ'ল)



শ্ৰীপ্ৰতিভা ডেকা
ছোৱালীৰ শ্ৰেষ্ঠা বেড্‌মিণ্টন
প্ৰতিযোগী



মহিলাৰ শ্ৰেষ্ঠা খেলুৱৈ
(যুটীয়া ভাবে)
শ্ৰীববিতা ডেকা
লনি দাস (ফটোত দেখা নগ'ল)



শ্ৰেষ্ঠ পুৰুষ খেলুৱৈ
শ্ৰীতুলু ভূঞা



গণতন্ত্ৰ দিৱস উপলক্ষে আমাৰ মহাবিদ্যালয়ৰ N. C. C. কেডেট সকলে মাৰ্চপাষ্ট কৰা দেখা গৈছে।

**মহাবিদ্যালয় সপ্তাহ**



মাননীয় শ্ৰীযুত প্ৰমোদ কুমাৰ–দত্তদেৱে (তথা আৰু জনসম্পৰ্কৰক্ষী বিষয়া, ৰঙিয়া) মহাবিদ্যালয় সপ্তাহৰ প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰা দেখা গৈছে । কাষত বিদায়ী অধ্যক্ষ মাননীয় ড° নীলকান্ত মহন্তদেৱ।



# ছাত্ৰ-উপসভাপতিৰ প্ৰতিবেদন—



মাতৃ ভূমিক ভাল পোৱাৰ অপৰাধত যিসকলৰ জীৱন বিপন্ন, যিসকলে নিবিচাৰে বিশ্বাসঘাতকৰে কৰ্ম্মদান কৰিব, যিসকলৰ দাবী ভ্ৰষ্টাচাৰৰ শাস্তি,—সেইসকললৈ শ্ৰদ্ধা নিবেদিছো । ইং ১৯৯৩-৯৪ বৰ্ষৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ উপ-সভাপতি পদত নিৰ্ব্বাচিত কৰি মহা- বিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু- বান্ধবীলৈ ধন্যবাদ জনাইছো ।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ উপ-সভাপতি হিচাপে মোৰ তেনেধৰণৰ কোনো নিৰ্দিষ্ট কাম নাই যদিও সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ অনুৰোধ মৰ্মে কেইটামান দিশত মই তেওঁলোকক সহায় কৰাৰ লগতে মহাবিদ্যালয়ৰ উন্নতি সাধিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। আমি মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ তৰফৰ পৰা লোৱা প্ৰথম আৰু উল্লেখযোগ্য পদক্ষেপ আছিল মহাবিদ্যালয়ত দলীয় ৰাজনৈতিক হস্তক্ষেপ বন্ধ কৰি এটা মুক্ত শৈক্ষিক পৰিবেশ গঢ়ি তোলাটো। অৱশ্যে এই ক্ষেত্ৰত আমি কিমান দূৰ সফল হৈছো সেয়া অনাগত সময়েহে কব। মহা- বিদ্যালয়ৰ আভ্যন্তৰীণ সমস্যা সমূহ দূৰ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ তৰফৰ পৰা বিভিন্ন বিভাগত কেইবাটাও দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰা হৈছে যদিও তাৰ ভিতৰত মুখ্য ভাৱে "ছাত্ৰ জিৰণি কোঠা" আৰু "চাইকেল আস্থান" ৰ কাৰণে আমাৰ কাৰ্য্যকালৰ শেষত স্থানীয় বিধায়কে কিছু টকাৰ আবণ্টন দিছে যদিও আমাৰ কাৰ্য্যকালত আৰম্ভ হৈ নুঠিল। নাম ভৰ্ত্তিৰ মাচুলৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই যি হাৰত টকা বৃদ্ধি কৰিছে তাৰ কাৰণে ছাত্ৰ-সন্থাৰ তৰফৰ পৰা এটা নিৰ্দিষ্ট সীমাত লবৰ কাৰণে স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল যদিওঁ এই ক্ষেত্ৰত অধ্যক্ষৰ লগতে কৰ্ত্তৃ- পক্ষইও নিৰবতা অবলম্বন কৰি আজিলৈকে এটা ইতিবাচক উত্তৰ নিদিলে। আগত বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ-সন্থাই সেইবোৰ চালি জাৰি চাই কৰ্ত্তৃপক্ষৰ লগত পুনৰ সু আলোচনাৰ জৰিয়তে কাৰ্য্যত ৰূপায়িত কৰিব বুলি আমাৰ বিশ্বাস। এনেকুৱা কামৰ বাবে আমি ভৱিষ্যতলৈ সহায় কৰিবলৈ সদায় প্ৰস্তুত।

সামৰণিত মোৰ কাৰ্য্যকালৰ বিভিন্ন দিশত উপদেশ আদিৰে সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষাগুৰু, কৰ্ম্মচাৰীৰ লগতে দীপক দাস, প্ৰতুল ভট্টাচাৰ্য্য আৰু কুশল কলিতাক কৃতজ্ঞতা জনাইছো। সকু-বৰ প্ৰতিটো কামত সহায় আগবঢ়োৱা বাবে বন্ধু প্ৰদীপ, মকুল, কানু আৰু আটাউৰৰ ওচৰত চিৰকৃতজ্ঞ।

জয় আই অসম

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা

**কুশল তালুকদাৰ**
উপ-সভাপতি

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



জয়জয়তে মই অসমৰ জাতীয় মুক্তি বিপ্লৱৰ হকে স্বদেশ
তথা বিদেশভূমিত প্ৰাণ বিসৰ্জন দিয়া মৃত্যুঞ্জয়ী জাতীয় বীৰ
শ্বহীদ সকলক শ্ৰদ্ধাৰে সুৱৰিছো। লগতে এইসকলক, যি
সকল নমস্য ব্যক্তিৰ মহান ত্যাগ আৰু অক্লান্ত পৰিশ্ৰমৰ ফল-
স্বৰূপে এই পবিত্ৰ অনুষ্ঠান "ৰঙিয়া মহাবিদ্যালয়" আজিৰপৰা
৩১ বছৰ (১৯৬৩ চনৰ ৫ চেপ্তেম্বৰ) পূৰ্ব্বে ভূমিষ্ঠ হৈছিল।
সেইসকল চিৰ নমস্য ব্যক্তিকো প্ৰতিবেদনৰ বাট চ'ৰাতে শ্ৰদ্ধা
নিবেদিছো।

ৰঙিয়া মহাবিদ্যালয়ৰ যিসকল সচেতন ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয় ছাত্ৰ সন্থাৰ অতি গুৰুত্ব-
পূৰ্ণ পদবী "সাধাৰণ সম্পাদক" হিচাবে নিৰ্ব্বাচিত কৰি ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ নিস্বাৰ্থ
সেৱা কৰাৰ সুযোগ প্ৰদান কৰিলে, সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ।
অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নিৰ্ব্বাচিত প্ৰাৰ্থী হিচাবে নিৰ্বাচনত জয়ী হৈ অসমৰ
জাতীয় দুৰ্যোগৰ এক জটিল সন্ধিক্ষণত সাধাৰণ সম্পাদকৰ দৰে এটি গধুৰ দায়িত্ব মূৰ পাতি লৈছিলো
আকস্মিকভাৱে সৌ সিদিনা যোৱা ২৯।১২।৯৩ ইং তাৰিখে।
মোৰ কাৰ্য্যকালৰ দোকমোকালিতে ছাত্ৰ-ছাত্ৰীসকলৰ অতি হেপাহৰ "বাৰ্ষিক মহাবিদ্যালয়
সপ্তাহ" শুভাৰম্ভ কৰা হয় যোৱা ৭।২।৯৪ ইং তাৰিখে। সেইদিনা মিঠা মিঠা লগা ৰাতিপুৱাই এক
আনন্দমুখৰ পৰিবেশত পতাকা উত্তোলনেৰে 'বাৰ্ষিক সপ্তাহ'ৰ ছয় দিনীয়া কাৰ্য্যসূচীৰ শুভ উদ্বোধন কৰে
মাননীয় অধ্যক্ষ ড° নীলকান্ত মহন্তদেৱে। বাৰ্ষিক সপ্তাহৰ উল্লেখনীয় কথা দুটিমান উল্লেখ কৰিছো।
৭।২।৯৪ ইং তাৰিখৰ দ্বিতীয় কাৰ্য্যসূচী শ্বহীদ তৰ্পণ কৰে উপাধ্যক্ষ মাননীয় শ্ৰীগদাধৰ ফাটোৱালীদেৱে।
সেইদিনাৰ তৃতীয় কাৰ্য্যসূচী ক্ৰীড়া পতাকা উত্তোলন কৰে ৰঙিয়া মহকুমা আৰক্ষী বিষয়া মাননীয়
শ্ৰীজ্ঞানেন্দ্ৰ প্ৰসাদ সিংদেৱে। ১২-২-৯৪ তাৰিখৰ দ্বিতীয় কাৰ্য্যসূচী 'প্ৰাচীৰ পত্ৰিকা' উন্মোচন কৰে
ৰঙিয়া মহকুমাৰ তথ্য আৰু জন সম্পৰ্কৰক্ষী বিষয়া মাননীয় শ্ৰীপ্ৰমোদ কুমাৰ দত্তদেৱে। ছাত্ৰ-ছাত্ৰী-
সকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ কাৰণে সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি বিভিন্ন
প্ৰতিযোগিতাৰে উখল মাখল লগাই থকা 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'ৰ অন্ত পৰে ইং ১২।২।৯৪
তাৰিখৰ বঁটা বিতৰণী আৰু মুকলি সভাৰ জৰিয়তে। এই সভাত সভাপতিত্ব কৰে মহামান্য অধ্যক্ষ
ড° নীলকান্ত মহন্তদেৱে। মুখ্য অতিথিৰ আসনৰপৰা সুন্দৰ ভাষণ ৰাখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ
লোক সংস্কৃতি বিভাগৰ অধ্যাপক মাননীয় ডঃ নবীন শৰ্মাদেৱে। বিশিষ্ট অতিথিৰ আসন অলংকৃত





কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি মাননীয় শ্ৰীঅপূৰ্ব কুমাৰ ভট্টাচাৰ্য্যদেৱে
আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সহঃ সাঃ সম্পাদক মাননীয় শ্ৰীপ্ৰবীণ চন্দ্ৰ বড়োদেৱে।
ছাত্ৰ-ছাত্ৰীসকলৰ একতাৰ ভেটিতো অধিক কটকটীয়া কৰিবলৈ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহায় সহ-
যোগত মিলাপ্ৰীতিৰে জাকজমকীয়া পৰিবেশত যোৱা ইং ১৮।১।৯৪ তাৰিখে বাথৌ পূজা, ইং ১৫।২।৯৪
তাৰিখে সৰস্বতী পূজা আৰু ইং ৮।৩।৯৪ তাৰিখে ঈদ এ মিলাদুন নবী উৎসৱ অনুষ্ঠিত কৰা হয়।
আমাৰ মহাবিদ্যালয়ে অনুষ্ঠিত কৰি অহা সদৌ অসম আন্তঃ মহাবিদ্যালয় ৺সিদ্ধিনাথ শৰ্মা সোঁ-
ৱৰণী তৰ্ক প্ৰতিযোগিতাখন এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত যোৱা ইং ৭।২৭৯৪ তাৰিখে অনুষ্ঠিত কৰা হয়।
ৰঙিয়া মহাবিদ্যালয়লৈ প্ৰতি বছৰে নতুন আশা বুকুত বান্ধি নতুন ছাত্ৰ-ছাত্ৰীৰ শুভাগমন ঘটে।
আমাৰ কাৰ্য্যকালত নবাগত ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক যোৱা ২৪।১২।৯৪ তাৰিখে এক ৰঙচঙীয়া
আনন্দমুখৰ পৰিবেশত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। সেইদিনাৰ এক আকৰ্ষণীয় অনুষ্ঠান
"প্ৰীতি সন্মিলন" আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক মাননীয় শ্ৰীসঞ্জয় তালুকদাৰদেৱৰ
সঞ্চালনাৰে সুচাৰুৰূপে সমাপ্ত হয়। এই নবাগত আদৰণি সভাত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ
মাননীয় শ্ৰীগদাধৰ ফাটোৱালীদেৱে। বিশিষ্ট অতিথিৰ আসনৰ পৰা নবাগত সকলক উদ্দেশ্যি তত্ত্ব-
গধুৰ ভাষণ দাঙি ধৰে নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক মাননীয় শ্ৰীবসন্ত কুমাৰ
ভট্টাচাৰ্য্যদেৱে আৰু ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° নীলকান্ত মহন্তদেৱে। পশ্চিম আকাশত
বেলি মাৰ যোৱাৰ থিক আগে আগে জাকজমকীয়া 'নবাগত আদৰণি সভা'খনৰো সফল পৰিসমাপ্তি
ঘটে।
আমাৰ কাৰ্য্যকালৰ উল্লেখনীয় দিশ হ'ল ৰেগিং সম্পূৰ্ণ বন্ধৰ প্ৰচেষ্টা, নিয়মিত পাঠদান, মহাবিদ্যা-
লয়ত এক সুষ্ঠ শৈক্ষিক পৰিবেশ সৃষ্টি আৰু ৰাজনীতিৰ পাকচক্ৰৰ কবলৰ পৰা আমাৰ মহাবিদ্যালয়
মুক্ত।
এবছৰীয়া কাৰ্য্যকালত কি কৰিলো, হয়তো প্ৰশ্ন কৰিব বহুতে। মুঠতে সকলো কৰিবলৈ এবছ-
ৰীয়া কাৰ্য্যকালেই যথেষ্ট নহয়। যিহেতু এইখন দিছপুৰ বা দিল্লী নহয় সেয়ে নিৰ্বাচনত প্ৰতিশ্ৰুতি
দিয়া ভুল। চৰকাৰৰ ওচৰত আঠু নোলোৱা মহাবিদ্যালয়ৰ প্ৰতি যিহেতু চৰকাৰৰ গুৰুত্ব আৰু দায়িত্ব
নাই সেয়েহে অভাৱবোৰ সহজে পূৰণ নহয়।
মুঠতে বৰ্তমান ঘৃণনীয় ৰাজনীতিৰ জঘন্য ষড়যন্ত্ৰৰ কবলৰ পৰা ৰঙিয়া মহাবিদ্যালয়ক মুক্ত কৰি
ৰাখিব পৰাটোৱে আমাৰ বাবে এক ডাঙৰ সাফল্য।

## সময়ৰ আহ্বানত একলম ঃ

অসমত দীৰ্ঘদিন ধৰি চলি থকা ঔপনিবেশিক শাসন শোষণৰ অন্তপৰক। ভাৰতৰাষ্ট্ৰৰ জাতি-
ধ্বংসী অভিযানৰ অৱসান ঘটক। ৰাষ্ট্ৰসন্ত্ৰাস বন্ধ হওঁক। অসমত চলি থকা যুৱ হত্যাৰ ৰাজনীতি
বন্ধ হওঁক। অসমৰ জনগণৰ মৌলিক প্ৰয়োজন সমূহ পূৰণ হওঁক। ভাতৃঘাতী সংঘৰ্ষৰ অন্ত পৰক।
অসমলৈ শান্তি ঘূৰি আহক। অসমৰ মানুহ সজাগ, সচেতন হওঁক। অসমৰ ওপৰত চলি থকা
সকলো ষড়যন্ত্ৰ অসমবাসীয়ে সাহসেৰে ওফৰাই দিয়ক। পশ্চিমৰ নগ্ন সংস্কৃতিক লঠিয়াই দি আত্ম-

সংশোধন আৰু আত্মবিশ্লেষণেৰে অসমৰ জাতীয় ভেটি সুদৃঢ় কৰক । অসমবাসীয়ে এক উন্নত সমাজ ব্যৱস্থাৰ পিনে অগ্ৰসৰ হওঁক । ইয়াকে কামনা কৰিছো ।

আমাৰ কাৰ্য্যকালতে অৱসৰ গ্ৰহণ কৰা মাননীয় অধ্যক্ষ ড° নীলকান্ত মহন্তদেৱৰ দিহা পৰামৰ্শ সচা-
কৈয়ে প্ৰেৰণাৰউৎস । ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীগদাধৰ ফাটোৱালীদেৱৰ নিয়মানুবৰ্তিতাৰ আদৰ্শ আৰু উপদেশেৰে কাৰ্যকালৰ বাকীছোৱা অতিক্ৰম কৰিবলৈ পাই নিজকে ধন্য মানিছো । ভাৰপ্ৰাপ্ত উপাধ্যক্ষ মাননীয় শ্ৰীগোলোক চন্দ্ৰ ভূঞা ছাৰৰ পৰামৰ্শই মোৰ কাৰ্য্যকালত বিশেষ সহায় কৰে ।

সদৌ শেষত মান্যবৰ শিক্ষাগুৰুসকলে প্ৰতি মুহূৰ্ততে দি অহা যথোপযুক্ত দিহা-পৰামৰ্শৰ বাবে তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো । ছাত্ৰ-সন্থাৰ বিষয়ববীয়া সকলৰ সহযোগৰ বাবে আটাই-
লৈ ধন্যবাদ জনাইছো । ছাত্ৰ-ছাত্ৰী সকলৰ সহায় সহযোগ আৰু দিহা পৰামৰ্শৰ বাবে সমূহ ছাত্ৰ-
ছাত্ৰী, বন্ধু-বান্ধবীৰ ওচৰত মই চিৰ ঋণী । ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীৰ সহায়-সহযোগৰ বাবে তেখেত সকলকো শলাগ লৈছো । এইখিনিতে বাহিৰৰ বন্ধু-বান্ধবী আৰু শুভাকাংক্ষী সকলৰ বিশেষ সহায়ৰ বাবে সেইসকল শ্ৰদ্ধাভাজনক অকল ধন্যবাদ জনোৱাই নহয় শলাগিবলগীয়াও ।

মহাবিদ্যালয়ৰ অভাৱ-অভিযোগবোৰ তৎকালে পূৰণ হওঁক । ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিভা বিশ্বব্যাপী বিয়পি যাওঁক ।

মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা সমস্ত ভুল-ক্ৰটিৰ ক্ষমা বিচাৰি সাধাৰণ সম্পাদকৰ এই ক্ষুদ্ৰ প্ৰতিবেদন সামৰিছো । ইতি—

জয়তু ৰঙিয়া মহাবিদ্যালয়

**শ্ৰীহীৰকজ্যোতি ডেকা**

সাধাৰণ সম্পাদক

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা

১৯৯৩-৯৪ বৰ্ষ





## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



জয়জয়তে ৰূপহী অসমীৰ বিজয় মন্দিৰত দেহৰ শোণিত ঢালি ত্যাগৰ দ্বীপক জ্বলাই যোৱা সমূহ জ্ঞাত অজ্ঞাত ছহীদলৈ শ্ৰদ্ধাৰে সোঁৱৰিছো । আৰু যিসকল দেশৰ বাবে, মাতৃভূমিৰ বাবে, চিৰকালৰ কাৰণে পঙ্গু হৈ থাকিল সেইসকলৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিৰ শৰাই আগবঢ়াইছো ।

ৰঙিয়া মহাবিদ্যালয় স্থাপনৰে পৰা "ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা" নিয়মিত ৰূপে চলি আহিছে । মহাবিদ্যালয় ছাত্ৰ সন্থাই হৈছে ছাত্ৰ-
ছাত্ৰীৰ ঘাই অনুষ্ঠান । এনেহেন পবিত্ৰ অনুষ্ঠানত ইং ১৯৯৩-৯৪ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত এই অভাজনক নিৰ্বাচিত কৰা বাবে সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধবীৰ ওচৰত মই চিৰকৃতজ্ঞ ।

বিভিন্ন দিশত সহঃ সাধাৰণ সম্পাদকৰ দায়িত্ব যিমানখিনি কৰিব লাগিছিল সিমানখিনি কৰিব হয়তো নোৱাৰিলো ।

মহাবিদ্যালয়ৰ অভাব অন্তহীন । ৰঙিয়া মহাবিদ্যালয়তো নানা অভাব থকাতো স্বাভাবিক । এই অভাব সমূহ লাহে লাহে পূৰণহোৱাৰ পথত । এই বিষয়ে আমি মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ মাজত কেইবালানিও আলোচনা কৰিছিলো । এই প্ৰচেষ্টাৰ ফলতে মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰৰ যথেষ্ট উন্নতি হৈছে আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ কাৰ্য্যালয়তো মেৰামতি কৰা হৈছে ।

বিভিন্ন অভাৱ-অভিযোগ সমস্যাৰ মাজৰ অন্যতম চাইকেলষ্টেণ্ড আৰু ছাত্ৰজীৱনি কোঠাৰ বাবে স্থানীয় বিধায়ক মহোদয়ৰ অনুদানত আমি নথৈ আনন্দিত । আশা ৰাখিছো খুব সোনকালে ছাত্ৰ-ছাত্ৰীৰ মাজত ৰহুদিনীয়া অভাব এটা পূৰণ হব ।

কাৰ্য্যকালৰ ভিতৰত মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" উদযাপন কৰা হয় । সৰস্বতী পূজা পালন কৰা বিষয়তো আছিল অতি আকৰ্ষণীয় বিষয় । এই ক্ষেত্ৰত বন্ধু ৰাতুল কলিতা, নুৰুল ইচলাম আহমেদ আৰু যিসকল মাননীয় অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ/ছাত্ৰী, বন্ধু/বান্ধবীয়ে সহযোগিতা আগবঢ়ালে তেখেত সকলৰ ওচৰত মই চিৰকৃতজ্ঞ ।

কাৰ্য্যকালৰ আন এটা উল্লেখনীয় বিষয় হ'ল মহাবিদ্যালয় ছাত্ৰ সন্থাৰ "নবাগত আদৰণি সভাখন অইন বছৰৰ দৰে এইবেলিও মহাসমাৰোহেৰে পালন কৰা হয় । ইয়াৰ উপৰিও পবিত্ৰ ফাতেহা-ই-দোৱাজ দাহম, বাথৌ পূজা, ৰঙিয়া মহাবিদ্যালয় প্ৰতিস্থা দিবস, গণতন্ত্ৰ দিবস আদি পালন কৰা হয় । কাৰ্য্যকালৰ ভিতৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ বিষয়ে ভাবিছিলো যদিও কাৰ্যতঃ ৰূপায়ন

কৰিব পৰা নগ'ল ।

সীমিত অভিজ্ঞতাৰ ফালৰ পৰা উপলব্ধি কৰিছোঁ যে ৰঙিয়া মহাবিদ্যালয়ৰ সকলো উন্নতি চিন্তা কৰিবলৈ হলে এক সুস্থ শৈক্ষিক পৰিবেশ আৰু ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব।

আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা বিদায়ী অধ্যক্ষ মাননীয় ড° নীলকান্ত মহন্ত, বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীগদাধৰ ফাটোৱালী, উপাধ্যক্ষ মাননীয় শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞা অধ্যাপক সৰ্বশ্ৰীসঞ্জয় তালুকদাৰ ভুপেন্দ্ৰ নাথ শৰ্ম্মা, ভবেন্দ্ৰ নাথ ডেকা, ৰঞ্জিতা তালুকদাৰ, আৰু গ্ৰন্থাগাৰিক মাননীয় শ্ৰীবীৰেন্দ্ৰ শৰ্ম্মালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধবীয়ে বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়ালে আৰু ৰঙিয়া মহাবিদ্যাল "আছু" গোটৰ সমূহ কৰ্মীলৈ ধন্যবাদ জ্ঞাপন কৰিলো । সদৌ শেষত বিগত কাৰ্য্যকালত অজানিতে হোৱা ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি আটাইলৈ মোৰ মনমন্দিৰৰ পুষ্পাঞ্জলী নিবেদন কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ মোখনি মাৰিলো ।

ধন্যবাদেৰে

জয় আই অসম

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ।

**শ্ৰীদ্বীপেন কলিতা**

সহঃ সাধাৰণ সম্পাদক

## তৰ্ক আৰু সাহিত্য বিভাগ সম্পাদকৰ প্ৰতিবেদন-

মোৰ প্ৰতিবেদনৰ জপনা মুখতে সমূহ মৃতুঞ্জয়ী ছহিদৰ প্ৰতি প্ৰণিপাট জনাইছো ।



ইং ১৯৯৩-৯৪ বৰ্ষৰ তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰীৰ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে সমূহ বন্ধু/বান্ধবীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। এই যুগত কেৱল পাঠ্যক্ৰমৰ জ্ঞানেই ছাত্ৰ-ছাত্ৰী সকলৰ বাবে যথেষ্ট নহয় । সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশ সাধন কৰিবই লাগিব । মোৰ ধাৰণা মানসিক উৎকৰ্ষ সাধন কৰিবলৈ হলে আজিৰ যুগত সাহিত্য চৰ্চা, তৰ্কবাদী চিন্তাধাৰা, চিত্ৰকলা আদিৰ অনুশীলন একান্ত প্ৰয়োজন । সাহিত্য, তৰ্ক, চিত্ৰকলা আদি





কৰিব পাৰিছে ।
অনুশীলনকাৰী সকলেহে সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাত ফলৱতী হব পাৰিছে ।

তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ হাতত লোৱাৰ পিছতেই "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপিত হয় । মহাবিদ্যালয় সপ্তাহ উপলক্ষে তৰ্ক আৰু সাহিত্য বিভাগৰ সৌজন্যত আকস্মিক বক্তৃতা, কুইজ, তৰ্ক, ইংৰাজী কবিতা আবৃত্তি, অসমীয়া কবিতা আবৃত্তি, হিন্দী কবিতা আবৃত্তি, অসমীয়া বাতৰি পাঠ, ইংৰাজী বাতৰি পাঠ, প্ৰবন্ধ প্ৰতিযোগিতা আৰু গল্প প্ৰতিযোগিতা পতা হয় ।

মোৰ কাৰ্য্যকালৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ত অনুষ্ঠিত কৃষ্ণকান্ত সন্দিকৈ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা সঞ্জীৱ দেৱান আৰু শ্ৰীদ্বীপেন কলিতাই অংশ গ্ৰহণ কৰে । আনহাতে কৰৰা সাহিত্য সভাৰ উদ্যোগত কামৰূপ জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত সঞ্জীৱ দেৱানে প্ৰথম পুৰস্কাৰ আৰু দ্বীপেন কলিতাই তৃতীয় পুৰস্কাৰ লাভ কৰি আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনে ।

এই বছৰত আমাৰ মহাবিদ্যালয়ত সদৌ অসম ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন যোৱা ইং ৭-১০-৯৪ তাৰিখে অনুষ্ঠিত কৰা হৈছিল । উক্ত প্ৰতিযোগিতাত ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক মাননীয় শ্ৰীথানেশ্বৰ বড়োদেৱে অধ্যক্ষৰ আসন, ৰঙিয়াৰ অতিৰিক্ত সহায়ক আয়ুক্ত মাননীয় শ্ৰীদেৱপ্ৰসাদ মিশ্ৰ, সু-সাহিত্যিক সমালোচক নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় শ্ৰীযুত বসন্ত কুমাৰ ভট্টাচাৰ্য্য আৰু ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাই বিচাৰকৰ আসন গ্ৰহণ কৰে । এওঁলোকক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো । উক্ত প্ৰতিযোগিতাখনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে শ্ৰেষ্ঠ কলেজ দল আৰু নলবাৰী মহাবিদ্যালয়ে দ্বিতীয় শ্ৰেষ্ঠ কলেজ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয় । আশা ৰাখিছো মহাবিদ্যালয়ত এনে প্ৰতিযোগিতা অদূৰ ভবিষ্যতেও অব্যাহত থাকিব ।

মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শৰে সহায় আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ, মাননীয় শ্ৰীযুত গদাধৰ ফাটোৱালীদেৱ, তত্বাৱধায়ক মাননীয় শ্ৰীযুত ভূপেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক সৰ্বশ্ৰীদক্ষেশ্বৰ ডেকা, হিতেশ বৰ্ম্মণ, মহেন্দ্ৰ কলিতা, হেমেন শৰ্মা, হাফিজুৰ ৰহমান, ফুকন চন্দ্ৰ বসুমতাৰী বিমল দাস আৰু সঞ্জয় তালুকদাৰ প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো । এই ছেগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু ছাত্ৰ বন্ধু সঞ্জীৱ, ৰাজুল, ছাইদুল, আইনুল হক, ছকিল, চৈয়দ লতিফুৰ, নুৰুল ইছলাম, নছিউৰ, মোহন, মজাহাৰ, নয়ন, বীৰেন আৰু প্ৰাক্তন ছাত্ৰ কবিন দাস, দিলোৱাৰ হুছেইন আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভূল ক্ৰটীৰ বাবে সমূহ অধ্যাপক/অধ্যাপিকা, বন্ধু বান্ধবী আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

শ্ৰদ্ধাৰে—

জয় আই অসম

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা

**চাজজাদ মহম্মদ জাহীৰ**

সম্পাদক, তৰ্ক আৰু সাহিত্য বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে ৰঙিয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু লগতে সমূহ
ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

ৰঙিয়া মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে দায়িত্ব গ্ৰহণ কৰাৰ পিছতে মহা-
বিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ হয়। মোৰ বিভাগত থকা বিষয়সমূহ হল, সঙ্গীত, মুকাভিনয়,
কৌতুক অভিনয়, একক অভিনয়, নাটক আৰু ভেশচন। প্ৰতিটো কাৰ্য্যসূচী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী,
বন্ধু-বান্ধৱী তথা শিক্ষাগুৰু সকলৰ সহযোগত সুকলমে চলাই নিবলৈ সক্ষম হওঁ।

প্ৰত্যেক মহাবিদ্যালয় বা প্ৰত্যেক অনুষ্ঠান প্ৰতিষ্ঠানৰ কিছুমান অভাৱ অভিযোগ থাকে। ঠিক
তেনেদৰে আমাৰ মহাবিদ্যালয়ৰে নানা ধৰণৰ অভাৱ অভিযোগ আছে। সঙ্গীতৰ ক্ষেত্ৰতে বা আন
কিছুমান ক্ষেত্ৰত আমাৰ মহাবিদ্যালয় যথেষ্ট পিছ পৰি আছে। বাদ্যযন্ত্ৰৰ অভাৱত সঙ্গীতৰ প্ৰতি-
যোগিতাসমূহ চলাই নিওঁতে নানা ধৰণৰ অসুবিধাৰ সন্মুখীন হব লগা হৈছে। বাদ্যযন্ত্ৰ বুলি চাবলৈ
গলে এটা পুৰণি হাৰমনিয়াম আৰু এজোৰ তবলা। তাকো প্ৰতি বছৰে প্ৰত্যেকজন সম্পাদকে
ভাল কৰিব লগা পৰিস্থিতিৰ সন্মুখীন হয়। গতিকে এনেহেন পৰিস্থিতি যাতে নহয় তাৰ বাবে উচিত
ব্যৱস্থা লবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰিলো।

ইং ১৯৯৪ চনৰ মহাবিদ্যালয়ৰ নবাগত আদৰণি সভাখনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে মিলি
বিভিন্ন গীত মাত পৰিবেশন কৰিব বিচৰা হৈছিল? কিন্তু দুখৰ বিষয় যে সময়ৰ অভাৱৰ বাবে
সকলো প্ৰস্তুতি অথলে গল আৰু গীত মাত ভালদৰে পৰিবেশন কৰিব পৰা নগল। ইয়াৰ বাবে মই
দুঃখিত।

মোৰ কাৰ্য্যকালৰ সময় ছোৱাত হয়তো কামসমূহ নিয়াৰিকৈ কৰিব পৰা নাই তাৰ বাবে সমূহ
ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো।

প্ৰতিবেদনৰ শেষত, মোক বিভিন্ন বিষয়ত পৰামৰ্শ দি অহা মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ
তত্বাৱধায়ক মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।
লগতে মোক বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক
কৃতজ্ঞতা যাচিছো।

শেষত, অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো আৰু ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যত
উন্নতি কামনা কৰিলো।

**শ্ৰীনৃপেন কলিতা**
সাংস্কৃতিক সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



জয়জয়তে মই মোৰ আন্তৰিক শ্ৰদ্ধাৰে ৰঙিয়া মহাবিদ্যালয়ৰ
প্ৰতিষ্ঠাতা তথা উন্নতিৰ পথত যি মহান ব্যক্তি আৰু পুৰুষ সকলে
কামি হাড় ভঙা পৰিশ্ৰমৰ বিনিময়তেই আজি কুৰিশতিকাৰ অসমৰ
ভিতৰত লেখত লবলগীয়া এখন মহান শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠিত
হৈছে সেই মহান ব্যক্তি সকললৈ হৃদয়ভৰা কৃতজ্ঞতা জনালো।
লগতে সেই মহান ব্যক্তি সকললৈ মোৰ শত-শত প্ৰণাম আৰু
শ্ৰদ্ধাঞ্জলি আগবঢ়ালো, যি অসমীয়া বীৰ সন্তানে তাগৰ আদৰ্শৰে
মহীয়ান হোৱা দাসত্বৰ শৃঙ্খল চূৰ্ন কৰিবলৈ চলোৱা আহিংসাৰ
সংগ্ৰামত নিজৰ জীৱনক তুচ্ছ কৰি প্ৰাণ আহুতি দিছিল।

যোৱা ইং ১৯৯৩ ৯৪ বৰ্ষৰ কালচোৱাত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ সমাজ সেৱা
বিভাগৰ দৰে পদ এটাত মোৰ দৰে ছাত্ৰ এজনক নিৰ্ব্বাচিত কৰি এই মহান অনুষ্ঠানৰ সেৱা
আগবঢ়োৱাত সুযোগ কণ দিয়াৰ বাবে সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো।

কাৰ্য্যকালৰ সময়ছোৱাত মোৰ ওপৰত ন্যাস্ত কৰা দায়িত্বৰ খাতিৰতেই মহাবিদ্যালয়ৰ
সেৱাৰ পথত মোৰ সাধ্যানুসাৰে অশেষ চেষ্টা কৰিছিলো। কিন্তু কিমান দুৰ সফলতা বা বিফলতা
লাভ কৰিলো তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাতত অৰ্পন কৰিলো।

আমি জানো সমাজেই হল মনুষ্যত্বৰ বিকাশৰ আদি মূল। ব্যক্তি এজন সম্পূৰ্ণ বিকাশ
আৰু শৰীৰ মনৰ উৎকৰ্ষ সাধন কৰিবলৈ হলে এখন সুস্থ সমাজৰ প্ৰয়োজন। আৰু এই সমাজৰ
ভিতৰতেই আছে বিভিন্ন স্কুল, মহাবিদ্যালয়, সংঘ, আদি অনুষ্ঠান। সেয়েহে সমাজবাদী দাৰ্শনিক
ভিউইৰ ভাষাত বিদ্যালয়খন সাধাৰণ সমাজ নহয় সৰলতা, প্ৰবিত্ৰতা, আৰু সুন্দৰ ভাৰসাম্য ৰখা
এখন বিশেষ সমাজ। গতিকে বন্ধু-বান্ধৱী সকল এই মহাবিদ্যালয়ৰ সমাজখন সুন্দৰ, প্ৰৱিত্ৰতা
ৰূপে গঢ় দিব পাৰিব লাগিব। তেতিয়াহে আমি এখন আদৰ্শ সমাজৰ কল্পনা কৰিব পাৰিম।

আপোনালোকে জানে আদিম যুগত মানুহৰ সমাজ ব্যৱস্থা অসভ্য বৰ্বৰ আছিল কিন্তু একৈশ
শতিকাৰ আগভাগত আজি সভ্যতাৰ চৰম শিখৰ পাইছে। সেইবাবেই নেকি বৰ্ত্তমান সমাজ
ব্যৱস্থাত দুৰ্নীতি, দুস্কৃতি, ভণ্ডদেশপ্ৰেমিক, বিশ্বাসঘাটকতাৰ, হাৰ ক্ৰমান্বয়ে বাঢ়ি গৈছে। এই
সময়ছোৱাতেই মুখা পিন্ধা ভদ্ৰলোকৰ দ্বাৰা দেশপ্ৰেম, ঐক্য প্ৰগতিৰ বাণী প্ৰচাৰিত হৈছে।
আজি শিক্ষানুষ্ঠান সমূহৰ নিচিনা মহান অনুষ্ঠান সমূহতো শোষক, দালাল শ্ৰেণীয়ে ছাত্ৰ-ছাত্ৰীৰ
যুৱ মানসিকতা ভাঙি পেলাইছে। ছাত্ৰ-ছাত্ৰীৰ মাজত বিভাজন আনিছে, অন্ধ ৰাজনীতিৰ
পোষকতা কৰি তুলিছে আৰু দুৰ্নীতিৰ গড়ালৈ ঠেলি দিছে। মুঠৰ ওপৰত কবলৈ গলে আজি
চাৰিওফালে দুৰ্নীতিৰ ক্ষমতাৰে সকলোকে আবদ্ধ কৰিব বিচাৰিছে। এই কাৰ্য্যকলাপবোৰক

কোনো ব্যক্তিয়ে প্ৰতিবাদ কৰে যদি তেওঁ হব ৰাজদ্ৰোহী, দেশদ্ৰোহী। গতিকে বন্ধু বান্ধ[illegible] সকল আমি এনে এখন সমাজ গঢ়িবলৈ সংকল্পবদ্ধ হব লাগিব যত এই ব্যৱস্থাবোৰ নেথাকিব আপোনালোকে পাহৰি নেজাব আপোনালোকৰ প্ৰত্যেকেই সমাজৰ একোজন নতুন পুৰুষ।

মোৰ কাৰ্য্যকালৰ আৰম্ভণিত "মহাবিদ্যালয় সপ্তাহ"ত কাম কৰিবলৈ হাত দিছিলো সমাজ সেৱা বিভাগৰ তত্বাৱধায়ক দেবৰ পৰামৰ্শানুক্ৰমে, মহাবিদ্যালয়ৰ পৰা খেল পথাৰলৈ যোৱা পথটো যাব পৰা পৰিবেশ কৰিছিলো। তাৰপিচত মহাবিদ্যালয় চৌহদ আৰু শ্ৰেণী কোঠা সমূহ পৰিস্কাৰ কৰিছিলো। এদিনীয়া কাৰ্য্য-সূচীৰে ছাত্ৰ ছাত্ৰীমিলি মহাবিদ্যালয়ত শিবিৰ[illegible] আয়োজন কৰিছিলো। তদুপলক্ষে সমাজ সেৱক সকলক বটা বিতৰনো কৰা হৈছিল। সে[illegible] মোৰ কাৰ্য্যকালৰ ভিতৰত মহাবিদ্যালয়খন মাজে সময়ে পৰিস্কাৰ কৰি আছিলো।

আমাৰ মহাবিদ্যালয়ৰ অভাৱ সমূহ সীমাহীন ভাবে বৈ আছে। ইয়াৰ গুৰুত্বপূৰ্ণ অভাৱ সমূহৰ বিষয়ে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলোচনা নকৰাকৈ থকা নাই। কাৰণ আমাৰ মহাবিদ্যালয়খন আৰ্থিক দিশত অচ্ছল। তথাপিতো "চাইকেল ষ্টেণ্ড" ৰ বিষয়ে যিটো প্ৰস্তুতি চলি আছে সম্ভৱত এইটো সোনকালে হৈ উঠিব।

মোৰ কাৰ্য্যকালৰ ভিতৰত আন্তঃ মহাবিদ্যালয় শিবিৰৰ আয়োজন কৰিম বুলি যি পৰি- কল্পনা কৰিছিলো তাক বিশেষ কাৰণ বশতঃ কৰিব পৰা নগল। এই শিবিৰ ( N. S S ) বিশ্ব বিদ্যালয়ৰ অধীনত অনুষ্ঠিত হয়। সেই শিবিৰত আমাৰ মহাবিদ্যালয়ৰ এটি দল অংশ গ্ৰহণ কৰিছিলো। এই দলটো সফলতা অৰ্জন কৰিছে।

প্ৰতিবেদনৰ শেষৰ ফালে মোৰ কাৰ্যাকালত বিভিন্ন ক্ষেত্ৰত সহযোগিতা কৰা তত্বাৱধায়ক মাননীয় শ্ৰীদক্ষেশ্বৰ ডেকা আৰু শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা মহোদয় প্ৰমুখ্য সমূহ শিক্ষা গুৰুলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো। যি সকল বন্ধু বান্ধৱীয়ে মোক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ আগ- বঢ়াইছিল সেই সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

অৱশেষত বিগত কালচোৱাত অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি ভৱিষ্যত মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে..........

শ্ৰদ্ধাৰে—
শ্ৰীগোপাল কলিতা
সম্পাদক – সমাজ সেৱা বিভাগ।
ৰডিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা





## গুৰু খেল সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণীতে সেউজ সোণালী শস্য-শ্যমলা অসমী আইৰ হকে জীৱন আহুটি দিয়া জ্ঞাত-অজ্ঞাত সমূহ বীৰ বীৰঙ্গণাক প্ৰণিপাত জনাইছো। লগতে তেওঁলোকৰ মধুৰ আশা পূৰ্ণ হোৱাৰ বাবে নেদেখাজনৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনাইছোঁ।

ইং ১৯৯৩-৯৪ বৰ্ষৰ ৰডিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ নিৰ্বাচনত মোক গুৰু খেল বিভাগৰ সম্পাদকৰ পদত আপোনালোকে নিৰ্বাচিত কৰিছে। আপোনালোকৰ মোৰ প্ৰতি থকা অকৃত্ৰিম ভাল পোৱাক নতশিৰে স্বীকাৰ কৰিছো আৰু সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধবীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ৰডিয়া মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ গুৰু দায়িত্ব বহন কৰি মই কি কৰিলোঁ। কি নক- ৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। বহু সমস্যাৰে পৰিপূৰ্ণ আমাৰ মহাবিদ্যালয়ৰ খেল বিভাগ, য'ত নাই খেলৰ কোনো লাগতিয়াল সামগ্ৰী। অন্যান্য সামগ্ৰীৰ লগতে ক্ৰীকেট খেলৰ কোনো সামগ্ৰীয়ে নাই। মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ বেৰৰ গুজকে ষ্টাম্প কৰিব লাগে। ইয়াৰ বাবে কোন দায়ী সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য। যি কি নহওঁক এই সকলোবোৰ সমস্যাকো আওকাণ কৰি মই মোৰ কৰ্তব্য কৰি যোৱাৰ চেষ্টা কৰিছিলো। ইয়াত মই কিমান দূৰ সফল হব পাৰিলো নাজানো........ ।

মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ বাবে 'মহাবিদ্যালয় সপ্তাহ' অলপ পলমকৈ আৰম্ভ হয়। আমাৰ মহাবিদ্যালয় সপ্তাহ চলি থকা সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসবো চলি আছিল, সেয়েহে ইয়াত অংশ গ্ৰহণ কৰিব নোৱাৰিলো। মহাবিদ্যালয়ৰ সকলো খেলুৱৈৰ যুৱ-মহোৎসৱত অংশ গ্ৰহণ কৰাৰ আশা এইবাৰো মৰহি যাবলৈ বাধ্য হ'ল। যাৰ বাবে মই সচাকৈয়ে দুঃখিত।

মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয় সপ্তাহত বাঢ়ি অহা Competetion ভাবটোৱে মোক বৰ বাৰুকৈয়ে অনুপ্ৰাণিত কৰিছিল। প্ৰতিযোগী ছাত্ৰ-ছাত্ৰী বাঢ়ি অহাৰ সংখ্যাটো মোৰ বাবে বৰ উল্লেখনীয়। মহাবিদ্যালয়ৰ আজি ৩০ বছৰ অতিক্ৰম কৰাৰ পিছত মহাবিদ্যালয় সপ্তাহত এথ্লেটিক্চৰ প্ৰায় সকলো খেলৰ লগতে পোন প্ৰথম বাৰৰ বাবে মোৰ তত্বাৱধায়ক মাননীয় শ্ৰীসঞ্জয় তালুকদাৰ চাৰৰ বিশেষ সহায়-সহযোগিতা তথা পৰামৰ্শৰ ফলত ল'ৰা ছোৱালীৰ উভয় শাখাত Punja Competetion লগতে Cycle race পতা হয়। মোৰ কাৰ্য্যকালৰ সময়ত বিভাগীয় পুঁজিত থকা সামান্য টকাৰ পৰাই সদৌ অসম ভিত্তিত হোৱা মাৰাঠান দৌৰত অংশ গ্ৰহণৰ বাবে মহা- বিদ্যালয়ৰ দুজন ছাত্ৰক সুবিধা দিয়া হৈছিল যদিও তেওঁলোকে আশানুৰূপ ফল দেখুৱাব নোৱাৰিলে।

মোৰ কাৰ্য্যকাল ছোৱাত সুনন্দ বড়ো, ফুলু ভূঞা, মজাহাৰ ইছলাম, ছহিদুল ইছলাম, কমল কলিতা লগতে ৰিজু কলিতা, হীৰা চক্ৰৱৰ্ত্তী, গায়ত্ৰী কলিতা, ৰবিতা ডেকা আৰু ছালমা বেগমে বিশেষ ভাৱে সহায় কৰিছে, সেয়েহে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছো। ইয়াৰ উপৰি নিৰ্বাচনৰ প্ৰথম খোজটোৰ পৰা কাৰ্য্যকালৰ শেষলৈ বন্ধু-বান্ধৱী সকলে কৰা সহায় মোৰ বাবে চিৰ স্মৰণীয়।

শেষত ৰঙিয়া মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ অনিচ্ছাকৃত ভুল-ক্ৰটীৰ মাৰ্জনা বিচাৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয় আই অসম

**শ্ৰীৰাতুল চন্দ্ৰ কলিতা**
সম্পাদক, গুৰু খেল বিভাগ

## ঃ লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদন লিখনিৰ আৰম্ভণীত অসম আৰু অসমবাসী জন-সাধাৰণৰ হকে দেশৰ জটিল সন্ধিক্ষণত প্ৰাণ আহুতি দিয়া প্ৰতিজন শ্বহীদলৈ মোৰ সশ্ৰদ্ধা অশ্ৰু অঞ্জলি নিবেদিছোঁ। লগতে ইং ১৯৯৩-৯৪ বৰ্ষৰ বাবে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সাধাৰণ নিৰ্ব্বাচনত এই অভাজনক লঘু খেল বিভাগৰ সম্পাদক পদত নিৰ্ব্বাচিত কৰি ছাত্ৰ-ছাত্ৰী সকলৰ সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বৰ্ত্তমান সমাজৰ প্ৰতিটো মুহূৰ্ত্ততে আমি বিজ্ঞানৰ প্ৰয়োগ দেখিবলৈ পাওঁ। কেৱল শিক্ষাই নহয়, খেলৰ লগতো বিজ্ঞানৰ ভূমিকা সমান। দেশ এখনৰ উন্নতিৰ ক্ষেত্ৰত খেলা-ধূলাৰো ওতঃপ্ৰোত সম্বন্ধ আছে। এনে ক্ষেত্ৰত আমি প্ৰতিযোগিতাৰ মনোভাৱ লৈ বিজ্ঞান সন্মত আহিলা পাতিৰে অনুশীলন নকৰিলে কেতিয়াও খেলৰ মান উচ্চ কৰিব নোৱাৰিম। কিন্তু দুখৰ বিষয় যে, আগ্ৰহ থকা সত্বেও আহিলা পাতিৰ অভাৱত অনুশীলন কৰিবলৈ নোপোৱাৰ কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰীসকল বহু পিছপৰি





থাকিবলগীয়া হৈছে। এজন ভাল খেলুৱৈ হবলৈ হলে বিষয়টোৰ প্ৰতি আস্থা ৰাখি আগ্ৰহৰে নিয়মিত অনুশীলন কৰাৰ প্ৰয়োজন। তাৰ বাবে নুন্যতম আহিলা পাতিখিনিৰ প্ৰয়োজন আহি পৰে। এই ক্ষেত্ৰত মই ভাবো, আমাৰ মহাবিদ্যালয়ৰ প্ৰায় ভাগ ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক অৱস্থা টনকীয়াল নহয়, এই ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানৰ আহিলা খিনিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। কিন্তু বৰ পৰিতাপৰ বিষয় যে, এইবাৰ মহাবিদ্যালয় সপ্তাহত বেড্‌মিণ্টন খেলৰ ৰেকেট কেইখন কিনিবলৈ কৰ্তৃপক্ষই মত প্ৰকাশ কৰা নাছিল। আৰু যি কেইজন প্ৰতিযোগীয়ে জয় লাভ কৰিব তেখেতসকলক কেৱল চাৰ্টিফিকেটৰে সন্মানিত কৰিবলৈ সন্মতি প্ৰকাশ কৰিছিল। এই ক্ষেত্ৰত কৰ্তৃপক্ষই যুক্তি প্ৰদৰ্শন কৰে যে আমাৰ মহাবিদালয়ৰ খেলৰ মানদণ্ড উচ্চখাপৰ নহয়। কিন্তু আমি ভাবো ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে উপযুক্ত পুৰস্কাৰ আগবঢ়ালে লগতে খেলৰ আহিলা পাতিবোৰ সম্পূৰ্ণৰূপে যোগান ধৰিলে নিশ্চয় আমাৰ মহাবিদ্যালয়তো এজন ভাল খেলুৱৈৰ আৱিৰ্ভাব হব। কাৰণ খেলৰ ক্ষেত্ৰত ৰঙিয়াৰ অতীতলৈ উভতি চালে আমি আজিও ৰঙিয়াবাসী ৰাইজৰ মুখে মুখে সুদক্ষ খেলুৱৈৰ নাম শুনিবলৈ পাওঁ। গতিকে কৰ্তৃপক্ষই যাতে খেলুৱৈসকলৰ অভাৱ সমূহ পূৰণ কৰি আমাৰ মহাবিদ্যালয়তো ভাল খেলুৱৈ আৱিৰ্ভাব হোৱাত সহায় কৰে।

এই বেলি মহাবিদ্যালয় সপ্তাহৰ দ্বিতীয় দিনা আবেলিৰ পৰা পিছ দিনালৈ ধাৰাষাৰে বৰষুণ দিয়ে। তেনে পৰিস্থিতিত উপায় বিহীন হৈ ৪নং হলত বেড্‌মিণ্টন খেল সমূহ চলোৱাৰ বাবে প্ৰস্তুতি কৰা হয় কিন্তু ৪নং হলত বেড্‌মিণ্টন খেলৰ কোৰ্টখনৰ জোখ নিমিলাত তত্বাবধায়ক মাননীয় পৰিতোষ দাস চাৰৰ পৰামৰ্শমতে ৰঙিয়া হৰদত্ত বীৰদত্ত ভৱনত খেল সমূহ চলাব পাৰিম বুলি ভাবি তাত গৈয়ো একে পৰিস্থিতিৰ সন্মুখীন হওঁ। শেষত উপায় নাপায় তৃতীয় দিনা গধূলি বতৰ কিছু ফৰকাল কৰাত গোটেই নিশাই খেল পথাৰৰ পানী আতৰাই শুকান বালি আদি চটিয়াই দিনে নিশাই খেলিবলৈ দি কোনোমতে বেড্‌মিণ্টন খেল সমাপ্ত কৰা হয়। ঠিক সেইদৰে সাঁতোৰ প্ৰতিযোগিতাৰ বাবে পুখুৰীটো উৎকৃষ্ট নহলেও খেলুৱৈৰ আগ্ৰহত তাক সমাপন কৰিবলৈ সমৰ্থ হওঁ। অধিক সংখ্যা ছাত্ৰ ছাত্ৰীৰ মতামত অনুযায়ী সাঁতোৰ প্ৰতিযোগিতা আকৰ্ষণীয় হৈছিল বুলি ধাৰণা কৰা হয়। ভলীবল খেল সমূহ তত্বাৱধায়ক, অধ্যাপক ওচমান গণি চাৰ আৰু প্ৰাক্তন লঘু খেল বিভাগৰ সম্পাদক দেৱান জিয়াউদ্দিন আহমেদৰ লগতে অন্যান্য সকলৰ সহযোগত সুচাৰু ৰূপে পৰিসমাপ্তি ঘটাওঁ।

এই কালছোৱাত লঘু খেল বিভাগৰ তত্বৱধায়ক মাননীয় পৰিতোষ দাস চাৰে শপত গ্ৰহণৰ দিনাৰে পৰা বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়াই তথা কষ্ট স্বীকাৰ কৰি দিনে নিশাই খেল সমূহ সুচাৰু ৰূপে চলোৱাত সহায় কৰা বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মাননীয় ওচমান গণি চাৰ আৰু মাননীয় হীতেশ বৰ্মণ চাৰলৈও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্যকাল ছোৱাত বিশেষ ভাৱে সহায়-সহযোগ আগবঢ়োৱা প্ৰাক্তন লঘু খেল সম্পাদক প্ৰাক্তন ছাত্ৰ- দিলোৱাৰ হুছেইন, ইব্ৰাহীম আলী, মস্তোফা আহমেদ, প্ৰাক্তন লঘু খেল সম্পাদক দেৱান জিয়াউদ্দিন আহমেদ, লগতে মোৰ ছাত্ৰ বন্ধু- চাইদুল হক, দ্বীপেন কলিতা, ৰাজুল আলী,

হিলালুদ্দিন আহমেদ, নচিৰ আলী, নৰেণ কলিতা, আবু চালেহ আৰু চকিল আলী লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকাল ছোৱাত ভুল-ত্ৰুটিৰ বাবে সমূহ শিক্ষাগুৰু, তথা বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জল কামনা কৰি সামৰণি মাৰিলো।

শ্ৰদ্ধাৰে—
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা
**মহঃ আৰিফুৰ ৰহমান**
সম্পাদক, লঘু খেল বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ



লিখনিৰ আৰম্ভণিত পৰম পিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই সুজলা সুফলা অসমী আইৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাৰ অৰ্থে অশেষ ত্যাগৰ প্ৰদীপ জ্বলাই যোৱা জ্ঞাত-অজ্ঞাত সমূহ বীৰ শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই তেওঁলোকৰ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

ইং ১৯৯৩-৯৪ বৰ্ষৰ মোক ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিয়া বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ কৃতজ্ঞতা যাচিলো।

অতীতৰ পৰম্পৰাক ৰক্ষা কৰি এইবাৰো আমাৰ মহাবিদ্যালয়ত অতি উলহ মালহেৰে "মহাবিদ্যালয় সপ্তাহ" উদযাপন কৰা হয়। এই "মহাবিদ্যালয় সপ্তাহত" ছাত্ৰী জিৰণী কোঠাত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। কিন্তু দুখৰ বিষয় এনেহেন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত বিভিন্ন প্ৰতিযোগিতাত প্ৰতিযোগিৰ সংখ্যা তেনেই তাকৰ আছিল। যিসকল প্ৰতিযোগীয়ে এই প্ৰতিযোগিতা সমূহত যোগদান কৰি আমাক উৎসাহিত কৰিলে তেওঁলোকলৈ মই অশেষ ধন্যবাদ জনাইছো আৰু তেওঁলোকৰ উজ্জল ভৱিষ্যত কামনা কৰিছো। আশা কৰো ভৱিষ্যতে এই প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়োৱাত সহায় কৰিব। মোৰ কাৰ্য্যকালত কেনেধৰণৰ সেৱা আগবঢ়ালো সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। তথাপিও এইটো জনাই থও যে মোৰ কাৰ্য্যকালতে মহাবিদ্যালয় নৱনিৰ্মিত "ছাত্ৰী জিৰণী কোঠা" আনুষ্ঠানিকভাবে উন্মোচন কৰা হয় আৰু কৰ্তৃপক্ষক বাবে বাবে অনুৰোধ





কৰাৰ ফলত বিজ্ঞান সন্মত শৌচাগাৰ, প্ৰস্ৰাৱগাৰ নিৰ্মাণ কৰি আমাক অতি আনন্দিত কৰিলে। কিন্তু ছাত্ৰীসকলৰ বাবে এইখিনিয়ে যথেষ্ট নহয়। ছাত্ৰী-জিৰণী কোঠাত অধ্যায়নৰ সুবিধানাই, আটাইবোৰ ছাত্ৰী বহিবলৈ ডেক্স-বেঞ্চ নাই ইত্যাদি। ইয়াৰোপৰি আমি আশা কৰা মতে ছাত্ৰীসকলক দিব পৰা বিভিন্ন প্ৰশিক্ষণ যেনে- ৰন্ধন প্ৰণালী, ফুল-সজা, আদিৰ সুবিধা দিয়া হোৱা নাই। মই আশা কৰো ভৱিষ্যতে কৰ্তৃপক্ষই ছাত্ৰীসকলক এই আটাইবোৰ অভাৱৰ পৰা মুক্ত কৰি উৎসাহিত কৰিব।

বিভিন্ন অভাৱ অভিযোগৰ মাজেৰে এই মহান দায়িত্বত সম্পূৰ্ণ এবছৰ অতিবাহিত কৰাত সাধাৰণ ভুল ভ্ৰান্তি হোৱাটো স্বাভাৱিক। তাৰ বাবে সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা মাগিছো। মোৰ কাৰ্য্যকালত বিভিন্ন বিষয়ত উদ্গনিমূলক উপদেশ আৰু সহায় সহযোগিতা আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ গদাধৰ কাটোৱালীদেৱ, সঞ্জয় তালুকদাৰদেৱ, ছাত্ৰী জিৰণী কোঠাৰ তত্বাবধায়ীকা শ্ৰদ্ধেয়া চুফীয়া বেগম বাইদেউ আৰু মহাবিদ্যালয় সপ্তাহত বিশেষভাবে সহায় কৰা মাননীয় মহেন্দ্ৰ কলিতা আৰু হেমেন শৰ্মাদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে বিভিন্ন দিশত সহায় কৰা বাবে সৰ্বশ্ৰী প্ৰদীপ ডেকা, দীলিপ, সঞ্জীৱ, নুকুল, নছিউৰ, অৰূপ, মোহন, অৰ্চনা, পাপৰি, মিনু, জ্যোতিৰেখা, বনলতা, লিপিকা, বিন্দুজ্যোতি, প্ৰমুখ্যে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জনালো।

সদৌ শেষত মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰিছো লগতে ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয় আই অসম
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা
**প্ৰণীতা কলিতা**
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে এক মহান ঐতিহ্যপূৰ্ণ শিক্ষাঅনুষ্ঠানটোৰ যিসকল উদ্যোগতাই মোক দায়িত্বৰে পৰিপূৰ্ণ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক পদটিৰ কাৰ্য্যভাৰ চলোৱাৰ সুবিধা দিলে সেই সকল বন্ধু-বান্ধবী আৰু মাননীয় অধ্যাপক-অধ্যাপিকালৈ মোৰ হিয়া ভৰা মৰম তথা কৃতজ্ঞতা নিবেদিছো।

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মই কিমান সফল হব পাৰিছো সেইটো আপোনালোকৰহে বিচাৰ্য্য বিষয়। ৰঙিয়া মহাবিদ্যালয় স্থাপিত হবৰ প্ৰায় ৩২ বছৰ পাৰ হ'ল সময় অনুপাতে বহুতো সম্পাদক আহি গ'ল আৰু নানা ঘাট-প্ৰতিঘাটৰ মাজেৰে কাৰ্য্যকাল পাৰ কৰিলে। মই তেওঁলোকৰ লেখিয়া নহয় যিহেতু মই উল্লেখযোগ্য কাৰ্য্য দেখুৱাব নোৱাৰিলো।

অইন বেলিৰ দৰে ছাত্ৰ জিৰণী কোঠাৰ তৰফৰ পৰা কেৰম, ডবা আৰু টেবুল টেনিচ খেল হয়। এইখিনিতে উল্লেখযোগ্য যে অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেলত অংশ গ্ৰহণ নকৰাটো দুঃখজনক কথা। আনহাতে মহাবিদ্যালয়খনৰ ছাত্ৰ জিৰণী কোঠা এটা নাথাকিলে কিমান অসুবিধাৰ সন্মুখিন হবলগীয়া হয় সেইটো আপোনালোকে জানে। নামত যি এটাও জিৰণী কোঠা আছিল সেই কোঠাটো বৰ্তমান শ্ৰেণী কোঠা হিচাপে ব্যৱহাৰ কৰিছে। ইয়াৰ লগতে মোৰ কাৰ্য্যকালত ছাত্ৰ জিৰণী কোঠাৰ বাবে চিন্তা নকৰাকৈ থকা নাছিলো কিন্তু ফল নধৰিল। ইয়াৰ পৰা জনা যায় যে সম্পূৰ্ণ কৰ্তৃপক্ষৰ অৱহেলা। সেয়েহে মই কৰ্তৃপক্ষৰ ওচৰত বিনম্ৰভাৱে অনুৰোধ জনাওঁ যে অতি কম দিনৰ ভিতৰতে ছাত্ৰ জিৰণী কোঠাটো গঢ়ি তোলাৰ বাবে চেষ্টা কৰে যেন।

সদৌ শেষত মোৰ কাৰ্য্যকাল চোৱাত বিভিন্ন দিশত সহায় তথা পৰামৰ্শ আগবঢ়োৱা মোৰ পৰম শ্ৰদ্ধাৰ তত্বাৱধায়ক মাননীয় ইব্ৰাহিম আলী মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সমূহ বিষয়ববীয়া আৰু জ্যেষ্ঠ বৰ — সঞ্জীৱ, মোহন, বিপুল, বিজয় অখিল, কনক, মোস্তাক, পৰেশ, নুৰুল, নচিউৰ, জ্ঞানদানন্দ, অৰুপ, কুশল, পিংকু, নিপন, অপূৰ্ব্ব আৰু লগতে যিসকল বন্ধু-বান্ধবীয়ে মোক সহায় কৰা বুলি দাবী কৰিব পাৰে সেই সকললৈও মোৰ আন্তৰিক অভিনন্দন থাকিল।

শেষত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা মাগিছো।

জয় আই অসম

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা

**শ্ৰীতাপশ শৰ্ম্মা**

সম্পাদক, ছাত্ৰ-জিৰণী কোঠা

# Rangia College Students' Union

SESSION—1993-94



Sitting (L to R) Prof. P. C. Das (I/c Minor Games) Prof. I. Ali (I/c Boys' Common Room) Prof. S. Begum (I/c Girls' Common Room) Prof. B. N. Sarma (I/c Debating & Literary) Prof. N. Kalita (I/c Magazine) Principal I/c G. D. Phatowali (President) Prof. G. C. Bhuyan, Vice president (Vice-Principal I/c) Prof. J. C. Choudhury (Treasurer) Prof. B. N. Deka, (I/c Culture Section) Prof. D. Deka (I/c Social Service) J. C. Baishya (Accountant) H. J. Deka (General Secretary)

Standing (L to R) P. Kalita (Girls' common Room Secy) G. Kalita (Social Service Secy.) S. M, Zaheer (Debating & Literary Secy.) T. Sarma (Boys' Common Room Secy.) A. Rahman, (Editor, Magazine) D. Kalita (Asstt. General Secy ) R. C. Kalita (Major Games Secy.) A. Rahman (Minor Games Secy) N. Kalita (Cultural Secy.) K. Talukdar (Student–Vice President)

(Not in the picture—Prof. S. Talukdar (I/c Major Games)

RANGIA COLLEGE, RANGIA

# English Section

Session : 1993-94

21st ISSUE

Yearly Publication

Ataur Rahman
Editor

Prof. Narendra Kalita
In-Charge

RANGIA COLLEGE MAGAZINE

# Democracy : A concept, transformation and existence

Prof. RAJAT CH. DEKA
Deptt. of Political Science

THE TERM : The term Democracy is popularly common in modern times. Democracy as an institution even existed in days of yore, particularly in ancient Greece and Rome during Plato and Aristotle's living time though in rudimentary form and unscientific manner. It existed in Greek city states. The two philosophers were disgusted at the very functioning of the same. This did not ensure good life. Corruption, nepotism, disorder and a host of evil prevailed. It was artless and lacked proper education that unfolds the purity of physic, spirit, soul and the mind. There was discord between thought, expression and action. Thus, "Republic of Plato and 'Politics" of Aristotle came out as a result of their streneous labour and sustained effort to fix up means by which the inherent problems could be resolved and edifice for restructuring the then socio-political order.

Plato thought of fair rule in the State ; for that, both rulers and the ruled, citizens and subjects must be good and virtuous. He held that the rulers must be educated and trained to that extent that he becomes an embodiment of knowledges, wisdom and spirit. Besides, he is to remain deta-ched from worldly possession so that he is salf-less. Education has to remove ignorance too. The purpose of education is to inform, instruct, inspire and involve which has to be sustained all throughout.

Aristotle castigated democracy as the government of the ignorant

and fools. So, it is the worst among all the six forms of his classification. To him, it is a perverted Government.

But surprisingly, democracy persists even these days manifesting largely the perverted nature. Democracy that prevailed in some city states comprised small geographical area (territory) and meagrequantum of population. Plato recommended 10,000 in strength for Ideal State and Aristotle 5040 only. So, democracy operating at the time was direct. In the modern context this does not held good.

MEANING AND SIGNIFICANCE : All said about democracy whatsoever, it would put us in wilderness if we do not know its meaning. In short, it means the government of the people. This has its root in the Greek word & Demos', which means people, and 'cratia' which means power. As such, the combined meaning is "Power of the people'. In other words, it means a government in which citizens can participate in the process of administration and rule over the country that include right to policy decision.

It is in this light, varied definitions have been advanced by a good number of political scientists, certain important of them required to be quoted.

(a) Aristotle defined democracy as the Government by many persons, 'Plato, his teacher defined it as a rule of ignorance.

(b) Abraham Lincoln defined democracy as the Govt. of the people, by the people and for the people."

(c) According to Gilchrist, "Democracy is predominently the modern type of Government, it literally means the rule of the people, or a popular Government."

(d) Dicay says, "it is that form of Government in which the ruling power of a state is largely vested not in any particular class or classes but in the members of the community as a whole."

Burgess, Gettell, Bluntschli and other prominent writers who put forth definitions ventilate similar view.

Definitions as cited above except the one in section (a) are in modern perspective. Most others that have not been noted belong to this group and may be termed western type that centres round the



same contents and purpose H. J. Laski, strikes a bit difference incorporating some extent of socialist outlook.

The above view is sharply controverted by the Communist Block which inculcate materialist interpretation of History/dialectical Materialism. Mou Tse Tung, apparently approving Lincoln's definition, charcastically held, "Democracy is the Govt. of the people, but at the same time, it is the dictatorship of the Bourgaoise. To be brief, the socialist Block in the world hold that Democracy of the western context caters to the more previleged class in society, this promotes the interest of the capitalist class and its agents. As a reaction, the communist block contemplates the dictatorship of the prolepariate. Therefore, the communist block led by erstwhile Soviet Union propagated democracy of singular political party that represents the working class. They hold that since there is the process of election of representatives to the parliament (Legislature), there is democracy of its own design that involves a politico-social restructuring. This kind of restructuring putting more emphasis on economic rejuvanation for all, gives rise to a contradiction to the capitalist social order. If the western concept was political, the estern concept turns economic.

The fact above reveals the transformation of democratic theory as much as political theory— Nationalism and International. It will be wise to set aside consequent development of Bi-polirity and cold war in the arena of international relation.

The transformation of democratic concept can be also seen on the heels of behavioural revolution in political science and the subsequent development. Behaviouralism has a long way to impose sufficient impact on political practice in Europe and more emphatically in America.

On the socialist front, there has emerged two schools—Radical and Moderate. This in its turn has gone to give rise to two new democratic concept— (a) Democratic socialism and (b) Socialist Democracy. In between these two again we come to see the concept of welfare state.

The meaning of the term can be conceived from the process of decision making of certain family

affairs. In a family, all the members seem to be of same opinion and purpose manifesting no difference of any sort among them, no disunity. But, as a matter of fact, there could be found to persist some difference which comes to light if the matter is looked into deeply. The type of the unity is but a transpierance lest the dignity of the family may be damaged. The truth is that they are to maintain unity for each other's self interest. When differences are about to surface, an assemblage of members is held inside the doors, the head of the family, i. e. the parent being the presiding personage, points of views are expressed amicably. Matters and issues are discussed cordially because of presence of the parent to whom all are obliged as the head of the family. There may be heated debates but consensus is ultimately traspired. Mark the word 'parent' that signifies leadership. The vivid manifestation is that democratic system contains the elements of deliberation, leadership and consensus. Where consensus becomes difficult, if not impossible, voting takes place. This process extends to the sphare of the state management. This can be easily found even in a dictatorship, or any form of autocratic rule, there exists always a small group of close aides with whom the major issues are discussed and state policy is adopted. Of course, this is projected as the dictates of the monarch / dictator.

So, democracy prevails everywhere, in a family, society, politics, and even in a dictatorial set up of rule in a state.

Pre-conditions of Democracy

Derivatively, democracy pre-supposes certain conditions which constitute the foundation on which it stands and functions that again establishes a structural functional relationship. These pre-conditions may be succinctly iconceived in : a) Sovereignty-cum-law, b) Liberty, c) Equality and lastly, d) Justice. These concepts need to be propertly understood and comprehended.

Sovereignty : This means independence from external point of view. No foreign nation and power can interfere on a sovereign state .Internally, it means supremacy of power of the state over all citizens and associations of citizens. The type of people that is sometimes referred to as 'subjects' has to be kept beyond the perview of a Sovereign democratic state. Because, rulers and the ruled enjoy equal status. The section of people being ruling faction to-day may turn ordinary citizens to-morrow. Power to rule is not a permanent feature for any given class. The change depends on people's mandate. And Sovereignty belongs to the state that permeats the whole body politic and not to any person or persons. Jean Bodin was the first political scientist to introduce the concept of sovereignty in clear terms which appeared in his book "Republic" published in 1576. The Branch Philosopher as he was defined sovereignty as "the supreme power of the state over citizens and subjects unrestrained by law." There after, a good many definitions have propped up. According to Grotius, "Sovereignty is the supreme political power vested in him whose acts are not subject to any other and whose will cannot be overridden". Burgess called sovereignty as "the original, absolute, unlimited power over the individual subjects and over all associations of subjects" and so on.

The two aspects of sovereignty reveals that a state which is externally independent and internally supreme will be apt to provide for Democracy.

Thus, America attained independence after the Declaration of Independence in middle of 1776. And a purely democratic process begins to take root with the adopteion of Federal democratic constitution at the Philadelphia Convention in June, 1788 and had gone into effect from March 4, 1789. Democratic process started in England after the Glorious Revolution in 1688. The primary object of the revolution was to limit power of the absolute monarchism and acquire and ensure freedom for the people constitutionally incorporating at the same time equlity and justice for all which have gone to establish the edifice for "Rule of Law". People then came to enjoy political rights and citizens became free.

Thus, sovereignty and for that reason, independence are the two essential pre-requisites of democracy. This is true from the predominantly external aspect of the term from the point of view of State to State

relationship. Internally, from the people's point of view, the state must be free from autocratic rule of any sort, —Absolute monarchy, dictatorship of a single ruler or a single political party, or Army Dictatorship and so on.

Liberty means the condition of freedom to the individual in which the state provides that atmosphere wherein the people have the opportunity to realise their best selves. Liberty at the same time implies duty and obligation. It should also be remembered that law in a sense, is the condition of liberty It should pervade all aspects of human life - social, political economic and even cultural. Similarly, equality in its true perspective, suggests that there should remain no discrimination between man and man across the caste, creed, community and sex. Only then, justice in a state and society may exist. Again, only the word of the law may not secure justice to some category of aggreived persons. For that purpose the state should provide for some machinery other than the usual Independent and Impartial judicial machanism.

For a successful operation of democracy, people must be properly educated and morally inspired. How to infuse ethical goodness in a man is an issue at sight It is important to take resort to spiritual preacher of an incarnate nature assuring howsoever the dignity of the individual, economic stability, logical and scientific outlook.

